● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত
গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in

**দিগ্‌দৰ্শন**
এজন বন্ধু কি? দুটা শৰীৰত বাস কৰা এটা আত্মা।
এৰিষ্টটল
*দাৰ্শনিক*



৭ আয়কৰৰ অভিযান, ভূপালত কে'বা কোটিৰ ক'লাধন জব্দ
১১ মনোনীত তালিকাৰ পৰা নাম কৰ্তন সাক্ষী-চানুৰ
৪ কৰ'না উত্তৰ পৰিস্থিতিত শিক্ষাৰ সংকট

RNI-Regd No. 62953/96 ■ পঞ্চবিংশতিতম বছৰ ● ৩১৩তম সংখ্যা ● গুৱাহাটী ● শনিবাৰ ৫ ভাদ ১৪২৭ ভাস্কৰাব্দ ২২ আগষ্ট ২০২০ চন ■ DAINIK AGRADOOT ● Guwahati ● Saturday 22 August 2020 মূল্য ঃ ৭.০০ টকা

ডোকলাম-লাডাখৰ সংঘৰ্ষৰ পাছত নতুন ষড়যন্ত্ৰত লিপ্ত জিনপিং প্ৰশাসন ■ দুশ কিলোমিটাজোৰা অঞ্চলত বৃহৎ পৰিমাণৰ সেনাও নিয়োগ




## এইবাৰ উত্তৰাখণ্ডৰ লিপুলেখ সীমান্তত ক্ষেপণাস্ত্ৰ সংস্থাপন কৰিলে ৰঙা চীনে

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ২১ আগষ্ট ঃ** ডোকলাম আৰু লাডাখৰ সংঘৰ্ষৰ পাছত এইবাৰ উত্তৰাখণ্ডৰ লিপুলেখ গিৰিপথত উত্তেজনাৰ সৃষ্টি কৰিব বিচাৰিছে চীনে। লাডাখৰ প্ৰকৃত নিয়ন্ত্ৰণৰেখাত ভাৰতৰ স'তে ৰক্তাক্ত সংঘৰ্ষত লিপ্ত হৈ সমাধান সূত্ৰৰ বাবে কে'বালানি আলোচনাত অংশ ল'লেও ভিতৰি ভিতৰি কুকাৰ্য অব্যাহত ৰাখিছে ৰঙা চীনে। বিশ্বজুৰি চীনৰ সম্প্ৰসাৰণবাদৰ বিৰুদ্ধে সমালোচনা আৰু গৰিহণাই গা কৰি উঠাৰ সময়ত কিছুদিন পূৰ্বে ভাৰত আৰু নেপাল সীমান্তত অৱস্থিত প্ৰকৃত নিয়ন্ত্ৰণৰেখাৰ সমীপত চীনা সেনা নিয়োগ কৰা হৈছিল বুলি ভাৰতীয় সেনাই সদৰী কৰিছিল। এইবাৰ উপগ্ৰহৰ দ্বাৰা সংগৃহীত ছবিত স্পষ্টভাৱে ওলাই পৰিল যে সেই অঞ্চলত নিৰ্মাণ কাৰ্য কৰি ক্ষেপণাস্ত্ৰ অৱস্থান কৰাৰ কাম আৰম্ভ *আঠ পৃষ্ঠাত চাওক*



## কৰ'না কালত সংস্থাপন হেৰুৱালেও তিনিমাহৰ ৫০ শতাংশ দৰমহা পাব

কেন্দ্ৰীয় চৰকাৰৰ বৃহৎ পদক্ষেপৰ যোজা

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ২১ আগষ্ট ঃ** কৰ'না পৰিস্থিতিত কেৱল সংক্ৰমণ আৰু মৃত্যুৰ ভয়াৱহতাই নহয়, কৰ্মহীনতাও এক ভয়ংকৰ অভিশাপ হৈ পৰিছে। বহুতৰ জীৱনলৈ ই অন্ধকাৰ নমাই আনিছে। বিগত কিছুমাহত দেশত প্ৰায় দুই কোটি লোকে কৰ্মসংস্থাপন হেৰুৱাইছে। প্ৰতিদিনেই বৃদ্ধি পাইছে নিবনুৱা সমস্যা। এই পৰিস্থিতিত অৰ্থনীতিক জীপাল কৰি তুলিবলৈ কেন্দ্ৰীয় চৰকাৰে একাধিক সংস্কাৰমূলক পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰ ভিতৰত নতুন সংযোজন হৈছে কৰ্মহীন হৈ পৰা *আঠ পৃষ্ঠাত চাওক*

## শাসক-বিৰোধী নেতাৰ দুৱাৰে দুৱাৰে ঘূৰিছে জনগোষ্ঠীয় ছাত্ৰ নেতাই

■ দলৰ বিশ্বাসভাজন হ'বলৈ সামাজিক মাধ্যমৰ পৰা আঁতৰাইছে পুৰণি প'ষ্ট-ফটো

# প্ৰাৰ্থিত্বৰ বাবে দিছপুৰত লৰা-ঢপৰা

ষ্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ২১ আগষ্ট ঃ সংশোধিত নাগৰিকত্ব আইন বিৰোধী আন্দোলনত সক্ৰিয়ভাৱে নেতৃত্ব লোৱা কে'বাজনো বিভিন্ন জাতীয়-জনগোষ্ঠীয় নেতাই বিগত কে'বাদিন ধৰি দিছপুৰত বাহৰ পতা কাৰ্যই আগন্তুক নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত বিশেষ তাৎপৰ্য বহন কৰিছে। কিছুদিন আগলৈকে বিজেপি-কংগ্ৰেছক তীব্ৰ সমালোচনাৰে থকাসৰকা কৰা এই সকল নেতাই সম্প্ৰতি নিজকে ৰাজনৈতিকভাৱে প্ৰতিষ্ঠাৰ লক্ষ্যৰে ৰাজধানীত



বহি কুচকাৱাজ অব্যাহত ৰাখিছে। অৱশ্যে ৰাইজৰ ৰোষত পৰাৰ আশংকাত উপযুক্ত সময়লৈ তেওঁলোক বাট চাই আছে যদিও ৰাজ্যত সঘনাই সলনি হোৱা ৰাজনৈতিক প্ৰেক্ষাপটলৈ দৃষ্টি ৰাখি চল চাই কঠীয়া পাৰিবলৈ সকলো সাজু হৈ আছে। ইয়াৰ কে'বাজনো নেতাই বিজেপি, অগপ, কংগ্ৰেছৰ উপৰি অলপতে ভূমিষ্ঠ হ'ব লগা নতুন ৰাজনৈতিক দলৰ লগতো সু-সম্পৰ্ক অব্যাহত ৰাখি চলিছে। সামাজিক মাধ্যমত এইসকল নেতাই অধিক সক্ৰিয় হৈ *আঠ পৃষ্ঠাত চাওক*



*নাগৰিকত্ব সংশোধনী আইন তথা পৰিৱেশ সম্পৰ্কীয় বিধিৰ বিৰুদ্ধে যুৱ-ছাত্ৰ পৰিষদৰ মানৱ শৃংখল, তেজপুৰত।*

ফণীভূষণৰ মধ্যস্থতাত প্ৰফুল্ল মহন্ত-অতুল বৰাৰ বৈঠক ■ মতানৈক্য শেষ ঃ উভয়ৰে ঘোষণা

## বৰ্তমানৰ ১৪ সমষ্টি এৰি নিদিয়ে অগপই



ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২১ আগষ্ট ঃ** অতুল বৰাই নেতৃত্ব দিব অসম গণ পৰিষদক। আজি মন্ত্ৰী ফণীভূষণ চৌধুৰীৰ আৱাসত অগপ সভাপতি বৰা, কাৰ্যকৰী সভাপতি কেশৱ মহন্ত আৰু প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল মহন্তই এক ৰুদ্ধদ্বাৰ বৈঠকত অংশ লয়। বৈঠকৰ অন্তত সভাপতি বৰা আৰু মহন্তই এয়া ইতিবাচক আলোচনা বুলি উল্লেখ কৰে। বৰাই কয়, 'কিদৰে দলটোক আগন্তুক দিনত ঐক্যবদ্ধভাৱে আগবঢ়াই নিব পাৰি সেই সম্পৰ্কত সৌজন্যমূলকভাৱে জ্যেষ্ঠ নেতাজনৰ স'তে আলোচনাত মিলিত হওঁ। সকলো দলতে মতানৈক্য আছে, আমাৰ দলতো আছে। মতানৈক্য থাকিবই। কেতিয়াবা কোনো কোনো বিষয়ক লৈ মতানৈক্য হোৱাটো স্বাভাৱিক; কিন্তু অগপত বিসম্বাদ নাই। অহা দিন বিলাকত দলটোক ঐক্যবদ্ধভাৱে শক্তিশালী কৰিম, আমাৰ সেয়াই লক্ষ্য।' অগপ *আঠ পৃষ্ঠাত চাওক*

## অগপই আঞ্চলিকতাবাদৰ আদৰ্শ বিসৰ্জন দিয়া নাই আৰু নিদিয়ে ঃ বৰা

অগ্ৰদূত বাৰ্তা
**মৰিগাঁও, ২১ আগষ্ট ঃ** 'অগপই কেতিয়াও আঞ্চলিকতাবাদৰ আদৰ্শক বিসৰ্জন দিয়া নাই আৰু ভৱিষ্যতেও নিদিয়ে।' এই মন্তব্য অগপৰ সভাপতি তথা কৃষিমন্ত্ৰী অতুল বৰাৰ। *আঠ পৃষ্ঠাত চাওক*

জন অৰণ্য মহানগৰীৰ মালিগাঁৱত অঘটন ঃ ছবছৰীয়া শিশুৰ মৃত্যু

## খেলি থাকোতে নাহৰফুটুকীয়ে কামুৰি চোঁচৰাই নিলে শিশুক

মহানগৰ বাৰ্তা
**গুৱাহাটী, ২১ আগষ্ট ঃ** জন অৰণ্য গুৱাহাটী মহানগৰীৰ মালিগাঁৱত আজি সন্ধিয়া নাহৰফুটুকী বাঘৰ আক্ৰমণত এটি কণমানি শিশুৰ মৃত্যু হোৱা ঘটনাই আতংকৰ সৃষ্টি কৰিছে। মালিগাঁৱৰ আদিংগিৰিত সন্ধিয়া প্ৰায় ছয় বজাত শিশুটিয়ে সমনীয়াৰ স'তে ঘৰৰ বাহিৰত খেলি আছিল। হঠাতে সমীপৰ পাহাৰৰ হাবিৰ পৰা ওলাই অহা এটা নাহৰফুটুকী শিশুটোৰ ওপৰত জঁপিয়াই পৰে। নাহৰফুটুকীটোৱে শিশুটিক ডিঙিত কামুৰি চোঁচৰাই লৈ যোৱা দেখি সমনীয়াকেইজনে হৈ-চৈ কৰাত বাঘটোৱে শিশুটোক এৰি হাবিলৈ গুচি যায়। পাছত পৰিয়ালৰ লোকে আঘাতপ্ৰাপ্ত শিশুটিক স্থানীয় সঞ্জীৱনী হাস্পতালত ভৰ্তি কৰায় *আঠ পৃষ্ঠাত চাওক*

## একাডেমী বঁটাপ্ৰাপক বড়ো সাহিত্যিক ধৰণীধৰ ওৱাৰীৰ মৃত্যু



অগ্ৰদূত বাৰ্তা
**শালবাৰী, ২১ আগষ্ট ঃ** সাহিত্য একাডেমী বঁটাবিজয়ী বড়ো ভাষাৰ বিশিষ্ট সাহিত্যিক ধৰণীধৰ ওৱাৰী (৭০)ৰ যোৱা নিশা বাগ্‌সা জিলাৰ শালবাৰীৰ নিজ বাসগৃহত মৃত্যু হয়। এবছৰ ধৰি অসুস্থ হৈ থকা সাহিত্যিকজনে *আঠ পৃষ্ঠাত চাওক*



*ড° নাৰায়ণ চন্দ্ৰ গোস্বামীলৈ মুখ্যমন্ত্ৰীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন।*

## নাৰায়ণ চন্দ্ৰ গোস্বামীৰ সৃষ্টিৰাজি সংৰক্ষণ কৰিব ৰাজ্য চৰকাৰে

স্মৃতিচাৰণ অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ ঘোষণা

অগ্ৰদূত বাৰ্তা
**কমলাবাৰী, ২১ আগষ্ট ঃ** 'মাজুলীৰ কমলাবাৰী সত্ৰৰ প্ৰয়াত সত্ৰাধিকাৰ, যশস্বী পণ্ডিত, জ্ঞান তপস্বী ড° নাৰায়ণ চন্দ্ৰ গোস্বামীৰ সাহিত্য, আধ্যাত্মিক আৰু সাংস্কৃতিক সৃষ্টিৰাজি ৰাজ্য চৰকাৰে সংৰক্ষণ কৰিব। এইগৰাকী বিশিষ্ট সাহিত্যকৰ *ছয় পৃষ্ঠাত চাওক*

কৰ'নাৰ পৰিৱেশত নিৰ্বাচন আয়োগৰ নতুন নীতি-নিৰ্দেশনা প্ৰকাশ

এটা ভোটকেন্দ্ৰত একে সময়ত এহেজাৰ ভোটাৰ উপস্থিত থাকিব পাৰিব

## অনলাইনযোগে মনোনয়ন দাখিল কৰিব পাৰিব নিৰ্বাচনৰ প্ৰাৰ্থীয়ে

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ২১ আগষ্ট ঃ** কৰ'না পৰিস্থিতিত দেশৰ নিৰ্বাচন আয়োগেও কেতবোৰ নতুন নীতি-নিৰ্দেশনা আজি ঘোষণা কৰিছে। বিশ্বজোৰা মহামাৰীৰ সময়ত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ এইদৰে নতুন বিধি প্ৰকাশ কৰিবলৈ বাধ্য হৈছে আয়োগ। এই সময়ছোৱাত নিৰ্বাচন অনুষ্ঠিত



হ'লে যিকোনো প্ৰাৰ্থীয়ে ঘৰে ঘৰে প্ৰচাৰ অভিযানত অংশ ল'ব পাৰিব মাত্ৰ পাঁচজন লোকে। ইয়াৰ উপৰি ইলেকট্ৰ'নিক ভোটিং মেচিন (ই ভি এম)ত বুটাম টিপাৰ পূৰ্বে ভোটাৰসকলে গ্লভছ পৰিধান কৰিব লাগিব। এটা ভোটকেন্দ্ৰত একে সময়তে সৰ্বাধিক এহেজাৰজন ভোটাৰহে উপস্থিত থাকিব পাৰিব। তদুপৰি *আঠ পৃষ্ঠাত চাওক*

## ইউ ডি এফৰে মিত্ৰতাৰ আঁৰত গগৈৰ ব্যক্তিগত লাভালাভৰ অংক ঃ পীযুষ

■ পৰিচ্ছন্নতাত অসমলৈ দ্ৰুত ৰাজ্যৰ স্বীকৃতি

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২১ আগষ্ট ঃ** ব্যক্তিস্বাৰ্থক প্ৰাধান্য দিয়েই সাংসদ বদৰুদ্দিন আজমল নেতৃত্বাধীন এ আই ইউ ডি এফৰে মিত্ৰতা স্থাপনত গুৰুত্ব দিছে প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে। এই কথা দিনৰ পোহৰৰ দৰে স্পষ্ট। আজি ইয়াত এক সংবাদমেলত এই মন্তব্য কৰি নগৰ উন্নয়ন বিভাগৰ ৰাজ্যিক মন্ত্ৰী পীযুষ হাজৰিকাই কয় যে অসম বিধানসভাৰ আসন্ন নিৰ্বাচনত এ আই ইউ ডি এফৰে মিত্ৰতা হ'লে *আঠ পৃষ্ঠাত চাওক*



## অসম আন্দোলনৰ অক্লান্ত কৰ্মী কুমুদ প্ৰসাদ শৰ্মাৰ বিয়োগ

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২১ আগষ্ট ঃ** অসম আন্দোলনৰ অক্লান্ত কৰ্মী তথা ভ্ৰাম্যমাণ থিয়েটাৰ জগতৰ অন্যতম পুৰোধা ব্যক্তি কুমুদ প্ৰসাদ শৰ্মা আৰু নাই। দীৰ্ঘদিন ধৰি হৃদৰোগত আক্ৰান্ত হৈ থকা শৰ্মাই যোৱা নিশা চিকিৎসাধীন অৱস্থাতে মহানগৰীৰ এখন ব্যক্তিগত হাস্পতালত শেষ নিশ্বাস ত্যাগ *আঠ পৃষ্ঠাত চাওক*

■ সুস্থ হোৱা লোক পুনৰ হাওঁফাওঁ কেন্দ্ৰিক উপসৰ্গত আক্ৰান্ত তথ্য

■ সংক্ৰমিতৰ সংখ্যা ৮৭,৯০৮ লৈ বৃদ্ধি ঃ মৃতকৰ সংখ্যা ৩০৯ লৈ বৃদ্ধি

## পুনৰ ছজনৰ মৃত্যু ৰাজ্যত, আক্ৰান্ত হ'ল আৰু তিনি সাংসদ-বিধায়ক



*আক্ৰান্ত বিধায়ক নাৰ্জাৰী-সাংসদ তাছা।*

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২১ আগষ্ট ঃ** অসমত আজি পুনৰ ছজন কৰ'না আক্ৰান্তই শেষ নিশ্বাস ত্যাগ কৰে। ইয়াৰ লগতে আজিৰ দিনটোত আক্ৰান্ত হয় পুনৰ তিনিজন জনপ্ৰতিনিধি। লক্ষ্যণীয়ভাৱে ৰাজ্যত অব্যাহত আছে নতুনকৈ আক্ৰান্তৰ দ্ৰুত সংখ্যা বৃদ্ধি। অৱশ্যে বৃদ্ধি হৈছে সুস্থ হোৱা লোকৰ সংখ্যাও। ইয়াৰ মাজতে আজি ক'ভিড চিকিৎসাৰ লগত জড়িত জ্যেষ্ঠ চিকিৎসকৰ সূত্ৰই উদ্বেগেৰে কয় যে শেহতীয়াকৈ অসমত কৰ'নাৰ পৰা সুস্থ হোৱা লোকে নানান উপসৰ্গত নতুনকৈ আক্ৰান্তৰ তথ্য পোহৰলৈ আহিছে। ইয়াৰ ভিতৰত *আঠ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩০° | ২৫° |
| ডিব্ৰুগড় | ৩০° | ২৪° |
| দিল্লী | ৩৩° | ২৬° |
| কলকাতা | ৩১° | ২৭° |
| মুম্বাই | ২৯° | ২৬° |
| চেন্নাই | ৩৫° | ২৭° |
| বাংগালুৰু | ২৮° | ২০° |
| শ্বিলং | ২২° | ১৮° |

*২১ আগষ্ট, ২০২০*

### চেঙা তেল



*ইহঁতৰ কাজিয়াখনে দেখোন আমাৰ দিছপুৰৰ আসনখনৰ কথাহে মনত পেলাই দিলে!*

## দেশত আক্ৰান্তৰ সংখ্যা বাঢ়িলেও সুস্থৰ হাৰ বৃদ্ধি ঃ বিপৰীতে মৃত্যুৰ হাৰ হ্ৰাস

পুনৰ এদিনত ৬৯ হেজাৰ আক্ৰান্ত

■ নিউজ ব্যুৰ'
নতুন দিল্লী, ২১ আগষ্ট ঃ ভাৰতত কৰ'নাৰ সংক্ৰমণৰ গতি ব্যাপক ৰূপত অব্যাহত আছে।



যোৱা ২৪ ঘন্টাত ৬৯ হেজাৰ লোকৰ শৰীৰত নতুনকৈ সংক্ৰমণ ধৰা পৰে। ইয়াৰ ফলত দেশত মুঠ আক্ৰান্তৰ সংখ্যা আজি ২৯,৫১,৭৩৬ লৈ বৃদ্ধি হয়; *ছয় পৃষ্ঠাত চাওক*

### কৰ'নাৰ স্থিতি

**বিশ্ব**

| | | |
|---|---|---|
| আক্ৰান্ত | ঃ | ২,২৯,৭১,৬১১ |
| মৃত | ঃ | ৭,৯৮,৯৭৮ |
| আৰোগ্য | ঃ | ১,৫৬,০৯,৯১৭ |

**ভাৰত**

| | | |
|---|---|---|
| আক্ৰান্ত | ঃ | ২৯,৬৯,১২৫ |
| মৃত | ঃ | ৫৫,৯০২ |
| আৰোগ্য | ঃ | ২২,১৩,৮৮৭ |

**অসম আৰু শীৰ্ষ পাঁচ ৰাজ্য**

| ৰাজ্য | আক্ৰান্ত | মৃত | সুস্থ |
|---|---|---|---|
| অসম | ৮৭,৯০৮ | ৩০৯ | ৬৫,৫৯৬ |
| মহাৰাষ্ট্ৰ | ৬,৫৭,৪৪৯ | ২১,৬৯৮ | ৪,৭০,৮৭৩ |
| তামিলনাডু | ৩,৬৭,৪৩০ | ৬,৩৪০ | ৩,০৭,৬৭৭ |
| অন্ধ্ৰ প্ৰদেশ | ৩,৩৪,৯৪০ | ৩,০৯২ | ২,৪৪,০৪৫ |
| কৰ্ণাটক | ২,৬৪,৫৪৬ | ৪,৫২২ | ১,৭৬,৯৪২ |
| উত্তৰ প্ৰদেশ | ১,৭৭,২৩৯ | ২,৭৯৭ | ১,২৬,৬৫৭ |

## পহিলা ছেপ্টেম্বৰৰ পৰা অচল হৈ পৰিব ৰাজ্যৰ সকলো পৌৰসভা

অবৈধ নিযুক্তি বাতিল-চাকৰি নিয়মীয়াকৰণৰ দাবী কৰ্মচাৰী সন্থাৰ

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২১ আগষ্ট ঃ** অহা পহিলা ছেপ্টেম্বৰৰ পৰা ৰাজ্যৰ সকলোবোৰ পৌৰসভাৰ কাম-কাজ স্থবিৰ হৈ পৰিব। জৰুৰীকালীন সেৱা হিচাপে কেৱল কৰ'না আৰু চাফাই সংক্ৰান্তীয় কাম-কাজহে ৫০ শতাংশ কৰ্মীৰে চলিব বুলি আজি ইয়াত অনুষ্ঠিত সদৌ অসম পৌৰ নিকায় কৰ্মচাৰী সন্থাৰ বৰ্ধিত কাৰ্যনিৰ্বাহক বৈঠকত সিদ্ধান্ত গ্ৰহণ কৰা হয়। উল্লেখ্য যে অবৈধ নিযুক্তিৰ বোজা আৰু তাৰ লগতে চৰকাৰৰ *ছয় পৃষ্ঠাত চাওক*

■ কৰ'নাৰ চিকিৎসাৰ নামত ছিণ্ডিকেট-ৰাজ্যৰ ইতিহাসত সৰ্ববৃহৎ কেলেংকাৰিৰ অভিযোগ

## বাজেটৰ নামত চূড়ান্ত প্ৰহসন ঃ সৰৱ দেৱব্ৰত

মূল বাজেটৰ ধন ব্যয়ত ব্যৰ্থ হৈয়ো পৰিপূৰক বাজেট গ্ৰহণ ■ বিভিন্ন বিভাগত ব্যয় মাত্ৰ ৫০ শতাংশহে ■ বাজেটত ঘোষিত আঁচনিৰ নাম সলনি কৰি শিক্ষা বিভাগত ৰূপায়ণ



ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২১ আগষ্ট ঃ** বিত্তমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যিক বাজেটৰ নামত চূড়ান্ত প্ৰহসনৰ আশ্ৰয় লৈছে। এই অভিযোগ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াৰ। লগতে কৰ'নাৰ চিকিৎসাৰ নামত ৰাজ্যত ছিণ্ডিকেট চলাৰ লগতে অসমৰ ইতিহাসত *আঠ পৃষ্ঠাত চাওক*

**AFFIDAVIT**

**I E. Biju Kumar Singh, S/o late E, Raj Kumar Singh, resident of H/No-34, patacharkuchi, Basistha, Ghy-29, that my actual and correct name is E. Biju Kumar Singh, But in my some documents my name has been wrongly recorded as E. Biju Kumar Sing instead of E. Biju Kumar Singh by an affidavit before Judicial magistrate kamrup (M) on 13/08/2020.**

**ত্যাজ্যপুত্ৰ/শপতনামা**

আজি ইং ১০/০৮/২০২০ তাৰিখে মই মঃ জহুৰতদ্দিনে মৰিগাঁও আদালতৰ এক শপতনামাৰ জৰিয়তে মোৰ পুত্ৰ নেকিবুৰ আলিক সুস্থ শৰীৰ আৰু স্বজ্ঞানে ত্যাজ্যপুত্ৰ ঘোষণা কৰিলো। এই শপতনামাৰ জৰিয়তে নেকিবুৰ আলিয়ে মোৰ স্থাৱৰ-অস্থাৱৰ কোনো সম্পত্তিৰ দাবীদাৰ হ'ব নোৱাৰিব বুলিও লগতে ঘোষণা কৰিলো।

মঃ জহুৰতদ্দিন
পিতা ঃ মৃতঃ চাফাদুল
টুকুনা বড়ি
থানা ঃ মিকিৰভেটা, মৰিগাঁও

**AFFIDAVIT**

**I Disha Baishya, W/o Arup Baishya, resident of Ujoni Nagar, Kahilipara, ghy-19, that my actual name is Disha Baishya. But in my some documents my name wrongly recorded as Disha Dutta instead of Disha Baishya by an affidavit before judicial magistrate 1st class, Kamrup (M) on 21-08-2020.**

**ASTROLOGY/ জ্যোতিষী**

**ত্ৰিকাল মহাভৈৰৱ তন্ত্ৰ কেন্দ্ৰ ও আচল ৰত্নৰ ৰাজভাণ্ডাৰ ৰত্নসাগৰ অসমত সৰ্বপ্ৰথম একমাত্ৰ ১৮টা বিদ্যাৰ দ্বাৰা একেলগে, একে ঠাইত সংমিশ্ৰিত, বিশ্লেষিত সকলো সমস্যাৰ গেৰাণ্টীযুক্ত সমাধান। সৰ্বমনোকামনা পূৰণকাৰী মহাকাল ভৈৰৱ কৰচত সকলো সমস্যা তিনি ঘণ্টাৰ পৰা সমাধান। জ্যোতিষ, বাস্তু, তান্ত্ৰিক সম্ৰাট.... ত্ৰিকাল ৰাজগুৰু, কুঁৱৰীটোল, কলিয়াবৰ, নগাঁও- 9954021556, 9947066469.**

# আৰ্থিক সংকটত টেণ্ট হাউছ ব্যৱসায়ী-কৰ্মচাৰীৰ

**আজাৰা, ২১ আগষ্ট ঃ** সমগ্ৰ বিশ্বতে কৰ'না ভাইৰাছৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে দেশে-দেশে চলি থকা বিভিন্ন ব্যৱস্থাৰ লেখীয়া আমাৰ দেশৰ লগতে অসমতো তলাবন্ধৰ প্ৰভাৱত অৰ্থনীতি ভাগি পৰিছে। চৰকাৰে দুখীয়া জনসাধাৰণৰ বাবে বিভিন্ন আঁচনি ঘোষণা কৰিছে যদিও ৰাজ্যখনত টেণ্ট হাউছ ব্যৱসায়েৰে জীৱন আৰু জীৱিকা চলাই থকা এই ব্যৱসায়ীসকলৰ পানীত হাঁহ নচৰা অৱস্থাৰ সৃষ্টি হৈছে। এনে অৱস্থাত আজাৰা ৰাজহ চক্ৰৰ থকা সৰু-বৰ টেণ্ট হাউছ প্ৰতিষ্ঠানবোৰ তলাবন্ধৰ প্ৰভাৱত তীব্ৰ আৰ্থিক সংকটৰ গৰাহত পৰিছে। অঞ্চলটোত থকা টেণ্ট হাউছ প্ৰতিষ্ঠানৰ সংখ্যা প্ৰায় ৩০টা এই প্ৰতিষ্ঠানসমূহত কাম কৰা কৰ্মচাৰীৰ সংখ্যা দুশতকৈ অধিক। তলাবন্ধৰ প্ৰভাৱত বিয়া-সবাহ, উৎসৱ-পাৰ্বণ বন্ধ হৈ পৰাত এনে প্ৰতিষ্ঠানসমূহ আৰ্থিকভাৱে ক্ষতিগ্ৰস্ত হোৱাৰ লগতে প্ৰতিষ্ঠানসমূহত কাম কৰা শ্ৰমিকসকলো কৰ্মহীন হৈ আৰ্থিকভাৱে ক্ষতিগ্ৰস্ত হ'বলগীয়া হৈছে। উল্লেখ্য যে আজাৰা ৰাজহ চক্ৰৰ এচাম নিবনুৱা যুৱকে চাকৰিৰ পাছত নদৌৰি বিভিন্ন বিত্তীয় প্ৰতিষ্ঠানৰ পৰা ঋণ লৈ 'টেণ্ট হাউছ'ৰ ব্যৱসায় আৰম্ভ কৰিছিল। এনে ব্যৱসায়েৰে নিজে লাভবান হোৱাৰ উপৰি অঞ্চলটোৰ এচাম যুৱকক প্ৰতিষ্ঠানটোৰ লগত জড়িত কৰি কৰ্মসংস্থাপনো দিছিল। ইতিমধ্যে সৰহ সংখ্যক টেণ্ট হাউছ প্ৰতিষ্ঠাননে ব'হাগ বিহু উপলক্ষে কৰি নতুন নতুন সা-সামগ্ৰী ক্ৰয় কৰি বছৰটোৰ বাবে সাজু হৈ উঠিছিল। পিছে কৰ'না ভাইৰাছৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে যোৱা ২৪ মাৰ্চৰ পৰা আৰম্ভ হোৱা তলাবন্ধৰ বাবে সকলো স্তব্ধ হৈ পৰে। বিগত ২৪ মাৰ্চৰ পৰা বিয়া-সবাহ, উৎসৱ-পাৰ্বণ সমূলি বন্ধ হৈ পৰাত টেণ্ট হাউছৰ ব্যৱসায় সম্পূৰ্ণ বন্ধ হৈ পৰিছে। যাৰ ফলত এনে ব্যৱসায়ত জড়িত এচাম গৰাকীয়ে এতিয়া ঋণৰ কিস্তি দিব নোৱাৰি কিংকৰ্তব্যবিমূঢ় হৈ পৰিছে। ইফালে, এনে প্ৰতিষ্ঠানৰ লগত অস্থায়ী কৰ্মচাৰী হিচাপে জড়িত প্ৰায় দুশ কৰ্মচাৰী কৰ্মহীন হৈ পৰিছে। ইতিমধ্যে এনে প্ৰতিষ্ঠানৰ এচাম গৰাকীয়ে আৰ্থিক সংকটত জুৰুলা হৈ জীয়াই থকাৰ তাড়নাত বাটে-পথে সৰু-সুৰা ব্যৱসায়েৰে কোনোমতে চলিবলগীয়া হৈছে। এনে লোকসকলৰ বাবে চৰকাৰে কি ব্যৱস্থা ল'ব সেয়া লক্ষ্যণীয় হ'ব।

# দুই শতাধিক স্বৰ্ণশিল্পীক চৰকাৰী আঁচনিৰ অধীনৰ কেঁচা সামগ্ৰী যোগান

**বিশেষ সংবাদদাতা**

**নগাঁও, ২১ আগষ্ট ঃ** কৰ'না মহামাৰীৰ লগতে দেশজুৰি হোৱা তলাবন্ধৰ বাবে আৰ্থিকভাৱে দুৰ্বল শ্ৰেণীৰ লোকসকলৰ লগতে ক্ষুদ্ৰ ব্যৱসায়ীসকল ক্ষতিগ্ৰস্ত হৈছে। অন্যান্য ক্ষেত্ৰৰ লগতে নগাঁও জিলাৰ ঐতিহ্যমণ্ডিত ৰণথলীৰ কেঁচাসোণৰ অসমীয়া গহনাৰ থলুৱা শিল্প উদ্যোগটো চৰম সংকটৰ সন্মুখীন হৈছে। কেঁচাসোণৰ দ্বাৰা অসমীয়া গহনা প্ৰস্তুত কৰি সমগ্ৰ ৰাজ্যতে বিপুল সমাদৰ লাভ কৰা নগাঁও চহৰৰ নিকটৱৰ্তী ৰণথলী অঞ্চলৰ স্বৰ্ণশিল্পীসকল তলাবন্ধৰ ফলত কৰ্মহীন হৈ পৰিছে। বিশেষকৈ কৰ'না ভাইৰাছ সংক্ৰমণৰ আশংকা আৰু তলাবন্ধৰ বাবে এইবাৰ ব'হাগত বিয়া-বাৰু কিম্বা ৰঙালী বিহু উৎসৱ আজি অনুষ্ঠিত কৰিব পৰা নগ'ল। ফলত ৰণথলীৰ কেঁচাসোণৰ উদ্যোগত প্ৰস্তুত কৰা অসমীয়া গহনাৰ বিক্ৰী প্ৰায় বন্ধ হৈ পৰে। থলুৱা কুটিৰ উদ্যোগসমূহক কিছু সকাহ দিয়াৰ উদ্দেশ্যে চৰকাৰে এক বিশেষ আঁচনি হাতত লৈছে। সেই আঁচনিৰ অংশ স্বৰূপে কালি নগাঁও সদৰ সমষ্টিৰ অন্তৰ্গত পাখিমৰীয়া মণ্ডলৰ দেওধৰ পঞ্চায়তত মুখ্যমন্ত্ৰী থলুৱা উদ্যোগ বিকাশ আঁচনিৰ অধীনত আৰু নগাঁও জিলা উদ্যোগ, বাণিজ্য কেন্দ্ৰৰ লগতে ৰণথলী স্বৰ্ণশিল্প উদ্যোগ সমবায় সমিতি লিমিটেডৰ সৌজন্যত কেঁচা সামগ্ৰী (সোণ-ৰূপ) বিতৰণি সভা অনুষ্ঠিত কৰা হয়। উক্ত বিতৰণি সভাত নগাঁও জিলাৰ দুই শতাধিক স্বৰ্ণশিল্পী হিতাধীকাৰিক কেঁচা সামগ্ৰী বিতৰণ কৰে বিধায়ক ৰূপক শৰ্মাই। স্বৰ্ণশিল্পীসকলক কেঁচা সামগ্ৰী বিতৰণ কৰি বিধায়ক শৰ্মাই কয়, 'ৰণথলীৰ অসমীয়া গহনা সমগ্ৰ অসমতে বিখ্যাত। ৰণথলীৰ স্বৰ্ণশিল্পীসকলে গঢ় দিয়া আ-অলংকাৰৰ এক সুকীয়া নাম আছে। কৰ'না ভাইৰাছ আৰু তলাবন্ধৰ বাবে এই শিল্পীসকল যথেষ্ট ক্ষতিগ্ৰস্ত হৈছে। চৰকাৰৰ ফালৰ পৰা এই শিল্পীসকলৰ থলুৱা উদ্যোগসমূহ জীয়াই ৰাখিবৰ বাবেই এক প্ৰয়াস কৰা হৈছে। লগতে বিধায়কজনে কয় যে আমি আশা কৰিছো 'মুখ্যমন্ত্ৰী থলুৱা উদ্যোগ বিকাশ' এই আঁচনিখনৰ জৰিয়তে কেঁচা সামগ্ৰীৰ (সোণ-ৰূপ) লাভেৰে ৰণথলী স্বৰ্ণশিল্পীসকল স্বাৱলম্বী হোৱাৰ লগতে স্বৰ্ণশিল্প উদ্যোগ বাণিজ্যৰে নগাঁৰৰ লগতে সমগ্ৰ ভাৰতবৰ্ষলৈ গৌৰৱ কঢ়িয়াই আনিব। বিতৰণ অনুষ্ঠানত বিধায়ক শৰ্মাৰ লগতে নগাঁও জিলা উপায়ুক্ত যাদৱ শইকীয়া, নগাঁও জিলা উদ্যোগ-বাণিজ্য কেন্দ্ৰৰ প্ৰবন্ধক অৰূপ ভৰালী, বিষয়া জামাদুল চৌধুৰী উপস্থিত থাকে।

# গোৱালপাৰা চহৰৰ দুৰ্গামন্দিৰ-বিহুফিল্ড সংযোগী পথৰ দুৰৱস্থা

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২১ আগষ্ট ঃ** গোৱালপাৰা পৌৰসভাৰ ন নম্বৰ ৱাৰ্ডৰ অন্তৰ্গত দুৰ্গামন্দিৰৰ পৰা বিহুফিল্ড সংযোগী পথৰ দুৰৱস্থাই ৰাইজক নৰক যন্ত্ৰণা ভোগাইছে। দীৰ্ঘদিন ধৰি মেৰামতি নকৰাৰ ফলত পথছোৱাৰ মাজে মাজে প্ৰকাণ্ড প্ৰকাণ্ড পুখুৰী সদৃশ গাঁতৰ সৃষ্টি হৈছে। বিশেষকৈ ন নম্বৰ ৱাৰ্ডৰ ৱাৰ্ড কমিছনাৰৰ ঘৰৰ সন্মুখতেই প্ৰকাণ্ড গাঁতৰ সৃষ্টি হোৱাত যানবাহনৰ চলাচল ব্যাহত হৈ পৰিছে। স্থানীয় ৰাইজে ৱাৰ্ড কমিছনাৰক বাবে বাবে দাবী জনাই অহাৰ পাছতো কোনো সুফল পোৱা নাই বুলি অভিযোগ উঠিছে। সেয়ে বৃহত্তৰ স্বাৰ্থৰ প্ৰতি গুৰুত্ব প্ৰদান কৰি অতি শীঘ্ৰে পথছোৱা মেৰামতি কৰাৰ বাবে পৌৰসভাৰ পৌৰপতি তথা কাৰ্যবাহী বিষয়াক দাবী জনাইছে ভুক্তভোগী ৰাইজে।

# হাইস্কুল-উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাদেশিকীকৰণৰ সিদ্ধান্তক আদৰণি আমছুৰ

**অগ্ৰদূত ব্যুৰ'**

**ৰঙাইগাঁও, ২১ আগষ্ট ঃ** অসমৰ শিক্ষামন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যোৱা ১৮ আগষ্টত এক সংবাদমেলযোগে অসমৰ উচ্চ, উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু জুনিয়ৰ কলেজ প্ৰাদেশিকীকৰণৰ সিদ্ধান্ত লোৱাৰ বাবে আমছুৰ বিজনী জিলা সমিতিয়ে আদৰণি জনাইছে। লগতে অসম চৰকাৰ আৰু শিক্ষা বিভাগক ধন্যবাদ জ্ঞাপন কৰিছে। অসম চৰকাৰৰ এই সিদ্ধান্তৰ ফলত বি টি চিৰ চিৰাং জিলাৰ বিজনী মহকুমাৰ মিলনজ্যোতি হাইস্কুল, আলুখুন্দা আৰু মাজৰাবাৰী নোৱাপাৰা হাইস্কুল দুখন প্ৰাদেশিকীকৰণ আইনৰ আওতাত পৰিছে। ফলশ্ৰুতিত উক্ত অঞ্চলবাসীৰ লগতে প্ৰাক্তন আৰু বৰ্তমান অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকল যথেষ্ট উৎফুল্লিত হৈছে। এই দুয়োখন বিদ্যালয় চৰকাৰে অতি শীঘ্ৰে প্ৰাদেশিকীকৰণ কৰাৰ বাবে বিজনী জিলা আমছুৱে দীৰ্ঘদিনৰ পৰা চৰকাৰৰ ওচৰত দাবী জনাই আহিছিল। কালি স্বাভাৱিকতে দুয়োখন বিদ্যালয়ৰ নাম তালিকাত চাই বিজনী জিলা আমছুৱে অসম চৰকাৰৰ লগতে শিক্ষা বিভাগ আৰু শিক্ষামন্ত্ৰী ড° শৰ্মাক ধন্যবাদৰ উপৰি কৃতজ্ঞতা জনাইছে। লগতে অসম চৰকাৰলৈ অতি বিনয়ৰ স'তে আহ্বান জনোৱা হয় যে চৰকাৰে ২০১৩ত যি নীতি-নিয়মৰ জৰিয়তে অসমৰ অপ্ৰাদেশিকীকৃত শিক্ষানুষ্ঠানসমূহ প্ৰাদেশিকীকৰণ কৰি শিক্ষক-শিক্ষয়িত্ৰীসকলৰ চাকৰি নিয়মীয়াকৰণ কৰিছিল সেই একে প্ৰথাৰে এইবাৰ প্ৰাদেশিকীকৰণ কৰা শিক্ষানুষ্ঠানবোৰৰ শিক্ষক-শিক্ষয়িত্ৰী অধ্যাপক-অধ্যাপিকাৰ পদসমূহ মানৱীয় দৃষ্টিভংগীৰে চাই বা অতদিনে বিনা বেতনে আগবঢ়োৱা অভিজ্ঞতাৰ প্ৰতি লক্ষ্য ৰাখি টিউটৰৰ পৰিৱৰ্তে পূৰ্ণ পৰ্যায়ৰ শিক্ষক-শিক্ষয়িত্ৰী তথা অধ্যাপক-অধ্যাপিকাৰ মৰ্যাদা প্ৰদান কৰিবলৈ আহ্বান জনায়। লগতে এইসমূহ শিক্ষানুষ্ঠানবোৰৰ পৰা বাদ পৰি যোৱা তৃতীয় আৰু চতুৰ্থবৰ্গৰ কৰ্মচাৰীৰ চাকৰিসমূহ অনতিপলমে নিয়মীয়াকৰণৰ দাবী উত্থাপন কৰে।

# মোৰাঝাৰ মহাবিদ্যালয় প্ৰাদেশিকীকৰণত উৎফুল্লিত ৰাইজ

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ২১ আগষ্ট ঃ** হোজাই জিলাৰ আন আন মহবিদ্যালয়ৰ লগতে অতিকৈ পিছপৰা সংখ্যালঘু অঞ্চলৰ মোৰাঝাৰৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান মোৰাঝাৰ মহাবিদ্যালয় পাদেশিকীকৰণ হোৱাত উৎফুল্লিত হৈ পৰিছে অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় ৰাইজ। যোৱা ১৯ আগষ্টত ৰাইজে ফটকা ফুটাই আনন্দ উল্লাসত মচগুল হোৱা পৰিলক্ষিত হয়। মোৰাঝাৰৰ কে'বাটাও সংগঠন আৰু শৈক্ষিক অনুৰাগী ব্যক্তিয়ে কলেজৰ অধ্যক্ষ ড° চৈয়দ আহমেদ আলীকে ধৰি চৰকাৰীকৰণ হোৱা পাঁচগৰাকী টিউটৰ, সহকাৰী অধ্যাপকসহ সমূহ অধ্যাপক সমন্বিতে কৰ্মচাৰীবৃন্দক সম্বৰ্ধনা জনায়। উল্লেখ্য যে মোৰাঝাৰ মহাবিদ্যালয়ৰ চৌহদত উপস্থিত হৈ মোৰাঝাৰৰ স্থানীয় ৰাইজকে ধৰি সমাজ কল্যাণ যুৱ সংঘ, বিজেপি যুৱ মৰ্চা, যমুনাপৰীয়া শাখা সাহিত্য, ব্ৰাইট ফিউচাৰ ট্ৰাষ্টি, মোৰাঝাৰ প্ৰেছ ক্লাব, গাইডেন্স জুনিয়ৰ কলেজ, নৱজ্যোতি ক্লাবকে ধৰি বিভিন্ন সংগঠনৰ ভালেমান বিষয়ববীয়াই গামোচা, জাপি আদিৰে সম্বৰ্ধনা জনায়। লগতে অসম চৰকাৰ আৰু শিক্ষামন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক কৃতজ্ঞতা জ্ঞাপন কৰে। উল্লিখিত যে অবিভক্ত নগাঁও জিলাৰ বৰ্তমান হোজাই জিলাত মোৰাঝাৰ মহাবিদ্যালয়, যমুনামুখ মহাবিদ্যালয়, আলহাজ সোনাই বিবি মহাবিদ্যালয় উদালী আৰু উদালী কলেজ, বামুণগাঁও প্ৰদেশিকীকৰণ হৈছে।

# মেলেং বালিচাপৰিত আদৰ্শ গাঁও পথ নিৰ্মাণত কমিছনভোগীৰ বিধি-পথালিত ক্ষুব্ধ গাঁওবাসী

**অগ্ৰদূত বাৰ্তা**

**লাহদৈগড়, ২১ আগষ্ট ঃ** মধ্য যোৰহাট উন্নয়ন খণ্ডৰ চিপাহীখোলাৰ অধীনস্থ ২৮ নম্বৰ মেলেং বালিচাপৰি গাঁও পঞ্চায়তৰ আদৰ্শ গাঁও পথ নিৰ্মাণত কমিছনভোগীৰ বিধি পথালিত গাঁওবাসী ক্ষুব্ধ হৈ পৰিছে। ২৮ নম্বৰ মেলেং বালিচাপৰি গাঁও পঞ্চায়তৰ ন নম্বৰ ৱাৰ্ডৰ পুৰণি মেলেং আৰু মেলেং মথাউৰি সংযোগী ১.৭০ মিটাৰ দৈৰ্ঘ্যৰ ছহিদ মদন গগৈ পথটো ২০১৯-২০ত পি ভি চি ব্লক দি পকীকৰণৰ বাবে আঠ লাখ পাঁচ হেজাৰ টকা আবণ্টন দিয়া হৈছিল। চৰকাৰী নীতি-নিৰ্দেশনা মতে, আদৰ্শ গাঁৱৰ ৰাইজৰ দ্বাৰা তদাৰক সমিতি গঠন কৰি তদাৰক সমিতিয়ে যোগনিয়াৰ দ্বাৰা পথৰ সামগ্ৰী পেলাই কাম কৰাৰ পাছত একাংশ কমিছনভোগীয়ে পথ নিৰ্মাণ কাৰ্যত বিসংগতি আছে বুলি লম্ফ-জম্ফ কৰি মিডিয়াত প্ৰচাৰ কৰাৰ ভাবুকি দি পথ নিৰ্মাণত বিধি পথালি দিয়ে। সুদীৰ্ঘ ৩৫ বছৰে যমৰ যাতনা ভুগি অহা গাঁওবাসীয়ে পথটো পকীকৰণ হোৱাত আনন্দিত হোৱাৰ সময়ত কমিছনভোগীৰ এনে নিকৃষ্ট কাৰ্যক গৰিহণা দিছে। পথ নিৰ্মাণত বিধি পথালি দিলে গাঁওবাসীয়ে আইনগত ব্যৱস্থা গ্ৰহণ কৰিব বুলি সকীয়াই দিছে।

# অৱসৰপ্ৰাপ্ত প্ৰদান শিক্ষক কন্দৰ্প ঠাকুৰীয়াৰ মৃত্যুত শোক

**অগ্ৰদূত বাৰ্তা**

**হাজো, ২১ আগষ্ট ঃ** কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ )তৰ্গত কূলহাটী মোৱামাৰী নিবাসী সমাজকৰ্মী তথা অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক কন্দৰ্প ঠাকুৰীয়া (৮২)ৰ যোৱা নিশা বাৰ্ধক্যজনিত কাৰণত নিজ বাসগৃহত মৃত্যু হয়। অসমৰ বিভিন্ন স্থানত শিক্ষকতা কৰা ঠাকুৰীয়াই ২০০২ত কূলহাটী কোণাদিয়া এল পি স্কুলৰ প্ৰদান শিক্ষক হিচাপে চাকৰিৰ পৰা অৱসৰ গ্ৰহম কৰে। তেওঁ শিক্ষকতা কৰি থকাৰ পাছতো সমাজৰ উত্তৰণৰ হকে কাম কৰিছিল। তেওঁ কূলগাটী অঞ্চলৰ প্ৰতিটো অনুষ্ঠান-প্ৰতিষ্ঠান তথা ৰাজহুৱা অনুষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ আছিল তেওঁৰ মৃত্যুত কূলহাটী গাঁও উন্নয়ন সমিতিৰ সভাপতি মনমোহন দাস, আছু নেতা প্ৰকাশ চন্দ্ৰ দাস, নৱলিন সংঘ, মোৱামাৰী ৰাইজ গয়ৰহৰ লগতে অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, ব্যক্তিয়ে শোক প্ৰকাশখ কৰিছে। মৃত্যুৰ সময়ত পত্নীসহ দুই পুত্ৰ আৰু চাৰিগৰাকী কন্যাক এৰি যায়।

# কলিয়াবৰত 'সত্ৰ বৈভৱ' গ্ৰন্থ উন্মোচন

**অগ্ৰদূত বাৰ্তা**

**কলিয়াবৰ, ২১ আগষ্ট ঃ** পবিত্ৰ ভাদৰ প্ৰথম দিনটোতেই কলিয়াবৰৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীবৰভকতি সত্ৰৰ নামঘৰত যোৱা ১৮ আগষ্টত সত্ৰৰ ডেকাসত্ৰীয়া, সাংস্কৃতিক কৰ্মী শ্বাৰন কুমাৰ মহন্তৰ প্ৰণিত 'সত্ৰ বৈভৱ' নামৰ গ্ৰন্থখন শ্ৰীশ্ৰীবাকৰিয়াল সত্ৰৰ ডেকাসত্ৰীয়া প্ৰভাত চন্দ্ৰ গোস্বামীয়ে উন্মোচন কৰে। চামগুৰি সত্ৰৰ ডেকাসত্ৰীয়া কমল চন্দ্ৰ গোস্বামীয়ে সভা সঞ্চালনা কৰে। সমন্বিত যুৱতীৰ্থ, কলিয়াবৰৰ উদ্যোগত, বৰভকতি সত্ৰৰ ব্যৱস্থাপনাত আৰু বালিসত্ৰৰ ডেকাসত্ৰীয়া, সমাজকৰ্মী মণি মাধৱ মহন্তই প্ৰকাশ কৰা গ্ৰন্থখন উন্মোচন কৰি শিক্ষাবিদ প্ৰভাত চন্দ্ৰ গোস্বামীয়ে কয় যে আধ্যাত্মিক চিন্তাই সমাজত সুস্থ পৰিৱেশ গঢ়ি তোলে। এগৰাকী নৱ প্ৰজন্মৰ প্ৰতিনিধি হিচাপে মহন্তৰ পদবন্ধে আধ্যাত্মিক চিন্তাই সকলোকে অনুপ্ৰাণিত কৰিব। প্ৰকাশক মণি মাধৱ মহন্তই কয় যে শ্বাৰন কুমাৰ মহন্তৰ সাংস্কৃতিক কৰ্মৰাজিয়ে আধ্যাত্মিক আৰু ভক্তি সাহিত্যৰ বৰপেৰাতো টনকিয়াল কৰিব। দিগন্ত মহন্তই আঁত ধৰা অনুষ্ঠানত কলিয়াবৰ শাখা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক নবীন বৰঠাকুৰ, কলিয়াবৰ জিলা সত্ৰ মহাসভাৰ সভাপতি হিৰু প্ৰসাদ মহন্ত, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাক্তন সাংস্কৃতিক সম্পাদক ফণী হাজৰিকা, ভৰালী নামঘৰ পৰিচালনা সমিতিৰ সভাপতি বিৰাজ ভূষণ বৰা অতিৰিক্ত উপায়ুক্ত তথা কলিয়াবৰৰ মহকুমাধিপতি বিতোপন নেওগ উপস্থিত থাকে।

# ওদালগুৰি চহৰত ধাৰাবাহিক চুৰি কাণ্ডত অতিষ্ঠ ব্যৱসায়ী

**বিশেষ সংবাদদাতা**

**ওদালগুৰি, ২১ আগষ্ট ঃ** তলাবন্ধ শিথিলতাৰ পাছত ওদালগুৰিত ক্ৰমাৎ ধাৰাবাহিকভাৱে সংঘটিত হ'বলৈ ধৰিছে চোৰৰ উপদ্ৰৱ। যাৰ ফলত একপ্ৰকাৰ অতিষ্ঠ হৈ পৰিছে নগৰখনৰ ব্যৱসায়ীসকল। তলাবন্ধৰ সময়ছোচোৰাৰ পৰাই নিশাৰ ভাগত ওদালগুৰি নগৰৰ দোকানসমূহত কে'বাটাও চুৰি কাণ্ড সংঘটিত হৈ আহিছে। যোৱা নিশা চহৰখনৰ মাজমজিয়াৰ বিশ্বজিৎ ফুকনৰ ইলেকট্ৰ'নিক দোকানতো চোৰে প্ৰৱেশ কৰি বহু সামগ্ৰী চুৰ কৰি লৈ যায়। ঘটনা সন্দৰ্ভত ফুকনে আজি স্থানীয় আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। উল্লেখ্য যে ইয়াৰ পূৰ্বে নগৰখনৰ হাটখোলাস্থিত ব্যৱসায়ীক প্ৰতিষ্ঠানতো কে'বাবাৰো চুৰিৰ ঘটনা সংঘটিত হৈ আহিছে। গুৰুত্বপূৰ্ণ বিষয় এয়ে যে প্ৰায়সংখ্যক চুৰিকাণ্ডৰ ঘটনাতে চোৰে দোকানৰ পিছফালেৰে টিনপাত খুলি অথবা অন্য উপায়ে দোকানৰ ভিতৰত প্ৰৱেশ কৰে।

**EXTENSION NOTICE**

Due to unavoidable circumstances, Issue of Tender paper and Receipt of Tenders against N.I.T No. 02 of 2020-21 is hereby extended as follows:

1) Issue of Tender papers against N.I.T No. 02 of 2020-21 = upto 03.09.2020
2) Receipt of Tender papers against N.I.T No. 02 of 2020-21 = upto 04.09.2020

All other terms and Conditions shall remain unchanged.

**Sd/-**
**Addl. Chief Engineer (PHE),**
**Lower Assam Zone,**
**Bamunimaidam, Ghy-21.**

Janasanyog/C/3483/20

**NOTICE INVITING TENDER**

*Tender No. 8002-08*

Sealed tenders affixing court fees worth of Rs 8.25 (Rupees Eight and paisa Twenty Five) only are hereby invited for supply of Stationery/Computer/Electrical & Miscelleneous item in the office of the Addl. Director General of Police, CID, Assam, Ulubari, Guwahati-7.

The tender Document is available on **www.assampolice.gov.in** and in the office of the undersigned during office hours upto 31/08/2020. The closing date of the Tender is upto 2 PM on 01/09/2020 and will be opened on the same day at 3 PM.

**Sd/-**
**Superintendent of Police, CID**
**Assam, Ulubari, Guwahati**

Janasanyog/C/3437/20

**MISSING PERSON**



**Sri Francis Soren**

The above is the photograph of one sri Francis Soren (22 yrs) C/0 Sri Baishakhi Hemron of Namrup Prajabosti, P.S. Namrup, Dist- Dibrugarh, Assam who has been missing since 09/08/2020 at 8.00 AM from his house.

This refers to Namrup PS MMR No. 09/2020.

**The Descriptive roll of the missing person:- Sri Francis Soren.**

| | | |
|---|---|---|
| (a) | Complexion | - Swarthy. |
| (b) | Height | - 5 Ft |
| (c) | Age | - 22 years |
| (d) | Health | - Medium |
| (e) | wearing | - Blue colour shirt and long pant |

All out efforts may be taken to trace out/recover the above noted missing/untraced person at the earliest and result thereof may be intimeted to S.P. Office, Dibrugarh, Over Telephone No. 0373-2324424 for further necessary action.

**Sd/-**
**Superintendent of Police,**
**Dibrugarh, Assam.**

Janasanyog/D/3052/20

**SHORT TENDER NOTICE**

Sealed quotation affixing court fees stamp of Rs.8.25 (Rupees eight and paise twenty five) only are hereby invited on behalf of the Govt. of Assam from the manufacturer/ authorized dealer /Sub-dealer/Agents for supply of Chemicals and reagents for use in Central Dairy ,Khanapara, under the office of the Superintendent, Town Milk Supply Scheme, Khanapara, Guwahati-22 to be procured under Annual Budget 2020-21, and will be received by the office of the undersigned upto 14.00 hours of 31/08/2020 and will be opened on the same date at 15.00 hours in presence of participating tenderers / or their authorized representative.

Prospective bidders may obtain the details of the items and the Bidding Documents from the Superintendent Town Milk Supply Scheme, Khanapara, Guwahati-22, during the office hours on all working days from 21/08/2020 to 31/08/2020 by paying Rs.100.00 in cash /draft in favour of Superintendent ,Town Milk Supply Scheme Khanapara, Guwahati-22.

**Sd/-**
**Superintendent,**
**Town Milk Supply Scheme**
**Khanapara, Guwahati- 22**

**SHORT TENDER NOTICE**

Sealed quotation affixing court fees stamp of Rs.8.25 (Rupees eight and paise twenty five) only are hereby invited on behalf of the Govt. of Assam from the manufacturer/ authorized dealer /Sub-dealer/Agents for supply printed dahi & yoghurt cups with logo for use in Central Dairy ,Khanapara, under the office of the Superintendent, Town Milk Supply Scheme, Khanapara, Guwahati-22 to be procured under Annual Budget 2020-21, and will be received by the office of the undersigned upto 14.00 hours of 31/08/2020 and will be opened on the same date at 15.00 hours in presence of participating tenderers / or their authorized representative.

Prospective bidders may obtain the details of the items and the Bidding Documents from the Superintendent Town Milk Supply Scheme, Khanapara, Guwahati-22, during the office hours on all working days from 24/08/2020 to 31/08/2020 by paying Rs.100.00 in cash /draft in favour of Superintendent ,Town Milk Supply Scheme Khanapara, Guwahati-22.

**Sd/**
**Superintendent, Town Milk Supply Scheme**
**Khanapara, Guwahati- 22**

**SHORT TENDER NOTICE**

Sealed quotation affixing court fees stamp of Rs.8.25 (Rupees eight and paise twenty five) only are hereby invited on behalf of the Govt. of Assam from the manufacturer/ authorized dealer /Sub-dealer/Agents for supply of polythene film for milk and milk products packaging for use in Central Dairy ,Khanapara, under the office of the Superintendent, Town Milk Supply Scheme, Khanapara, Guwahati-22 to be procured under Annual Budget 2020-21, and will be received by the office of the undersigned upto 14.00 hours of 31/08/2020 and will be opened on the same date at 15.00 hours in presence of participating tenderers / or their authorized representative.

Prospective bidders may obtain the details of the items and the Bidding Documents from the Superintendent Town Milk Supply Scheme, Khanapara, Guwahati-22, during the office hours on all working days from 24/08/2020 to 31/08/2020 by paying Rs.100.00 in cash /draft in favour of Superintendent ,Town Milk Supply Scheme Khanapara, Guwahati-22.

**Sd/**
**Superintendent, Town Milk Supply Scheme**
**Khanapara, Guwahati- 22**

Janasanyog/C/3478/20

## আজিৰ দিনটো



**কিৰো ইয়ং,** ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১

### ৫ ভাদ শনিবাৰ ২২ আগষ্ট

**সূৰ্যোদয় ঃ** ঘঃ ৫।৩।৪৪, **সূৰ্যাস্ত ঃ** ঘঃ ৫।৪৮।১৬। **তিথি ঃ** শুক্লা চতুৰ্থী, দং ৪৬।৩৮।৪৩ ৰাঘঃ ১১।৪৩।২। **নক্ষত্ৰ ঃ** হস্তা, দং ৪২।১৫।১৯ ৰাঘঃ ৯।৫৭।৪১। **যোগ ঃ** সাধ্য, দং ২৫।২৯।২০ ঘঃ ৩।১৫।২৮। **কৰণ ঃ** বনিজ। **জন্মত ঃ** কন্যাৰাশি, শূদ্ৰবৰ্ণ, মতান্তৰে বৈশ্যবৰ্ণ, দেৱগণ, মহিষৰ অস্থি, বায়ুযোগ, অষ্টোত্তৰী বুধ বিংশোত্তৰী চন্দ্ৰৰ দশা, ৰাঘঃ ৯।৫৭।৪১ যোৱাত দেৱাৰিগণ, বাঘৰ অস্থি, বিংশোত্তৰী মঙ্গলৰ দশা। **আদ্যঋতু হ'লে ঃ** ১৫ দিনীয়া বেশ্যা যোগ, মতান্তৰে তিনিমহীয়া পতিহীন যোগ। **মৰণত দোষ ঃ** এপদ। **যোগিনী ঃ** নৈঋকোনত, ৰাঘঃ ১১।৪৩।২ যোৱাত দক্ষিণত। **যাত্ৰা ঃ** শুভসিদ্ধিযোগ, পূৱত নাই, ৰাঘঃ ১১।৪৩।২ যোৱাত পাপযোগ দোষ। **শুভকৰ্ম ঃ** নাই। **ভক্ষাভক্ষ্য ঃ** মূলা, ৰাঘঃ ১১।৪৩।২ যোৱাত বেল খোৱা নিষেধ।

*দিনটোৰ ৰাশিফল*

**মেষ ঃ** দিনটোত বিশেষ সাৱধানেৰে চলা ভাল। বিদ্যাৰ্থীসকল অধ্যয়নৰ ক্ষেত্ৰত চেষ্টা অব্যাহত ৰাখক। ঘৰুৱা দিশত আপোনাৰ কৰণীয়া দায়িত্ব পালিত হ'ব। শুভ ৰং গেৰুৱা।

**বৃষ ঃ** বন্ধু-ব্যক্তিৰ পৰা আশানুৰূপ ফল দেখি কৃতজ্ঞ হ'ব। বাহ্যিক কৰ্মত মন দিব লগা হোৱাত মূল কৰ্মত কিছু অৱহেলিত হ'ব পাৰে। দাম্পত্যত মত বিৰোধ। শুভ ৰং সেউজীয়া।

**মিথুন ঃ** পুৱা ১০ বজাৰ পৰা কিছুমান নভবা ব্যস্ততাই আপোনাক জড়িত কৰি তুলিব বিদ্যাত মধ্যম। মাতা-পিতাৰ কাৰণে দিনটো শুভ। শুভ ৰং ৰঙা।

**কৰ্কট ঃ** পৰাপক্ষত স্পৰ্শকাতৰ কথা এবাৰ চলক। আৰ্থিক দিশত আয়ৰ মাত্ৰা বৃদ্ধি পাব। প্ৰেমত বাধা। বিয়া-বাৰুৰ যোগাযোগত শুভ। শুভ ৰং নীলা।

**সিংহ ঃ** ঘৰুৱাত কিছু ভালেই দেখা যায়। দুই এটা উপৰুৱা বিষয়ত অশান্তি আহিব পাৰে। কৰ্মক্ষেত্ৰত মানসিক অশান্তিৰ কাৰকত। প্ৰেমত আনন্দ।শুভ ৰং কমলা।

**কন্যা ঃ** কৰ্মক্ষেত্ৰত জটিলতা কিছু হ্ৰাস পাব। হাতলৈ অহা ধনৰ সদ্ব্যৱহাৰ কৰো বুলিও অলপ বাধাগ্ৰস্ত হ'ব। দাম্পত্যত মধ্যম। ৰাজনীতিবিদসকলে বিশেষ সতৰ্ক হওক। শুভ ৰং বগা।

**তুলা ঃ** প্ৰায়বোৰ কথাতে মন নিদিয়াই ভাল। মূল কথাৰ প্ৰতি সজাগ থকা ভাল। দিনৰ শেষ ভাগত কোনোৱে নতুন আশা দেখি উৎসাহিত হ'ব। শুভ ৰং গেৰুৱা।

**বৃশ্চিক ঃ** কৰ্মক্ষম সকলে অসুবিধাৰ মাজেৰে অগ্ৰগতি লভিব। মানসিক অৱস্থা মধ্যম। আশা কৰা কোনো যোগাযোগত উপকৃত হ'ব পাৰে। শুভ ৰং সেউজীয়া।

**ধনু ঃ** খৰচ-পাতি ৰোধ কৰাৰ যত্ন কৰক। প্ৰাপ্য ধন আদায়ৰ সুযোগ পাব। বিদ্যাত বেয়া নহ'ব প্ৰেমত বাধা। ব্যক্তিত্ব আৰু ধৈৰ্য ৰক্ষা কৰি চলক। শুভ ৰং হালধীয়া।

**মকৰ ঃ** ক্ৰমে দিনটো উন্নত অনুভৱ কৰিব। কৰ্মব্যস্ত ব্যক্তিৰ আয়ৰ মাত্ৰা বৃদ্ধি পাব। বিদ্যাৰ্থীৰ বাবে দিনটো শুভ। চুটি ভ্ৰমণ হ'ব পাৰে। প্ৰেম-প্ৰণয়ত উৎসাহ। শুভ ৰং ৰঙা।

**কুম্ভ ঃ** পুৱা ভাগতকৈ আবেলি ভাগত উন্নত ফল লাভ কৰিব। কৰ্মস্থানত ভালেই দেখা যায়। বিদ্যাত কিছু আশাপ্ৰদ। শৰীৰ মধ্যম। ভ্ৰমণ কৰিব পাৰে। শুভ ৰং গোলপীয়া।

**মীন ঃ** কৰ্মস্থানত নতুন আনন্দ লাভৰ আশা দেখিব। বেংক কৰ্মীসকলে নিজৰ দক্ষতা দেখুৱাব পাৰিব। হাতলৈ ধন অহাৰ যোগ আছে। প্ৰেম-প্ৰণয়ে সাময়িক বাধা। শুভ ৰং কমলা।

## শব্দ-বেহু ঃ ২২আগষ্ট ২০২০



@ সব্যসাচী

**পথালিয়ে ঃ**

১। যি প্ৰাণীয়ে মাটি আৰু পানী উভয়তে বিচৰণ কৰে (৪)
৫। অঞ্জনাতনয়, হনুমান, এখন সৰু বাহন (৩)
৬। তামোল-পাণ চোবাওঁতে মুখত জমা হোৱা ৰঙা ৰস (২)
৭। প্ৰয়োজনবোধ, ডাঙৰ মাতেৰে খং প্ৰকাশ (৩)
৮। অনাথ, মাক-দেউতাক নথকা (৩)
৯। পৰিমিত পৰিমাণৰহে আহাৰ গ্ৰহণ কৰা কাৰ্য্য (৫)
১০। খহটা বাকলিৰ এবিধ সুস্বাদু ফল (২)
১২। মৃতদেহ সমাধি দিবলৈ ব্যৱহাৰ কৰা বাকচ, শৰাধাৰ (৩)
১৫। স্পষ্টভাৱে ওলাই থকা, বিশেষভাৱে প্ৰকাশমান (৩)
১৬। মাটিত বহা গাড়ীৰ চকাৰ দীঘলীয়া সাঁচ (২)
১৮। পো-জী, নাতি-পুতি আদি (৫)
১৯। পৰৰ অধীন অৱস্থা, গোলামি (৩)
২০। চুলিত লগোৱা ৰং, সাপৰ মোট (৩)
২২। বান্দৰ, মৰ্কট (২)
২৩। গভীৰ জ্ঞান, সাৰ-জ্ঞান (৩)
২৪। লাভৰ উপায় বা উৎস, পোৱাৰ বাট (৪)

**থিয়কৈ ঃ**

১। নিজৰ চুলি যেন দেখাকৈ মূৰত লগোৱা বা পিন্ধা কৃত্ৰিম চুলিৰ সাজ (৩)
২। স্থানীয় তদন্ত (৫)
৩। অবিশ্বাস্য কাম-কাজ কৰিব পৰা কাল্পনিক মানৱ চৰিত্ৰ (৫ )
৪। ঘূৰণীয়া আকৃতিৰ বাহ, চক্ৰ (২)
৫। এবিধ উত্তম সুমিষ্ট কল, এজাতি জলপানৰ ধান (৪)
৬। অলিন্দ, ঘৰৰ বেৰৰ বাহিৰে থকা ভেটিৰ ওখভাগ (৩)
১১। ধোঁৱা খাবৰ নিমিত্তে শুকান ধঁপাতৰ গুড়ি ভৰাই কাগজেৰে সজা নুৰা (৩)
১২। তিৰোতাই কপালত থিয়কৈ লগাই পিন্ধা অলংকাৰ (৩)
১৩। আগৰ দিনত মানুহক দাস-দাসী হিচাপে কিনা-বেচা কৰা এটা কু-প্ৰথা (৫)
১৪। ওপঙি থকা, উজলি থকা (৪)
১৫। সমান ভৰসম্পন্ন কিন্তু বিপৰীত আধানযুক্ত মৌলিক কণিকা (৫)
১৭। কেতিয়াও,কোনো কালে (৩)
২১। শোওঁতে শয্যাৰ যি অংশত ভৰি পৰে, শিতানৰ বিপৰীত দিশ (৩)
২২। ব্ৰহ্মাৰ এদিন আৰু এৰাতি, কাল্পনিক (২)

**উত্তৰ অহা সংখ্যাত**

**২১ আগষ্ট ২০২০ সংখ্যাৰ উত্তৰ ঃ**

**পথালিয়ে ঃ** ১। তুলী ২। অভিধা ৪। তৰ্জমা ৬। জামু ৭। ৰিকাপি ১০। হাজী ১১। ৰাইডাং ১৩। অভিসাৰ ১৫। নাভি ১৬। নতুবা ২০। ইতি ২১। খৰম ২২। জহৰী ২৩। জেং

**থিয়কৈ ঃ** ১ । তুৰিমুৰি ২। অযোধ্যা ৩। ধাতৱ ৫। মাইহাং ৮। পিপাসা ৯। বীৰা ১২। ইন্ধন ১৩। অভিলেখ ১৪। ৰঙা ১৭। বাইলুং ১৮। যমজ ১৯। দাদুৰী

দৈনিক অগ্রদূত

গুৱাহাটী, ২২ আগষ্ট, ২০২০ শনিবাৰ পৃষ্ঠা তিনি

## বিপিএফৰো নেতা সদস্যৰ বিজেপিত যোগদান

## বিটিচিত পৰিষদ গঠনৰ দাবী বিজেপিৰ

**ষ্টাফ ৰিপৰ্টাৰ**

**গুৱাহাটী, ২১ আগষ্ট ঃ** বিটিচিৰ আগন্তুক পৰিষদীয় নিৰ্বাচনত বিজেপিয়ে পৰিষদ গঠন কৰিব বুলি আজি পুনৰ দলটোৱে দাবী কৰে। পৰিষদীয় অঞ্চলটোত অসম চৰকাৰৰ উন্নয়নমূলক কাম-কাজ প্ৰত্যক্ষ কৰি ৰাইজে দলটোক আদৰি লোৱা বুলিও দাবী কৰি সভাপতি ৰঞ্জিত কুমাৰ দাসে কয় যে এনে কাৰণতে বিটিচিৰ চাৰিখন জিলাত বিজেপিৰ সদস্য সংখ্যা দুই লাখৰ পৰা ৪.৮ লাখলৈ বৃদ্ধি হোৱা বুলি সভাপতিজনে আজি সদৰী কৰে। উল্লেখ্য যে বিটিএডি অঞ্চলৰ ছয় পৃষ্ঠাত চাওক

## গৰু চৰাবলৈ যাওতে ঘপিয়াই হত্যা



মৃতকৰ পৰিয়ালক শিলটোকাত উপযুক্ত ক্ষতিপূৰণৰ দাবী এবি এমছুৰ

**অগ্রদূত বার্তা**

**শ্ৰীৰামপুৰ, ২১ আগষ্ট ঃ** বিটিচি পৰিষদীয় নিৰ্বাচনৰ কুচকাৱাজ চলি থকাৰ সময়তে আজি কোকৰাঝাৰ জিলাৰ কাজিগাঁও থানাৰ অন্তৰ্গত পাহাৰীয়া অঞ্চল শিলটোকাত এজন লোকক দুৰ্বৃত্তই চোকা অস্ত্ৰৰে ঘপিয়াই নৃশংসভাৱে ছয় পৃষ্ঠাত চাওক

## তামাৰহাটত ব্যৱসায়ীক হত্যা কৰি পুতি থলে মাটিত

**অগ্রদূত বার্তা**

**শ্ৰীৰামপুৰ, ২১ আগষ্ট ঃ** ধুবুৰী-কোকৰাঝাৰ জিলাৰ সীমান্তৱৰ্তী ধুবুৰীৰ তামাৰহাট থানাৰ মেছপাৰা গাঁৱত আজি এজন লোকৰ মৃতদেহ উদ্ধাৰ হয়। মেচপাৰা গাঁৱৰ নিবাসী তথা ক্ষুদ্ৰ চাহ দোকানী আৰু মৰনৈ চাহ বাগিচাৰ স্থায়ী কৰ্মচাৰী প্ৰদীপ ৰায়ৰ মৃতদেহ বিয়লি উদ্ধাৰ হয়। যোৱা নিশাৰ পৰা সন্ধানহীন হৈ আছিল ৰায়। ৰায়ে কালি সন্ধিয়া ডিঙডিঙা বজাৰত থকা নিজৰ চাহ দোকান বন্ধ কৰি ঘৰলৈ গৈ থকাৰ সময়ত সন্ধানহীন হৈ পৰে। নিশা বজাৰৰ পৰা ঘৰ অভিমুখে আহি থকা সময়ত পূৰ্বৰ পৰা খাপ পিটি থকা দুৰ্বৃত্তই তেওঁক হত্যা কৰাৰ সন্দেহ কৰিছে ৰাইজে। দুৰ্বৃত্তই হত্যা কৰি মেছপাৰা-কালাঘাট নামৰ ঠাইত থকা এটা নলাত মাটি খান্দি মৃতদেহটো পুতি ৰাখে। নিশাৰ পৰা সন্ধানহীন হৈ থকাত পৰিয়ালৰ লোকে বিচাৰ-খোচাৰ কৰে যদিও সন্ধান পোৱা নাছিল। আজি গাঁৱৰ ৰাইজে মৰনৈ চাহ বাগিচাৰ অংশ কালাঘাটত সন্ধান আৰম্ভ কৰে। অভিযান ছয় পৃষ্ঠাত চাওক

### সোঁতৰ বিপৰীতে




## ৰহা মণিপুৰটোপত আৰক্ষীৰ পুৱতি নিশা অভিযান

# চোৰাং তেল টেংকাৰসহ ছখন গাড়ী জব্দ

**বিশেষ সংবাদদাতা**

**নগাঁও, ২১ আগষ্ট ঃ** নগাঁও জিলাৰ ৰহা আৰক্ষী থানাৰ অন্তৰ্গত মণিপুৰটোপত আজি পুৱতি নিশা ৰহা আৰু নগাঁও আৰক্ষীয়ে যুটীয়া অভিযান চলাই তেল ট্ৰেংকাৰসহ ছখন গাড়ী আৰু বৃহৎ পৰিমাণৰ ইন্ধন জব্দ কৰে। উল্লেখ্য যে মণিপুৰটোপত বহু বছৰৰ পৰা একাংশ লোকে চোৰাংভাৱে বিভিন্ন ব্যৱসায়ত জড়িত থকাৰ অভিযোগ উত্থাপন হৈ অহাৰ সময়তে আজি নিশা এক বিশেষ সূত্ৰৰ পম খেদি নগাঁও জিলা অতিৰিক্ত আৰক্ষী অধীক্ষক মোহনলাল মিনাৰ নেতৃত্বত যোৱা ৰহা আৰু

### ৩৪টা তেলৰ ড্ৰামসহ ৬৮০০ লিটাৰ তেল জব্দ

নগাঁও আৰক্ষীয়ে অভিযান চলায়। অভিযানকালত অঞ্চলটোৰ শিঙিমাৰীত এন এল-০১ এ এ-৩৪৫৪ নম্বৰৰ এখন তেলৰ ট্ৰেংকাৰৰ পৰা পাইপেৰে চোৰাংভাৱে ড্ৰামত তেল ভৰাই থকা অৱস্থাত জব্দ কৰে। ইয়াৰ লগতে আৰক্ষীৰ দলটোৱে চোৰাং ইন্ধন ভৰ্তি ড্ৰাম সৰবৰাহ কৰা দুখন বলেৰ' পিকআপ ভান, এখন টাটা ডি আই, এখন মেজিক ভান আৰু এখন ৱেগনআৰ জব্দ কৰে। জব্দকৃত গাড়ীকেইখনৰ নম্বৰ ক্ৰমে এ এছ-০২ চি চি-১৯৯৬, এ এছ-০২ বি চি-০২৩১, এ এছ ই জে-৩৭১৮, এ এছ-০২ চি চি-৪২৪৪ আৰু এ এছ-২১ জি-৬২১৫। আৰক্ষীয়ে লগতে ৩৪ টা ইন্ধন ভৰ্তি ড্ৰাম জব্দ কৰে। এই ড্ৰামসমূহত ৬৮০০ লিটাৰ ইন্ধন আছে।



*তেজপুৰৰ পদুমপুখুৰী পাৰত বাসগৃহত সোমাল হৰিণা, শুকুৰবাৰে।*

## মানকাচৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াসহ আক্ৰান্ত চাৰি

**মানকাচৰ, ২১ আগষ্ট ঃ** দক্ষিণ শালমাৰা-মানকাচৰ জিলাৰ মানকাচৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়াকে ধৰি চাৰিগৰাকীৰ আৰক্ষীৰ দেহত ক'ভিড-১৯ পজিটিভ ধৰা পৰিছে। মানকাচৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া বিনোদ কুমাৰ দাসে দুদিন ধৰি জ্বৰত ভুগি আছিল। আজি মানকাচৰ জে এম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অস্থায়ী এণ্টিজেন ৰেপিড টেষ্ট কেন্দ্ৰত ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া দাস, উপ-পৰিদৰ্শক ক্ষীতিশ ৰায়, কনিষ্টবল ছানীউল আহমেদ আৰু শ্বৰিফ হাজৰিকাই পৰীক্ষা কৰে। পৰীক্ষাত ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াজনৰ লগতে উপ-পৰিদৰ্শক ৰায়, কনিষ্টবল আহমেদ আৰু হাজৰিকাৰ গাত ক'ভিড-১৯ পজিটিভ ধৰা পৰে। পাছত কনিষ্টবল আহমেদ আৰু হাজৰিকাক হাটশিঙিমাৰীৰ অসামৰিক চিকিৎসালয়ৰ আইছ'লেছন কেন্দ্ৰলৈ প্ৰেৰণ কৰে যদিও আৰক্ষী বিষয়া দাস আৰু উপ-পৰিদৰ্শক ৰায়ক আৰক্ষী থানাতে হোম কোৱাৰেণ্টাইনত ৰাখে।

## ছেপ্টেম্বৰত অসমত মঞ্চস্থ হ'ব এখন নতুন নাটক ঃ ডেকা

**অগ্রদূত বার্তা**

**পাঠশালা, ২১ আগষ্ট ঃ** 'অসমত ছেপ্টেম্বৰত দেখা পোৱা যাব এখন নতুন ৰাজনৈতিক নাটক। ইতিমধ্যে চিত্ৰনাট্য তৈয়াৰ হৈ সাজু কৰা হৈছে অভিনেতা। এতিয়াৰ নাটকতকৈ ৰাইজে বিচৰা ব্যতিক্ৰমী নাটক মঞ্চস্থ হ'ব।' যি সময়ত অসমৰ ৰাজনীতিত বিশেষকৈ অগপৰ কাৰ্যকলাপক কেন্দ্ৰ কৰি ব্যাপক চৰ্চা অব্যাহত আছে। তেনে ক্ষণত আজি বজালীত পুনৰ সাংবাদিকৰ আগত এনেদৰে বিস্ফোৰক মন্তব্য প্ৰকাশ কৰে অগপ বিধায়ক পবিন্দ্ৰ ডেকাই। স্বাভাৱিকতে কেইদিনমান পূৰ্বে পাঠশালাত সংবাদ মাধ্যমৰ জৰিয়তে বিধায়ক ডেকাই পাটাছাৰকুছি সমষ্টিটো বিজেপিৰ দখলত যাব বুলি কৰা মন্তব্য আৰু অগপৰ সভাপতি অতুল বৰাক মিৰজাফৰৰ লগত তুলনা কৰাৰ পাছতে অগপৰ ভিতৰ চ'ৰাত তীব্ৰ ৰাজনৈতিক জোঁকাৰণিৰ সৃষ্টি হৈছিল। তেনে পৰিৱেশত সভাপতি অতুল বৰাৰ কৌশলী মন্তব্য আৰু অগপ নেতা কমলা কলিতাৰ পবিন্দ্ৰ ডেকাক শব্দ বাণেৰে আক্ৰমণ আৰু শেহতীয়াকৈ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই অগপৰ দখলত থকা কোনো এটা সমষ্টি বিজেপিক এৰি দিয়া নহ'ব বুলি কোৱাৰ পাছতে অগপৰ ভিতৰ- চ'ৰাত উত্তপ্ত পৰিৱেশ পৰিলক্ষিত হৈছে। তেনে পৰিৱেশৰ মাজতে প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ কালি মন্ত্ৰী ফণীভূষণ চৌধুৰীৰ স'তে আন্তৰিক বাৰ্তালাপ আৰু আজি অতুল বৰা-কেশৱ মহন্তৰ সাক্ষাতৰ পৰ্বৰ পাছতে এটা নতুন ৰাজনৈতিক সমীকৰণ স্পষ্ট হৈ পৰিছে। এনেক্ষণতে বিধায়ক ডেকাই আজি হাঁহি হাঁহি অধিক আত্মবিশ্বাসেৰে যি মত ছয় পৃষ্ঠাত চাওক

## নিশা দুৰ্বৃত্তই ক্ষতিগ্ৰস্ত কৰিলে ইউপিপিএল নেতাৰ বাহন

**অগ্রদূত বার্তা**

**কোকৰাঝাৰ, ২১ আগষ্ট ঃ** মহামাৰী কৰ'না ভাইৰাছৰ ভয়াবহ পৰিস্থিতিৰ বাবে স্থগিত হৈ আছে বিটিচিৰ নিৰ্বাচন। তথাপি এনে বহি থকা নাই কোনো ৰাজনৈতিক দল। নিজ নিজ প্ৰাৰ্থীক জয় কৰাৰ বাবে অব্যাহত ৰাখিছে নিৰ্বাচন প্ৰচাৰ অভিযান। সমান্তৰালকৈ সংঘটিত হৈ আহিছে নিৰ্বাচনকেন্দ্ৰিয়ক হিংসাত্মক ঘটনা। যোৱা নিশা দুৰ্বৃত্তই কোকৰাঝাৰত শিলেৰে ক্ষতিসাধন কৰি থয় ইউপিপিএল নেতাৰ বাহন। কোকৰাঝাৰ আমগুৰি দোলঝৰা গাঁৱত নিশা সংঘটিত হয় এই ঘটনা। ঘটনাৰ সংক্ৰান্তত ক্ষতিগ্ৰস্ত বাহন মালিক তথা ইউপিপিএলৰ নেতা অশোক গয়াৰীয়ে বালাজান তিনালি উপ-আৰক্ষী চকীত এজাহাৰ দাখিল কৰিছে।

## ■ জুৰীয়া উন্নয়ন খণ্ডত চৰ অঞ্চলৰ নামত অবাধ দুৰ্নীতি

# ভুৱা চৰৰ ভুৱা হিতাধিকাৰীক সামগ্ৰী বিতৰণত লুণ্ঠন

**বিশেষ সংবাদদাতা**

**নগাঁও, ২১ আগষ্ট ঃ** অঞ্চলৰ উন্নয়নৰ নামত নগাঁও জিলাৰ বিভিন্ন উন্নয়ন খণ্ডত অবাধ দুৰ্নীতি সংঘটিত হৈ থকা পৰিলক্ষিত হৈছে। চৰৰ সহজ-সৰল দৰিদ্ৰ আৰু নিৰক্ষৰ লোকসকলৰ অজ্ঞতাৰ সুযোগ গ্ৰহণ কৰি একাংশ ভুৱা চৰৰ ভুৱা হিতাধিকাৰীক চৰ উন্নয়নৰ সামগ্ৰী বিতৰণ কৰা দেখুৱাই বছৰ বছৰ ধৰি এই দুৰ্নীতি সংঘটিত কৰি আহিছে। যাৰ ফলত প্ৰকৃত চৰৰ দৰিদ্ৰ হিতাধিকাৰীসকলে চৰ উন্নয়নৰ আঁচনিৰ সুবিধা লাভৰ পৰা বঞ্চিত হৈ থাকিবলগীয়া হৈছে। এই দুৰ্নীতিত চৰ অঞ্চল উন্নয়নৰ একাংশ ছুপাৰভাইজাৰ আৰু একাংশ ৰাজনৈতিক নেতা-পালিনেতা প্ৰত্যক্ষভাৱে জড়িত থকাৰ গুৰুতৰ অভিযোগ উঠিছে। জিলাখনৰ আন উন্নয়ন খণ্ডৰ লগতে জুৰীয়া উন্নয়ন খণ্ডতো উন্নয়ন খণ্ডটোৰ অন্তৰ্গত একাংশ চৰৰ দৰিদ্ৰ লোকক চৰ উন্নয়ন বিভাগৰ আঁচনিৰ অধীনত কেতবোৰ সামগ্ৰী বিতৰণৰ নামত ব্যাপক দুৰ্নীতি-অনিয়ম সংঘটিত হোৱাৰ তথ্য পোহৰলৈ আহিছে। ৰাইজৰ অজ্ঞতাৰ সুযোগ গ্ৰহণ কৰি চৰ উন্নয়ন বিভাগৰ একাংশ কৰ্মচাৰী, একাংশ ৰাজনৈতিক নেতা-পালিনেতাই কেতবোৰ ভুৱা চৰৰ ভুৱা হিতাধিকাৰীৰ নামত কেতবোৰ সামগ্ৰী বিতৰণ কৰা দেখুৱাই লাখ লাখ টকাৰ লুণ্ঠন চলাইছে উন্নয়ন খণ্ডটোত। স্মৰ্তব্য যে বিগত ২০১৭-১৮, ২০১৮-১৯ আৰু ২০১৯-২০ বিত্তীয় বৰ্ষ কেইটাত জুৰীয়া উন্নয়ন খণ্ডৰ অধীস্থ জেঙণী, সুঁতিৰপাৰ, বৰালীমাৰী আৰু জৰামাৰী গাঁও পঞ্চায়তৰ অন্তৰ্গত মুঠ ১২টা চৰৰ হিতাধিকাৰীক চৰ উন্নয়নৰ আঁচনিৰ অধীনত বিভিন্ন সামগ্ৰী বিতৰণৰ নামত এই বিয়াগোম কেলেংকাৰি সংঘটিত হৈছিল। তথ্য অনুসৰি, জুৰীয়া উন্নয়ন খণ্ডই বিগত ২০১৭-১৮ত চৰ উন্নয়ন আঁচনিৰ অধীনত চৰৰ হিতাধিকাৰীক গাইপতি ৩৩,৭১৪টকা মূল্যৰ ২৭টা তাৰা হেণ্ড পাম্প, ১,০৬,৯৮৯টকা ছয় পৃষ্ঠাত চাওক

## তিনিচুকীয়াৰ দুচকীয়া বাহনৰ ডিলাৰত বিক্ৰীত জালিয়াতি

তদন্ত কৰি দোষীক শাস্তি প্ৰদানৰ দাবীত উপায়ুক্তক আছুৰ স্মাৰকপত্ৰ প্ৰদান

**তিনিচুকীয়া, ২১ আগষ্ট ঃ** উচ্চতম ন্যায়ালয়ৰ পহিলা নিৰ্দেশনা অনুসৰি চলিত বৰ্ষৰ এক এপ্ৰিলৰ পৰা বি এছ-৪ যুক্ত ইঞ্জিনচালিত মটৰ চাইকেল আৰু স্কুটীৰ বিক্ৰীৰ নিষেধাজ্ঞা জাৰি কৰিছিল আৰু এই নিষেধাজ্ঞা সম্পূৰ্ণ নস্যাৎ কৰাৰ অভিযোগ উঠিছিল তিনিচুকীয়াত। ঠিক তেনে সময়তে আজি উক্ত বিষয় সন্দৰ্ভত তিনিচুকীয়া আঞ্চলিক ছাত্ৰ সন্থাই জিলা উপায়ুক্তক এখন স্মাৰকপত্ৰ প্ৰদান কৰে। আঞ্চলিক ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি চেলু হুছেইন আৰু সাধাৰণ সম্পাদক সত্যজিৎ বৰগোহাঁইৰ স্বাক্ষৰিত স্মাৰকপত্ৰ অনুসৰি তিনিচুকীয়া সাক্ষি হিৰ', চায় হিৰ', প্ৰিঞ্চৰ লগতে ছয় পৃষ্ঠাত চাওক

## তামুলপুৰত ডাম্পাৰৰ খুন্দাত নিহত যুৱক

ৰাজপথতে জ্বলি ছাই হ'ল ডাম্পাৰ-মটৰ চাইকেল



**অগ্রদূত বার্তা**

**তামুলপুৰ, ২১ আগষ্ট ঃ** তামুলপুৰ আৰক্ষী চকীৰ অন্তৰ্গত বৰখোপাত ভাৰতীয় সেনা ছাউনীৰ সন্মুখত যোৱা নিশা ন বজাত সংঘটিত এক পথ দুৰ্ঘটনাত এজন যুৱক নিহত হোৱাৰ লগতে এখন ডাম্পাৰ আৰু এখন মটৰ চাইকেল সম্পূৰ্ণৰূপে জ্বলি ছাই হয়। নিহত যুৱকজন তামুলপুৰ মহকুমাৰ সদৰৰ চাৰাংবাৰী গাঁৱৰ কুমাৰ ৰাজবংশীৰ পুত্ৰ নয়নজ্যোতি ৰাজবংশী (২০)। দুৰ্ঘটনাটো সম্পৰ্কত তামুলপুৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া অসীম বৰাই প্ৰকাশ কৰা মতে, নিশা ন মান বজাত কুমাৰীকাটাৰ পৰা ৰঙিয়া-ভূটান পথেৰে ৰঙিয়া অভিমুখী এ এছ-২৫ চি চি-৬৩৮৩ নম্বৰত ডাম্পাৰ আৰু বিপৰীত দিশৰ পৰা আহি থকা মটৰ চাইকেল এ এছ-১৪ কে-২৫৯৩ ছয় পৃষ্ঠাত চাওক

## দুৰ্ঘটনাত আহত সাংবাদিক অৰ্ণৱজ্যোতি ডেকাৰ অকাল বিয়োগ



**অগ্রদূত বার্তা**

**সৰ্থেবাৰী, ২১ আগষ্ট ঃ** সৰ্থেবাৰীৰ উদীয়মান সাংবাদিক অৰ্ণৱজ্যোতি ডেকা (২১)ৰ আজি অকাল মৃত্যু হয়। যোৱা ১৬ আগষ্টত বাতৰি সংগ্ৰহ কৰি বৰপেটাৰ দিশৰ পৰা সৰ্থেবাৰীৰ ঘৰ অভিমুখে গৈ থকা অৱস্থাত কামাৰপাৰাত এক দুৰ্ঘটনাত পতিত হৈছিল ৰেব পৰ্টেলৰ সাংবাদিকজন। ততালিকে সাংবাদিকজনক নলবাৰীৰ সাৰথি নাৰ্ছিংহোমত ভৰ্তি কৰোৱা হৈছিল যদিও শাৰীৰিক অৱস্থাৰ অৱনতি ঘটাত গুৱাহাটী জি এন আৰ চি হাস্পতালত ভৰ্তি কৰোৱা হয়। বিগত চাৰিটা দিন জি এন আৰ চি হাস্পতালৰ আই চি ইউত জীৱন-মৃত্যুৰ স'তে যুঁজি থাকি যোৱা নিশা সাংবাদিকজনে শেষ নিশ্বাস ত্যাগ কৰে। সৰ্থেবাৰীৰ জমথেৰ চুপাৰ তিলক ডেকা আৰু হিৰণময়ী ডেকাৰ একমাত্ৰ সন্তান তথা মেধাৱী ছাত্ৰ অৰ্ণৱে কেৱল সাংবাদিকতাতে সীমাবদ্ধ নাথাকি অঞ্চলটোৰ বহু সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত থাকি আৰ্তজনৰ কাষত থিয় দিছিল। অৰ্ণৱৰ অকাল মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে। মৃতদেহ সৰ্থেবাৰীত আহি পোৱাত সৰ্থেবাৰী নতুন বজাৰত বিভিন্ন দল-সংগঠনে তেওঁলৈ শ্ৰদ্ধা নিবেদন কৰে।

## ডিব্ৰুগড়ত হেৰ'ইনসহ গ্ৰেপ্তাৰ এক

**অগ্রদূত বার্তা**

**ডিব্ৰুগড়, ২১ আগষ্ট ঃ** ডিব্ৰুগড় চহৰত ৩০ লক্ষাধিক টকাৰ হেৰ'ইনসহ আজি এজন আৰক্ষীৰ জালত পৰে। অভিযুক্তজনৰ নিজ গৃহৰ ভিতৰতে উদ্ধাৰ হয় হেৰইনখিনি। ডিব্ৰুগড় আৰক্ষীয়ে চহৰৰ লোহাৰপট্টিৰ পথাৰ লাইনত অভিযান চলাই এই হেৰ'ইনখিনি জব্দ কৰে। তিনিশ গ্ৰাম হেৰ'ইন জব্দ কৰাৰ লগতে ব্যৱসায়ত জড়িত মহম্মদ ইউনুছ খানক গ্ৰেপ্তাৰ কৰে। ধৃত খানক নাজিৰ আলী নামৰ এজন লোকে ১০ হেজাৰ টকা কমিছন দিব বুলি ৰাখি থ'বলৈ দিয়া বুলিহে মন্তব্য কৰিছে।

### শিৱসাগৰত সৰৱ কৃষক মুক্তিৰ নেতা কোঁৱৰ

## অসমত এতিয়া কেৱল ৰাজনৈতিক দল গঠনৰ প্ৰতিযোগিতা চলিছে

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২১ আগষ্ট ঃ** কিছুদিনৰ পূৰ্বে কাৰাগাৰৰ পৰা মুক্তি লাভ কৰা কৃষক মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় নেতা ধৈৰ্য কোঁৱৰ আজি উপস্থিত হয় উজনি অসম মুছলিম কল্যাণ পৰিষদৰ শিৱসাগৰস্থ মুখ্য কাৰ্যালয়ত। কৃষক নেতাজনে কল্যাণ পৰিষদৰ তৰফৰ পৰা আদৰণি জনোৱাৰ পাছত উজনি অসম মুছলিম কল্যাণ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি মণিৰুল ইছলাম বড়াই কৃষক-শ্ৰমিক মেহনতি জনতাৰ স্বাৰ্থত ৰাজ্যজুৰি অবিৰতভাৱে সংগ্ৰাম অব্যাহত ৰখা নেতা অখিল




গগৈক বিনাচৰ্তে মুক্তি দিবলৈ ৰাজ্য চৰকাৰক আহ্বান জনায়। কল্যাণ পৰিষদৰ কাৰ্যালয়ত অনুষ্ঠিত এখন সংবাদমেলত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় যুটীয়া সম্পাদক ধৈৰ্য কোঁৱৰে কয় যে -'কা' অসমীয়া জাতিক বলিশালত তুলি দিয়া এখন বলিকটা দা'। কভিড পৰিস্থিতিৰ বাবেই কিছুদিন 'কা' আন্দোলন স্থবিৰ হৈ পৰিছে। চৰকাৰে কৰ'নাক এক ৰাজনৈতিক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰাৰ কথা অসমীয়া ৰাইজে মৰ্মে মৰ্মে উপলব্ধি কৰিছে। এই আন্দোলন কেতিয়াও স্তব্ধ নহয়। 'কা' বাতিল নোহোৱা পৰ্যন্ত আমাৰ ছয় পৃষ্ঠাত চাওক

## কল খেতিৰ জৰিয়তে ৰাষ্ট্ৰীয় সন্মান বুটলিলে যুৱ কৃষক পল্লৱ গগৈয়ে



**খুমটাই, ২১ আগষ্ট ঃ** কৃষি কাৰ্যৰ জৰিয়তে ৰাষ্ট্ৰীয় সন্মান বুটলিবলৈ সক্ষম হৈছে গোলাঘাট জিলাৰ খুমটাইৰ সমীপৰ বুঢ়ালিকছন গাঁৱৰ পল্লৱ গগৈ নামৰ এজন যুৱ কৃষকে। উল্লেখ্য যে বুঢ়ালিকছন গাঁৱৰ যুৱ কৃষক পল্লৱে নিজৰ ২০ বিঘা কৃষি ভূমিত চাহ বাগিচা খুলি তাৰ মাজে মাজে ১০ হেজাৰ জোপা উন্নত প্ৰজাতিৰ কল, ১০ হেজাৰ জোপা সাঁচি, দুহেজাৰ জোপা তামোল গছ, নাৰিকল, জালুক খেতিৰ লগতে মৎস্য আৰু উন্নত প্ৰজাতিৰ গাহৰি পালনেৰে বছৰি ৩০ লক্ষাধিক টকা উপাৰ্জন কৰিবলৈ সক্ষম হৈছে। এনে ধৰণৰ আদৰ্শগত কৃষিকৰ্মৰ বাবেই যুৱ কৃষকজনে তামিলনাডুৰ ৰাষ্ট্ৰীয় কল অনুসন্ধান কেন্দ্ৰৰ পৰা ২০২০ৰ শ্ৰেষ্ঠ কল খেতিয়ক সন্মান লাভ কৰি ৰাজ্যখনলৈ সুনাম কঢ়িয়াই আনিছে। চলিত বৰ্ষৰ জানুৱাৰীত তামিলনাডুৰ ৰাষ্ট্ৰীয় কল অনুসন্ধান কেন্দ্ৰৰ তৰফৰ পৰা সমগ্ৰ ভাৰতবৰ্ষত অনুসন্ধান কৰি অসমৰ পল্লৱ গগৈক শ্ৰেষ্ঠ কল খেতিয়ক ২০২০ হিচাপে নিৰ্বাচিত কৰে তামিলনাডুৰ সংস্থাটোৱে। কৃষিৰ যোগেদি সমগ্ৰ অসমলৈ সুনাম কঢ়িয়াই আনিবলৈ ছয় পৃষ্ঠাত চাওক

## মৰিগাঁৱত বৃহৎ ছাইবাৰ অপৰাধী চক্ৰ গ্ৰেপ্তাৰ

**অগ্রদূত বার্তা**

**ভূৰাগাঁও, ২১ আগষ্ট ঃ** মৰিগাঁও জিলাৰ মৈৰাবাৰী আৰক্ষীৰ জালত পৰা পাঁচজন অভিযুক্তক মৰিগাঁও আৰক্ষী অধীক্ষক নন্দ সিং বৰকলাক চাৰি লাখ টকা উৎকোচ দি জাল ফালি মোকলাই আনিবলৈ গৈ নিজেই জালত পৰিল উৎকোচ দিবলৈ যোৱা আন পাঁচজন আত্মীয়। গ্ৰেপ্তাৰ হোৱা লোককেইজন হ'ল মুস্তাক আহমেদ (৩০), ফকৰুল ইছলাম (৩৯), ইমাম হুছেইন (৩৪), নজৰুল ইছলাম ৱ৩৯) আৰু মুদাহিদুল ইছলাম (৩০)। লোককেইজনে মৈৰাবাৰী আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা লাহৰীঘাট থানা অঞ্চলৰ চাইবাৰ অপৰাধী চক্ৰৰ পাঁচ অভিযুক্ত ক্ৰমে ভূঞাবাৰী পামৰ ছাহিদুল ইছলাম (২৪), ভূঞাবাৰী পথাৰৰ ইজামুল ইছলাম (২৪), তিনিচুকীয়া মহমৰাৰ জিয়াউৰ ৰহমান (২২), বৰবড়ীৰ ৰিয়াবুৰ ইছলাম (১৯) আৰু ছুহিল আহমেদক মোকলাই দিয়াৰ বিনিময়ত চাৰি লাখ টকা উৎকোচ দিবলৈ গৈছিল আৰক্ষী অধীক্ষকজনক। ইফালে, উক্ত অপৰাধী চক্ৰটোৰ পম খেদি আজি মৈৰাবাৰী আৰক্ষীয়ে মৈৰাবাৰী থানা আৱাসৰ বহলামুখৰ ৰফিকুল ইছলাম (৩২), ঘুনাইবড়ীৰ মকিব উদ্দিন আহমেদ (২৩), তাঁতিকটাৰ আতাবুৰ ৰহমানকে ধৰি তিনিজনক গ্ৰেপ্তাৰ কৰে। এই ঘটনা সন্দৰ্ভত ছয় পৃষ্ঠাত চাওক

## কোকৰাঝাৰৰ দবৰাগাঁৱত প্ৰেমিকাৰ মৃতদেহ উদ্ধাৰ

**অগ্রদূত বার্তা**

**কোকৰাঝাৰ, ২১ আগষ্ট ঃ** কোকৰাঝাৰ জিলাৰ বালাজান উপ-আৰক্ষী চকীৰ অন্তৰ্গত পূব দবৰাগাঁৱত আজি পুৱা এগৰাকী কিশোৰীৰ মৃতদেহ এটা নলাৰ পৰা উদ্ধাৰ হোৱা ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। কিশোৰীগৰাকী ৰুণীখাতাৰ সুনিতা মুৰ্মু বুলি চিনাক্ত কৰা হৈছে। তথ্য অনুসৰি চিৰাং জিলাৰ ৰুণীখাতাৰ নৱম শ্ৰেণীৰ ছাত্ৰী সুনিতাৰ স'তে কোকৰাঝাৰ জিলাৰ পূব দবৰাগাঁৱৰ নেৰশ্বন কুমাৰ টুডুৰ স'তে দীৰ্ঘদিনীয়া প্ৰেমৰ সম্পৰ্ক আছিল। প্ৰেমৰ পৰিণতিত শাৰীৰিক সম্পৰ্ক স্থাপন হোৱাৰ পাছত সুনিতা গৰ্ভৱতী হৈছিল। গৰ্ভৱতী সুনিতাক পাছত পৰিয়ালৰ লোকে প্ৰেমিক নেৰশ্বনৰ ঘৰত থৈ যায়। যোৱা ১৯ জুলাইতে পৰিয়ালৰ লোকে সুনিতাক প্ৰেমিক নেৰশ্বনৰ ঘৰত থৈ যোৱাৰ পাছৰে পৰা তাতে থাকিবলৈ লয়। অৱশ্যে সুনিতাৰ বয়স কম হোৱা বাবে গাঁওবাসীয়ে বিবাহত আপত্তি জনায়। ফলত বিয়া নোহোৱাকৈ বিগত এমাহ ধৰি তেওঁলোকে একেলগে থাকে। ইয়াৰ মাজতে সুনিতাৰ গৰ্ভপাত কৰে আলোচনা মৰ্মে। ইয়াৰ পাছতে প্ৰেমিক-প্ৰেমিকাৰ মাজত পাৰিবাৰিক কন্দল আৰম্ভ হয়। তাৰ মাজতে যোৱা ১৮ আগষ্টত সুনিতা সন্ধানহীন হয়। আজি পুৱা গাঁৱৰে নলা এটাত ছয় পৃষ্ঠাত চাওক

দৈনিক
অগ্ৰদূত

গুৱাহাটী শনিবাৰ ৫ ভাদ ১৪২৭ ভাস্কৰাব্দ ২২ আগষ্ট ২০২০



## স্বচ্ছ সৰ্বেক্ষণ

**স্বচ্ছ** সৰ্বেক্ষণ ২০২০ৰ ফলাফলত মধ্য প্ৰদেশৰ ইন্দোৰে দেশৰ সবাতোকৈ পৰিষ্কাৰ-পৰিচ্ছন্ন চহৰৰ আৰু চত্তিছগড়ে সবাতোকৈ পৰিষ্কাৰ ৰাজ্যৰ স্বীকৃতি লাভ কৰিলে। ইন্দোৰে একেৰাহে তৃতীয়বাৰ আৰু চত্তিছগড়ে একেৰাহে দ্বিতীয়বাৰলৈ এই সন্মান অৰ্জন কৰিবলৈ সক্ষম হ'ল। কেন্দ্ৰীয় আবাসন আৰু নগৰোন্নয়ন বিভাগৰ দ্বাৰা আয়োজিত ভাৰ্চুৱেল স্বচ্ছ মহোৎসৱত স্বচ্ছতাৰ ক্ষেত্ৰত উল্লেখনীয় অৱদান আগবঢ়োৱা দেশৰ ১২৯খন চহৰ আৰু ৰাজ্যক কেন্দ্ৰীয় চৰকাৰে পুৰস্কৃত কৰিলে। স্বচ্ছতা তথা পৰিচ্ছন্নতাৰ ক্ষেত্ৰত সৰ্বাধিক পুৰস্কাৰ লাভ কৰিলে চত্তিছগড় আৰু মহাৰাষ্ট্ৰৰ বিভিন্ন চহৰে। দেশৰ সবাতোকৈ পৰিষ্কাৰ চহৰৰ তালিকাত গুজৰাটৰ ছুৰাটে দ্বিতীয় আৰু মহাৰাষ্ট্ৰৰ নৱি মুম্বাইয়ে তৃতীয় স্থান লাভ কৰিছে। স্বচ্ছ সৰ্বেক্ষণত উত্তৰ-পূব শ্ৰেণীত ৫০ হেজাৰৰ পৰা এক লাখ জনসংখ্যা থকা সবাতোকৈ পৰিষ্কাৰ চহৰৰ পুৰস্কাৰ লাভ কৰিলে যোৰহাটে। অসমে এশৰ কম চহৰ থকা ৰাজ্যৰ ক্ষেত্ৰত স্বচ্ছতাত সবাতোকৈ দ্ৰুতগতিত উন্নতি ঘটোৱা ৰাজ্যৰ সন্মানো লাভ কৰিছে। যোৱাবাৰৰ সমীক্ষাৰ তুলনাত অসমে এইবাৰ তালিকাত ২৫ টা স্থানৰ অগ্ৰগতি লাভ কৰে। একেদৰে ৫০ হেজাৰৰ পৰা এক লাখ জনবসতিপূৰ্ণ নগৰৰ শাখাত উত্তৰ-পূবৰ আন ১৩খন নগৰৰ ভিতৰত তেজপুৰে দ্বিতীয় শ্ৰেষ্ঠ স্বচ্ছ নগৰৰ স্বীকৃতি লাভ কৰিছে। স্বচ্ছ সৰ্বেক্ষণ হৈছে দেশৰ সামগ্ৰিক স্বচ্ছতাক লৈ চলোৱা এক সমীক্ষা আৰু এই সমীক্ষাৰ জৰিয়তে স্বচ্ছতা, বৰ্জনীয় পদাৰ্থৰ যোগ্য ব্যৱহাৰ আৰু সামগ্ৰিক পৰিচ্ছন্নতাৰ ভিত্তিত দেশৰ ৰাজ্য, মহানগৰ আৰু নগৰসমূহক প্ৰতি বছৰে 'ৰেংক' প্ৰদানৰে স্বীকৃতি দিয়া হয়। এইবাৰ দেশৰ ৪,২৪২ খন নগৰ-মহানগৰ, ৬২ খন কণ্টেইনমেণ্ট ব'ৰ্ড আৰু ৯২ খন গংগাৰ পাৰত অৱস্থিত চহৰক সামৰি এই সমীক্ষা চলোৱা হৈছিল।

স্বচ্ছ সৰ্বেক্ষণত পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ ক্ষেত্ৰত অসমৰ দ্ৰুত উন্নতি হোৱা বুলি কোৱা হৈছে। যোৰহাট আৰু তেজপুৰে স্বচ্ছতাৰ ক্ষেত্ৰত বিশেষ সন্মানো লাভ কৰিবলৈ সক্ষম হ'ল। পৰিচ্ছন্নতাৰ দিশত অসমে অগ্ৰগতি লাভ কৰাটো আনন্দৰ বতৰা; কিন্তু অসমৰ পৰিচ্ছন্নতাৰ এনে জয়যাত্ৰাৰ বিপৰীতে আমি গুৱাহাটীত এতিয়া কি দেখা পাইছো? উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ মহানগৰ হিচাপে পৰিচিত গুৱাহাটী মাজতে কিছু পৰিচ্ছন্ন হৈছিল, কিন্তু এতিয়া পুনৰ এইখন মহানগৰ কদৰ্যময় হৈ উঠিছে। এজাক বৰষুণতে কৃত্ৰিম বানত অচল হোৱা গুৱাহাটী বাৰিষাৰ বতৰত কিমান ভয়াৱহ সেয়া ভুক্তভোগীসকলেহে অনুভৱ কৰিব পাৰে। কৃত্ৰিম বান ৰোধৰ বাবে নলা-নৰ্দমাসমূহ পৰিষ্কাৰ কৰা হয় ঠিকেই, কিন্তু নৰ্দমাৰ আৱৰ্জনা বাহিৰলৈ আনি পথৰ দাঁতিতে দমাই থোৱাৰ ফলত এনেবোৰ পৰিষ্কৰণৰ পদক্ষেপ ভেঁকোভাওনাত পৰিণত হৈছে। পথৰ কাষত দ'ম বান্ধি থকা আৱৰ্জনাই দুৰ্গন্ধ আৰু ধূলিৰ সৃষ্টি কৰি মহানগৰবাসীক চৰম আতিশয্য চলাই আহিছে যদিও এই সমস্যাৰ প্ৰতি পৌৰ প্ৰশাসনৰ কাণসাৰ নাই। স্বচ্ছ সৰ্বেক্ষণৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটীৰ সৌন্দৰ্য বৰ্ধনৰ বাবে কিছু পদক্ষেপ চৰকাৰে গ্ৰহণ কৰিছিল যদিও সংশোধিত নাগৰিকত্ব আইন (কা) বিৰোধী আন্দোলনৰ সময়ত একাংশ প্ৰতিবাদকাৰীয়ে মহানগৰখনৰ বিভিন্ন অঞ্চলত ৰাজহুৱা সম্পত্তি ধ্বংস কৰাৰ পাছৰে পৰা গুৱাহাটীৰ সৌন্দৰ্য বৰ্ধনৰ প্ৰয়াস স্তব্ধ হ'ল। চৰকাৰৰ অৱহেলাত গুৱাহাটী পুনৰ এখন চৰম বিশৃংখল আৰু আৱৰ্জনাৰে ভৰা চহৰত পৰিণত হৈছে। চৰকাৰে গুৱাহাটীৰ উন্নয়নৰ বাবে নানা আঁচনি গ্ৰহণৰ কথা কৈ আহিছে যদিও বাস্তৱত এইখন মহানগৰৰ সমস্যাসমূহৰ কোনো স্থায়ী সমাধান নোহোৱাত এজাক বৰষুণতে গুৱাহাটীবাসীয়ে ত্ৰাহি মধুসুদন সুঁৱৰিবলগীয়া হয়। গুৱাহাটীৰ এনে দুৰ্দশা ৰোধৰ বাবে প্ৰশাসনে প্ৰয়োজনীয় ব্যৱস্থা অচিৰে গ্ৰহণ নকৰিলে অহা বছৰৰ স্বচ্ছ সৰ্বেক্ষণত এইখন চহৰে দেশৰ সবাতোকৈ লেতেৰা চহৰৰ শীৰ্ষ ১০টা স্থানত অন্তৰ্ভুক্ত হ'লেও আচৰিত হ'ব নালাগিব। উল্লেখ্য এইবাৰৰ স্বচ্ছ সৰ্বেক্ষণত দেশত সবাতোকৈ কদৰ্য চহৰ হিচাপে স্বীকৃত হোৱা শীৰ্ষ ১০খন চহৰৰ তালিকাত উত্তৰ-পূৰ্বাঞ্চলৰ তিনিখন চহৰ ক্ৰমে শ্বিলং, ইটানগৰ আৰু ডিমাপুৰে স্থান লাভ কৰিছে। দৰাচলতে গুৱাহাটীয়ে লেতেৰা চহৰৰ তালিকাত স্থান লাভ নকৰাটোহে আশ্চৰ্যৰ কথা।

অৱশ্যে এই কথাও সমানে সত্য যে কেৱল চৰকাৰৰ পদক্ষেপতে এখন গাঁও, নগৰ বা চহৰ পৰিচ্ছন্ন হৈ নুঠে, ইয়াৰ বাবে বাসিন্দাসকলো সমানে দায়বদ্ধ। দেশৰ প্ৰতিজন নাগৰিকে যদি স্বচ্ছতাক অগ্ৰাধিকাৰ দি সজাগ-সচেতন আৰু সক্ৰিয় হয়, তেন্তে গুৱাহাটী নালাগে সমগ্ৰ দেশে স্বচ্ছ-পৰিচ্ছন্ন হৈ উঠিব। দৰাচলতে স্বচ্ছ সৰ্বেক্ষণৰ জৰিয়তে দেশবাসীক স্বচ্ছতাৰ প্ৰতি সজাগ কৰিবলৈ চৰকাৰে পদক্ষেপ লৈছে আৰু এতিয়া স্বচ্ছতাৰ তালিকাত স্থান লাভ কৰা-নকৰা প্ৰতিখন নগৰ-চহৰৰ বাসিন্দা আৰু প্ৰশাসনে পৰিচ্ছন্নতা ৰক্ষাৰ ক্ষেত্ৰত সক্ৰিয় হোৱা প্ৰয়োজন।

## খোলা মঞ্চ

## জনগণৰ কল্যাণ অবিহনে গণতন্ত্ৰৰ অৰ্থ ক'ত?



**গণতন্ত্ৰত** ৰাইজেই ৰজা। এখন গণতান্ত্ৰিক দেশে জনগণৰ হিতাৰ্থে কাম কৰে। দেশৰ ৰাইজে ভোট দি সাংসদ নিৰ্বাচন কৰি কেন্দ্ৰত প্ৰধানমন্ত্ৰী পাতে আৰু এখন ৰাজ্যত বিধায়ক ৰাইজৰ ভোটৰে নিৰ্বাচন কৰি মুখ্যমন্ত্ৰী পাতে আৰু চৰকাৰ গঠন কৰে। এই ভোটৰ মূল্য ধনী-দুখীয়া সকলোৰে সমান। সেয়ে মুৰব্বীজনে দেশৰ জনগণৰ কল্যাণৰ হকে কাম কৰিবই লাগিব। অন্যথা গণতন্ত্ৰৰ অৰ্থ বিচাৰি পোৱা নাযায়। জনসাধাৰণৰ মৌলিক অধিকাৰসমূহ পূৰণ কৰাটোৱেই এখন

**ৰুমী বৰা বৰদলৈ,** *লেখিকা*

গণতান্ত্ৰিক দেশৰ মূল উদ্দেশ্য আৰু কৰ্তব্য; কিন্তু ৰাজনৈতিক নেতাসকলে আজি-কালি গাদী দখল কৰাৰ পাছতেই জনসাধাৰণলৈ পিঠি দিয়ে। নেতাসকলে পাঁচবছৰীয়া কাৰ্যকালৰ চাৰিটা বছৰেই নিজৰ লাহ-বিলাহত মত্ত হৈ ৰাইজৰ পৰা আঁতৰি থাকি ভোটৰ সময়ত নানা প্ৰৱঞ্চনাৰে শেষৰ বছৰটোত ৰাইজৰ মাজত প্ৰৱেশ কৰি হাতযোৰকৈ নানা প্ৰলোভন দিয়ে। ৰাইজৰ নামত অহা উন্নয়নমূলক কাম-কাজৰ আৱণ্টিত ধনৰ সিংগভাগেই লুণ্ঠন কৰে।

বৰ্তমান সময়ত আদৰ্শহীন ৰাজনীতিয়ে দেশৰ ৰাইজক ক'লৈ নিব ভাবিলে শংকিত হ'ব লগা হৈছে। ৰাজনৈতিক নেতাসকলে প্ৰথমে আত্মবিশ্লেষণৰে নিজকে প্ৰস্তুত কৰিব লাগে, লোভ, মোহ, ত্যাগী দেশ হিতৈষী লোক হিচাপে; কিন্তু বৰ্তমানৰ ৰাজনৈতিক নেতাসকল হৈ পৰিছে আদৰ্শহীন, ব্যক্তিকেন্দ্ৰিক আৰু ধৰ্মকেন্দ্ৰিক। আনকি চাকৰি, ঠিকা-ঠুকলি, অন্য কাম-কাজতো মন্ত্ৰী আমোলাৰ অঙুহী-বঙুহীয়ে আগভাগ পায়। যদি সেইটোৱেই হয় বা আগলৈও হৈ থাকে তেতিয়া হ'লে সেই চামৰ উন্নতি হৈ গৈ থাকিব আৰু দুখীয়াসকল সুবিধাবিহীন হৈ আৰু দুখীয়া হৈ গৈ থাকিব। এখন ৰাজ্যক সুন্দৰভাৱে গঢ় দি, সকলোফালে আগবঢ়াই নিয়াটোৱেই এজন ৰাজনৈতিক নেতাৰ প্ৰধান কৰ্তব্য। তেনে নেতাৰ প্ৰতি জনগণৰ আস্থা থাকে। সততা আৰু ধৈৰ্যই হ'ল, ৰাজনীতিকৰ অগ্ৰগতিৰ মূলমন্ত্ৰ। তেহে দেশ, প্ৰগতিৰ পথত আগবাঢ়িব আৰু দেশৰ পৰিৱৰ্তন হ'ব।

**বৰ্তমান সময়ত আদৰ্শহীন ৰাজনীতিয়ে দেশৰ ৰাইজক ক'লৈ নিব ভাবিলে শংকিত হ'ব লগা হৈছে।**

প্ৰত্যেক দলৰ নেতাসকল নিজ নিজ আদৰ্শৰে আগবাঢ়িলেহে দেশৰ প্ৰগতি বা পৰিৱৰ্তন হ'ব। এখন গণতান্ত্ৰিক দেশৰ উন্নয়নত নেতাৰ আদৰ্শ আৰু মূল্যবোধৰ সাংঘাতিক ধৰণে প্ৰভাৱ পৰে। নেতাসকল ধৈৰ্যশীল হোৱা একান্তই প্ৰয়োজন। জনগণই অন্তৰৰ পৰা কল্যাণৰ সন্তুষ্টিৰ স্বীকৃতি দিলেহে গণতন্ত্ৰৰ অৰ্থ বৰ্তি থাকিব।

*ফোন ঃ ৯৮৬৪০৪০০২৮*

# কৰ'না উত্তৰ পৰিস্থিতিত শিক্ষাৰ সংকট

## ধেমেলীয়া পৰিৱেশ আৰু সৃজনশীলতা, দুয়োটাই শিশুৰ শিক্ষাগ্ৰহণৰ ক্ষেত্ৰত আৱশ্যকীয়



**বিদ্যালয়-**মহাবিদ্যালয়ত কেতিয়াকৈ পাঠদান আৰম্ভ হ'ব, সেইটো এতিয়াও নিশ্চিত হোৱা নাই। সাধাৰণতে ভাৰতত মাৰ্চৰ পৰা জুলাই মাহলৈকে এই পাঁচটা মাহ শিক্ষাখণ্ডৰ বিকাশৰ বাবে অতি গুৰুত্বপূৰ্ণ। এই সময়ছোৱাতে বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ত বিভিন্ন পৰ্যায়ৰ পৰীক্ষাসমূহ অনুষ্ঠিত হয়। সেইবোৰৰ ফলাফলো ঘোষণা কৰা হয় এই সময়ছোৱাতে। আকৌ ফলাফলৰ ভিত্তিত ছাত্ৰ-ছাত্ৰীসকলে নতুন শ্ৰেণীত নামভৰ্তিকৰণৰ পৰ্বত ব্যস্ত হৈ পৰে। পিছে এইবেলি কৰ'নাৰ তাণ্ডৱে সকলোবোৰ বিদ্যায়তনিক প্ৰক্ৰিয়াতে পয়মাল লগালে। তাৰ ফলত ছাত্ৰ সমাজে সন্মুখীন হোৱা অনিশ্চয়তাই সৃষ্টি কৰিছে শিক্ষাৰ সংকট।

হওঁতে অসমৰ চৰকাৰী-বেচৰকাৰী বিদ্যালয়বোৰত পহিলা জানুৱাৰীৰ পৰাই শিক্ষাবৰ্ষ আৰম্ভ হয়। সেই মতে বিদ্যালয়ত নামভৰ্তিৰ প্ৰক্ৰিয়াটো সম্পূৰ্ণ হৈছিল; কিন্তু পাঠদান আৰম্ভ হোৱাৰ পাছতে মাৰ্চৰ পৰা আৰম্ভ হ'ল তলাবন্ধ। এতেকে শ্ৰেণীকোঠাৰ পাঠদান ব্যাহত হৈ পৰিল। অসম চৰকাৰে পহিলা এপ্ৰিলৰ পৰা শিক্ষাবৰ্ষ আৰম্ভ হোৱা বুলি ঘোষণা কৰি পাঠদানৰ ক্ষতি কিছু পৰিমাণে হ'লেও পূৰণ কৰাৰ প্ৰচেষ্টা চলাইছিল; কিন্তু এতিয়া ছেপ্টেম্বৰতো পাঠদান আৰম্ভ কৰাৰ সম্ভাৱনা নাই; সেয়েহে উক্ত প্ৰয়াসো বিফল হোৱাৰ পথত।

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদৰ (CBSE) স্বীকৃতিপ্ৰাপ্ত বিদ্যালয়বোৰত পহিলা এপ্ৰিলৰ পৰা শিক্ষাবৰ্ষ আৰম্ভ হয়; কিন্তু সেইবোৰত এতিয়ালৈকে নামভৰ্তিকৰণেই সম্পূৰ্ণ নহ'ল, পাঠদান আৰম্ভ কৰাটো দূৰৰে কথা। বিভিন্ন সংস্থাই চলোৱা সমীক্ষাত প্ৰকাশ পাইছে যে কৰ'না ভাইৰাছৰ সংক্ৰমণ সম্পূৰ্ণৰূপে বন্ধ নোহোৱা পৰ্যন্ত বা ভাইৰাছৰ ছিটা উপলব্ধ নোহোৱালৈকে অভিভাৱকে সন্তানক বিদ্যালয়লৈ পঠিয়াবলৈ নিবিচাৰে। অলপতে অসম চৰকাৰেও এই সন্দৰ্ভত অভিভাৱকসকলৰ মতামত বিচাৰিছিল; কিন্তু সাম্প্ৰতিক পৰিস্থিতিত ছাত্ৰ-ছাত্ৰীক শ্ৰেণীকোঠালৈ পঠিয়াবলৈ তেওঁলোক প্ৰস্তুত নহয়।

ইয়াৰ মূলতে হ'ল কৰ'না সংক্ৰমণৰ আশংকা। শিশুসকলৰ গাত সহজে ভাইৰাছৰ সংক্ৰমণ ঘটে। আনহাতে, শিশুসকলক মাস্ক পিন্ধিবলৈ বাধ্য কৰিব পৰা গ'লেও সামাজিক দূৰীকৰণ মানিবলৈ বাধ্য কৰাটো টান। বাটে-পথে বজাৰে-অফিচে দেখা গৈছে বয়সস্থ লোকসকলেই ইজন-সিজনৰ মাজত দূৰত্ব মানি চলিবলৈ আগ্ৰহী নহয়; তেনেক্ষেত্ৰত বিদ্যালয়ৰ শিশুসকলৰ পৰা আমি কি আশা কৰিব পাৰো? মোটামুটিভাৱে বিশ্বৰ প্ৰায়বোৰ দেশতে একেই অৱস্থা। আমেৰিকা যুক্তৰাষ্ট্ৰত ৰাষ্ট্ৰপতি ট্ৰাম্পে বিদ্যালয়বোৰ খুলিবলৈ কঠোৰ নিৰ্দেশ জাৰি কৰিছিল; কিন্তু তাৰ ফলত এটা সপ্তাহৰ ভিতৰতে বিদ্যাৰ্থীসকলৰ মাজত ভাইৰাছৰ সংক্ৰমণ অভাৱনীয় হাৰত বৃদ্ধি পালে। অৱশ্যে ভাৰতত চৰকাৰে তেনে দুঃসাহস দেখুওৱাৰ চেষ্টা কৰা নাই। এনে পৰিস্থিতিত বহুতৰে মনত আশংকা উপজিছে। মূৰকত ছাত্ৰ সমাজে এটা শিক্ষাবৰ্ষ বিসৰ্জন দিবলগীয়া হ'লে শৈক্ষিক খণ্ডৰ ক্ষতি হ'বগৈ আৰ্থিক বিপৰ্যয়তকৈও অনেক গুণে বেছি ভয়াৱহ।

অৱশ্যে প্ৰায়বোৰ বিদ্যালয়-মহাবিদ্যালয়তে অনলাইনৰ মাধ্যমত পাঠদান চলাই ৰখাৰ চেষ্টা চলোৱা

**অৱলোকন**



**ড° জয়কান্ত শৰ্মা**

পৰিলক্ষিত হৈছে। কৰ'না ভাইৰাছৰ স'তে সহ-অৱস্থান কৰি ইণ্টাৰনেটৰ মাধ্যমতে পাঠ্যক্ৰম সম্পূৰ্ণ কৰাৰ প্ৰয়াসৰ মাজত শিক্ষাবৰ্ষটো ব্যাহত নোহোৱাকৈ আগবঢ়াই নিয়াৰ সজ প্ৰচেষ্টা নিহিত আছে, সেইটো স্বীকাৰ কৰিবই লাগিব; মূৰকত প্ৰচেষ্টাটো কিমান দূৰ সফল হয়গৈ, সেইটো অন্য কথা; কিন্তু অনলাইন পাঠদান ব্যৱস্থাৰ সীমাবদ্ধতা আছে, ইতিমধ্যে সেইটো চকুত পৰা হৈছে।

জটিল সমস্যাটো হ'ল, সন্তানৰ অনলাইন শিক্ষাগ্ৰহণৰ বাবে কিমান শতাংশ অভিভাৱকৰ হাতত স্মাৰ্টফোন আছে? চহকী অভিভাৱকে সন্তানক পাঠগ্ৰহণৰ বাবেই স্মাৰ্টফোন কিনি দিছে, সেইটো অন্য কথা। অলপতে স্মাৰ্টফোন নিৰ্মাণকাৰী কোম্পানীয়ে স্বীকাৰ কৰিছে যে শিক্ষা ক্ষেত্ৰত অনলাইন পদ্ধতি প্ৰৱৰ্তন হোৱাৰে পৰা তেওঁলোকৰ ব্যৱসায়ৰ শ্ৰীবৃদ্ধি ঘটিছে।

ৰাষ্ট্ৰীয় নমুনা জৰীপৰ সমীক্ষা (২০১৭-১৮) অনুসৰি ভাৰতৰ নগৰ অঞ্চলত ৪২ শতাংশ পৰিয়ালত আৰু গ্ৰামাঞ্চলৰ ১৫ শতাংশ পৰিয়ালতহে ইণ্টাৰনেটৰ সংযোগ আছে। তদুপৰি এটা দৰিদ্ৰ পৰিয়ালে স্মাৰ্টফোন এটা বা কম্পিউটাৰ এটা যোগাৰ কৰাটো সহজসাধ্য নহয়। মনত ৰাখিব লাগিব, তেওঁলোকৰ আৰ্থিক দিশটোৰ কথা চিন্তা কৰিয়েই বিদ্যালয়ত মধ্যাহ্ন ভোজনৰ ব্যৱস্থাটো চলাই ৰখা হৈছে। এনে পৰিস্থিতিত চৰকাৰে দৰিদ্ৰ পৰিয়ালৰ শিশুক বিনামূল্যে স্মাৰ্টফোন দিয়াৰ কথা চিন্তা কৰিব পাৰিবনে?

দেশৰ বিভিন্ন প্ৰান্তত স্মাৰ্টফোন থকা-নথকাকলৈয়ে সামাজিক বিভাজন ঘটাৰ ইংগিত প্ৰকাশ পাব লাগিছে। চৰকাৰী পৰিসংখ্যা অনুসৰি দেশত বিদ্যাৰ্থীৰ মুঠ সংখ্যা ৩৫ কোটি; তেওঁলোকৰ কিমানৰ হাতত স্মাৰ্টফোন আছে, সেই পৰিসংখ্যা পাবলৈ নাই। আন এটা সমস্যা আছে। কণ কণ শিশুহঁতক অনলাইন পাঠদান গ্ৰহণ কৰাত কিমান শতাংশ অভিভাৱকে সহায় কৰিব পাৰিব? সমস্যাৰ সৃষ্টি হৈছে 'বিশেষভাৱে সক্ষম' শ্ৰেণীৰ শিশুহঁতৰ বাবেও। এইক্ষেত্ৰত কাম কৰি থকা স্বেচ্ছাসেৱী সংগঠনৰ কৰ্মীসকলে আঙুলিয়াই দিছে যে অনলাইন পদ্ধতিৰ শিক্ষাই বিশেষভাৱে সক্ষম শিশুক কোনো প্ৰকাৰে সহায় কৰিব নোৱাৰে, বৰঞ্চ সিহঁতৰ মানসিক বিকাশত পদ্ধতিটোৱে হেঙাৰহে দিব। এনেদৰেই শিশুহঁতৰ মাজত এটা Digital Divide'ৰ আশংকা ঘনীভূত হৈ পৰিছে।

আপাতদৃষ্টিত বৃত্তিমূলক বা কাৰিকৰী শিক্ষা প্ৰতিষ্ঠানৰ, অথবা মহাবিদ্যালয়-বিশ্ববিদ্যালয়ৰ বিদ্যাৰ্থীসকলৰ বাবে অনলাইন পাঠদান ব্যৱস্থাটো বিশেষ আহুকলীয়া নহয়; কিন্তু সেইটো কৰিবলৈকো লাগে উপযুক্ত আন্তঃগাঁথনি, শিক্ষকৰ পাৰদৰ্শিতা আৰু বিদ্যাৰ্থীৰ মনসংযোগ। তদুপৰি জটিল সমস্যাটো হ'ল, দেশৰ অধিকাংশ গাঁৱতে আজিও '3G' বা '4G' নেটৱৰ্ক সহজলভ্য নহয়। আনকি নগৰে-চহৰেও নেটৱৰ্কৰ বেমেজালি আছেই। তদুপৰি ভালেমান ঠাইত বিদ্যুতৰ যোগান তেনেই অনিয়মীয়া। এইবোৰ সমস্যাক লৈয়ে কে'বাখনো ৰাজ্যত বিশ্ববিদ্যালয়ৰ পৰীক্ষা অনুষ্ঠিত কৰিবলৈ লোৱাত বিতৰ্কৰ সৃষ্টি হৈছে।

কৰ'না উত্তৰ সমাজত শিক্ষাৰ সংকট লাঘৱ কৰিবলৈ শিক্ষা পৰিষদ তথা বিশ্ববিদ্যালয়সমূহে 'বিশেষ পৰিস্থিতিত বিশেষ ব্যৱস্থা গ্ৰহণ'ৰ নীতি গ্ৰহণ কৰিছে, সেইটো দূৰদৰ্শিতাৰ পৰিচায়ক। অনেক পৰিষদে বিদ্যাৰ্থীৰ বোজা হ্ৰাস কৰিবলৈ পঠনীয় বিষয়ৰ ৩০ শতাংশ পৰ্যন্ত কৰ্তন কৰিছে। অনেক বিদ্যালয়ত পৰীক্ষা অবিহনেই ছাত্ৰ-ছাত্ৰীক ওপৰৰ শ্ৰেণীলৈ উঠাই দিয়া হৈছে। আনকি এই নীতি মহাবিদ্যালয়-বিশ্ববিদ্যালয়ৰ যান্মাসিকৰ ক্ষেত্ৰতো ইতিমধ্যে প্ৰয়োগ কৰা হ'ল। ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি আৰু আভ্যন্তৰীণ মূল্যায়নৰ ভিত্তিত ছেমিষ্টাৰৰ আনুষ্ঠানিক পৰীক্ষা অপ্ৰয়োজনীয় হৈ পৰিল; কিন্তু পদ্ধতিটো ডিগ্ৰী প্ৰদানৰ ক্ষেত্ৰতো প্ৰয়োগ কৰাটো যুক্তি সংগতনে?

**শিশুসকলৰ গাত সহজে ভাইৰাছৰ সংক্ৰমণ ঘটে। আনহাতে, শিশুসকলক মাস্ক পিন্ধিবলৈ বাধ্য কৰিব পৰা গ'লেও সামাজিক দূৰীকৰণ মানিবলৈ বাধ্য কৰাটো টান। বাটে-পথে বজাৰে-অফিচে দেখা গৈছে বয়সস্থ লোকসকলেই ইজন-সিজনৰ মাজত দূৰত্ব মানি চলিবলৈ আগ্ৰহী নহয়; তেনেক্ষেত্ৰত বিদ্যালয়ৰ শিশুসকলৰ পৰা আমি কি আশা কৰিব পাৰো?**

লক্ষ্যণীয় যে একাংশ ৰাজ্যই বিশ্ববিদ্যালয়ৰ পৰীক্ষা বাতিল কৰিবলৈ দাবী জনোৱাৰ বিপৰীতে বিভিন্ন প্ৰান্তৰ ডেৰশতকৈ অধিক বিশ্ববিদ্যালয়ে ইতিমধ্যে ডিগ্ৰী পৰীক্ষাৰ প্ৰক্ৰিয়াটো সম্পূৰ্ণ কৰিলে। বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগে ছয় জুলাইৰ নিৰ্দেশনাত স্পষ্ট কৰি দিছে যে যিবোৰ বিশ্ববিদ্যালয়ে এতিয়াও পৰীক্ষা অনুষ্ঠিত কৰা নাই, সেইবোৰে ৩০ ছেপ্টেম্বৰৰ ভিতৰত অন্তিম পৰীক্ষাসমূহ অনুষ্ঠিত কৰিবই লাগিব; অৰ্থাৎ লিখিত পৰীক্ষা অবিহনে ডিগ্ৰী প্ৰদান কৰাটো গ্ৰহণযোগ্য নহয়। পিছে পৰীক্ষাৰ বিৰোধিতা কৰিছে দিল্লী, পঞ্জাৱ, পশ্চিমবংগ, ওড়িছা আৰু মহাৰাষ্ট্ৰই। কেন্দ্ৰীয় চৰকাৰৰ মানৱ সম্পদ উন্নয়ন মন্ত্ৰণালয়ৰ তৰফৰ পৰা এই বুলি স্পষ্টীকৰণ দিয়া হৈছে যে ছাত্ৰ-ছাত্ৰীসকলৰ দীৰ্ঘকালীন স্বাৰ্থ সুৰক্ষিত ৰাখিবলৈ পৰীক্ষা অনুষ্ঠিত কৰাটো অনিবাৰ্য হ'ব; তদুপৰি উচ্চ শিক্ষাৰ বিষয়টো কেন্দ্ৰ-ৰাজ্যৰ উমৈহতীয়া বিষয় হ'লেও মূৰকত কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্তই নিৰ্ণায়ক হয়গৈ। আনহাতে, পৰীক্ষা আৰু পাঠ্যক্ৰম সন্দৰ্ভত বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগৰ সিদ্ধান্তই শেষ কথা। সন্তোষৰ কথা এইটোৱেই যে অসমৰ বিশ্ববিদ্যালয় কেইখনত এনে অনিশ্চয়তাৰ সৃষ্টি হোৱা নাই।

প্ৰস্তাৱিত পৰীক্ষা পদ্ধতিটোত ছাত্ৰ-ছাত্ৰীসকল আশ্বস্ত হ'ব পৰা নাই; সেইটোও সঁচা। পৰীক্ষাটোত অনলাইন পদ্ধতি বা অফলাইন পদ্ধতি, অথবা পৰিস্থিতি-বিশেষে দুয়োটা পদ্ধতিকে সলনা-সলনিকৈ প্ৰয়োগ কৰিবলৈ বিচৰা হৈছে। অনলাইন পদ্ধতিটো হ'ব খোলা কিতাপেৰে লোৱা পৰীক্ষা; এই পদ্ধতিত আমাৰ দেশৰ ছাত্ৰ-ছাত্ৰী অভ্যস্ত নহয়। তদুপৰি পদ্ধতিটো আপাতদৃষ্টিত সৰল যেন লাগিলেও প্ৰায়োগিক দৃষ্টিৰে তাত অনেক জটিলতা আছে।

সি যিয়েই নহওক, শিক্ষানুষ্ঠানসমূহে যিকোনো প্ৰকাৰে অনলাইন পাঠদান চলাই নিবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাই। আকৌ অনলাইনৰ মাধ্যমত শিশুৰ পঠন সামগ্ৰীৰ যোগান ধৰিবলৈ টাটা ট্ৰাষ্টে 'লাইব্ৰেৰী খিড়কী' নামৰ এখন ই-মেগাজিন আগবঢ়াই দিছে; দুখনমান ৰাজ্যত তাৰ সু-ব্যৱহাৰো হৈছে। ইতিমধ্যে অনলাইন পাঠদানৰ নেতিবাচক দিশবোৰলৈ চাই চৰকাৰে 'প্ৰজ্ঞাত' শীৰ্ষক নিৰ্দেশনাত স্পষ্ট কৰি দিছে যে প্ৰতিদিনে প্ৰাক্‌প্ৰাথমিক শ্ৰেণীৰ বাবে ৩০ মিনিটৰ এটা, প্ৰথম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ ৪৫ মিনিটৰ দুটা আৰু ওপৰৰ শ্ৰেণীবোৰত চাৰিটাকৈহে অনলাইন ক্লাছ ল'ব পাৰিব।

বিশিষ্ট বিজ্ঞানী তথা শিক্ষাবিদ কস্তুৰীৰংগনে কৈছে যে শিশুৰ মানসিক বিকাশৰ বাবে শিক্ষাদানৰ সময়ত সিহঁতৰ স'তে শিক্ষকৰ মুখামুখি সম্পৰ্ক স্থাপন হোৱাটো আৱশ্যকীয়। ধেমেলীয়া পৰিৱেশ আৰু সৃজনশীলতা, দুয়োটাই শিশুৰ শিক্ষাগ্ৰহণৰ ক্ষেত্ৰত আৱশ্যকীয়। পিছে আপদকালৰ পৰিস্থিতিত সকলো নীতিয়েই অচল হ'বলৈ ওলাইছে। এই সমস্যাৰ পৰা পৰিত্ৰাণ পোৱাৰ উপায় বিচাৰি পোৱা নাই। মূৰকত আমাৰ ছাত্ৰ সমাজে এটা মূল্যৱান শিক্ষাবৰ্ষ হেৰুৱাবলগীয়া হ'বগৈ নেকি?

*ফোন ঃ ৯৪৩৫৫-৫৪২০৫*

# কিয় কঁপি উঠিছে অভিভাৱকৰ অন্তৰাত্মা!

**প্ৰথম** পৰ্যায়ত ভয় শংকা আৰু মৃত্যু ভয়ে ছানি ধৰা এক জয়াল পৰিৱেশ! কেউফালে কেৱল সন্দেহ। বাটপথ, দোকান-পোহাৰ, বজাৰ সকলোতে মহামাৰীৰ আতংকময় ভয়াল ছবি। সামাজিক ব্যৱধান মানি চলা, বাৰেপতি হাত-মুখ ধোৱা, মাস্ক ব্যৱহাৰ কৰা, স্বাস্থ্যৰ যত্ন লোৱা, খোৱা-লোৱাত গুৰুত্ব দিয়া আদি বিষয়বোৰ মানুহৰ জীৱন শৈলী হৈ পৰিল। কৰ্মব্যস্ত মানুহবোৰ গৃহবন্দী হৈ এক আচহুৱা পৰিৱেশত যেন বন্দী হ'ল। ফোন কৰিলেও প্ৰত্যেকে একেই ভাবুকি ব্যক্ত কৰে। আমি নিজেও বন্দী হোৱা যেন অনুভৱ হ'ল। অৱশ্যে ল'ৰা-ছোৱালীৰ যত্ন লোৱাৰ সুবিধা পাই মনে মনে ভালো লাগিল। এই সময়কণতে তেওঁলোকৰ লগত ভালদৰে কথা পাতিবলৈ তথা বন্ধুত্বভাৱ এটা গঢ়ি তুলিবলৈ সুযোগ পালো। বাতৰি শুনা, ৰন্ধা-বঢ়া, খোৱা-লোৱা, গৃহকৰ্ম কৰা, কিতাপ পঢ়া আদিয়ে জীৱনৰ প্ৰাত্যহিক কৰ্ম হৈ পৰিল। দিন যোৱাৰ লগে লগে গৃহবন্দীৰ একঘেয়ামী জীৱনটোৱে আমুৰাবলৈ ধৰিলে। এতিয়াও অজানিতে অনিশ্চয়তা, নিঃসংগতাই মন গধুৰ কৰি তোলে। সঁচাই মহামাৰীয়ে জীৱনৰ সংজ্ঞাই সলনি কৰি পেলালে।

মানুহ স্বভাৱতে সমাজপ্ৰিয়। নিজৰ সমাজখনৰ পৰা, কৰ্মস্থলীৰ পৰা দীৰ্ঘদিন আঁতৰি থাকি কোনেও শান্তি নাপায়। সেয়ে লাহে লাহে ইজনে-সিজনৰ পৰা আঁতৰত থকা কথাটোৱে মানুহক মানসিকভাৱে প্ৰভাৱিত কৰিবলৈ ধৰিলে। গাঁৱলীয়া জীৱনকো এইভাৱে স্পৰ্শ কৰিলে। তেওঁলোকে খেতি-বাতি কৰিব নোৱাৰিব বুলি শংকিত হৈছিল। বহুতৰে খেতি-বাতি পথাৰতে গেলি-পচি গৈছিল। নামঘৰ, মন্দিৰ, মছজিদৰ দুৱাৰ বন্ধ হোৱা বাবে কিছু মানুহ আৱেগিক হোৱা কথাও কাণত পৰিছিল। চহৰীয়া জনজীৱনৰ লেখীয়া গাঁৱলীয়া জনজীৱনো নিঃসংগ হোৱাৰ পথত। সভা-সমিতি, বিয়া-বাৰু, সকাম আদি সকলো নিষিদ্ধ কৰা হ'ল। অৱশ্যে ছ'চিয়েল মিডিয়াই মানুহক একত্ৰিত কৰি ৰখাত সহায়ক হৈ পৰিল। ইয়াৰ জৰিয়তে মানুহে সৃষ্টিশীল মনৰ পৰিচয় দিব পাৰিছে; আৰু অলেখ নৱ নৱ প্ৰতিভাৰ বিকাশো ঘটিছে। অফিচ আদালত-কোৰ্ট-কাছাৰীৰ কামৰ পৰা আদি কৰি স্কুল, কলেজ, স্বাস্থ্য বিভাগ, বেংক, বজাৰ কৰা আদি সকলো কামতে ম'বাইলে আমাক অভূতপূৰ্বভাৱে সহায় কৰিলে। অনাগত দিনত ম'বাইল মানৱ জীৱনৰ এক অপৰিহাৰ্য অংগ হৈ পৰিল।

আনহাতে, মহামাৰীত আক্ৰান্ত হোৱা দেশ-বিদেশৰ বিভিন্নজনৰ জীৱনৰ কৰুণ গাথাই আমাৰ অন্তৰত বিচিত্ৰ ভাৱৰ সঞ্চাৰ



কৰিলে। আমি কিছুমানে এই সময়ছোৱাত বিভিন্ন সমস্যাৰ সন্মুখীন হ'ব লগা হ'ল। আত্মীয়ক হেৰুৱাব লগা হ'ল। আমি জীৱন, যৌৱন, ধন, সম্পদ, কৰ্ম, গৰ্ব-অহংকাৰ, খং-অভিমান, হত্যা-লুণ্ঠন, হিংসা-ঈৰ্ষা-জেদ আদিৰ অসাৰত্ব বুজি পোৱা হ'লো। ইজনে সিজনৰ কথা অনুভৱ কৰিবলৈ ধৰিলো। ডাক্তৰ, নাৰ্ছ, দেশৰক্ষীসকলৰ কৰ্মস্পৃহা আৰু ত্যাগে আমাক কৰ্মসংস্কৃতিৰ আদৰ্শ দেখুৱালে। আমি বহুতো নজনা কথা শিকিলো। গোটেই বিশ্বজুৰি ঘটা বিভিন্ন ঘটনাই আমাৰ ব্যক্তিমুখী ভাৱচিন্তাক তল পেলাই বিশ্বমুখী কৰিলে। মুঠতে, মহামাৰীয়ে আমাৰ বহুল পৰিৱৰ্তন সাধিলে। আনহাতে, কোলাহলহীন প্ৰদূষণমুক্ত পৰিৱেশে পৰিৱৰ্তন কৰা প্ৰকৃতিৰ বিনন্দীয়া ৰূপে আৰু চৰাই-চিৰিকটিৰ মাতে মানুহক এখন অন্য জগতৰ সন্ধান দিলে; আমি মানৱ জাতিয়ে প্ৰকৃতিৰ বিপৰীতে কৰা কৰ্মৰ কি ভয়ংকৰ পৰিণতি হ'ব পাৰে সেই বিষয়ে নিশ্চিত হ'লো।

ইতিমধ্যে অৰ্থনীতিৰ উত্থান-পতনৰ অংক মিলাবলৈ তলাবন্ধ শিখিল হ'ল। আমি ক্ৰমান্বয়ে এটা পৰিৱেশৰ লগত খাপ খাব পৰা হ'লো। চাকৰি, ব্যৱসায়, দোকান সকলোতে চাপে চাপে মানুহ বস্তু হৈ পৰিল। ল'ৰা-ছোৱালী সকলোৰে অনলাইন ক্লাছ আৰম্ভ হ'ল। এই ক্ষেত্ৰত মহাবিদ্যালয়, বিশ্ববিদ্যালয় ছাত্ৰ-ছাত্ৰীৰ কথা অলপ সুকীয়া; তেওঁলোকৰ নিজৰ দায়িত্ববোধ আছে। সেয়ে তেওঁলোকৰ সমস্যা বেলেগ ধৰণৰ। কিন্তু আমাৰ সন্মুখত এক প্ৰত্যাহ্বান আহি পৰিছে বিশেষকৈ প্ৰাথমিক শ্ৰেণীৰ পৰা উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক লৈ।

ছমাহ ধৰি তেওঁলোক স্কুলৰ শ্ৰেণী কোঠাৰ শিক্ষাৰ পৰা বঞ্চিত। অনলাইন ক্লাছৰ জৰিয়তে শিক্ষকসকলে বহু কষ্ট কৰি তেওঁলোকক পাঠদান কৰি আছে। ক্লাছ টেষ্ট লৈ আছে, তেওঁলোকক ব্যস্ত কৰি ৰখা হৈছে। শিক্ষকসকলৰ এই প্ৰচেষ্টা শলাগিবলগীয়া। বহুতে বৰ সুন্দৰকৈ এই সুবিধা গ্ৰহণ কৰিছে। পঢ়া-শুনাৰ প্ৰতি অনীহা থকা সকলে আঁতৰি আছে আৰু বহুতে বিভিন্ন অসুবিধা (যেনে ম'বাইল, নেট, টকা-পইচা)ৰ বাবে সুযোগ ল'ব পৰা নাই।

**ড° নিৰ্মালি দাস**

আনহাতে, এচাম ল'ৰা-ছোৱালীৰ কিছুমান লক্ষণ গা কৰি উঠাত বহু সংখ্যক অভিভাৱক বিমোৰত পৰিছে। তেওঁলোকৰ বহুতো কথাই পোহৰলৈ আহিছে। অনলাইন ক্লাছৰ নামত পাৰিলে দিনে-ৰাতি ম'বাইলৰ লগত লাগি থাকিব বিচৰা হৈছে। কিতাপ বহী তথা কাগজ-কলমৰ লগত সম্পৰ্ক কমি গৈছে, খোৱা-শোৱাৰ সময় সীমা নোহোৱা হৈছে। শাৰীৰিক পৰিশ্ৰম নোহোৱা হৈছে। আনফালে মানসিকভাৱে খিংখিঙীয়া স্বভাৱ গঢ় লৈছে। পৰিয়ালৰ লগত কথা-বতৰা কমি গৈছে। অকলশৰীয়াকৈ থাকি ভাল পোৱা হৈছে। ঘৰত থাকিও যেন তেওঁলোকে অন্য গ্ৰহৰ প্ৰাণী। তেওঁলোকৰ ভৱিষ্যৎ বাৰু কোন ফালে গতি কৰিছে? নেটৱৰ্কৰ তেওঁলোকক কোন জগতলৈ লৈ গৈছে। আমাৰ নিচিনা দেশত বিশেষকৈ অসমত এই ব্যৱস্থা কিমান ফলপ্ৰসূ হৈছে এই কথা বিদ্বান সমাজে বিচাৰ কৰিবলগীয়া কথা। তেওঁলোকৰ উগ্ৰ মানসিকতাক আমি কেনেদৰে সলনি কৰিব পাৰিম সেয়া আমাৰ বাবে এক জটিল প্ৰশ্ন।

আমি অভিভাৱকসকল হতাশাগ্ৰস্ত হোৱাটোও অস্বাভাৱিক কথা নহয়। এটা সময়ত আমি পঢ়া-শুনাত ব্যাঘাত হ'ব বুলি সন্তানক ম'বাইল দিয়াৰ কথা ভাবিবই পৰা নাছিলো। আৰু আজি সময়ৰ দাবীত তেওঁলোকৰ হাতত ম'বাইল, লেপটপ তুলি দিব লগা হৈছে পঢ়া-শুনা ক্ষতি নহওক বুলিয়ে। এই ক্ষেত্ৰত তেওঁলোকক দোষাৰোপ কৰিও লাভ নাই; বৰ্তমান পৰিস্থিতিত মূল বিষয় এয়ে যে ইমান কম বয়সৰ পৰা যদি এই যন্ত্ৰটোৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়, তেন্তে তেওঁলোকৰ চকু-মগজুৰ ক্ষতি নহ'ব জানো? তেওঁলোকৰ মানসিকতা ৰুগ্ন নহ'ব জানো? তদুপৰি কি চাইছে, কাৰ লগত কি লিখিছে, কি কথা পাতিছে, আমাৰ অলক্ষিতে কি কৰিছে এইবোৰ কথাই অভিভাৱকৰ অন্তৰাত্মা কঁপাই তোলে। এই ক্ষেত্ৰত ইতিবাচক দৃষ্টিৰে চোৱা ভাল যদিও কেতিয়াবা তেওঁলোকৰ ব্যৱহাৰ, কথা-কাণ্ডই সন্দেহবাদী হ'বলৈ বাধ্য কৰাইছে; আৰু যদি ছমাহ এনেদৰে ঘৰত বন্দী কৰি ৰাখিবলগীয়া হয়, তেন্তে নিঃসন্দেহে তেওঁলোকক লৈ বিভিন্ন সমস্যাৰ সৃষ্টি হ'ব। আকৌ স্কুল যেতিয়া খুলিব, পৰিস্থিতি যেতিয়া ভাল হ'ব, তেতিয়া তেওঁলোকৰ এই অভ্যাস কেনেদৰে নিয়ন্ত্ৰণ হ'ব? স্কুলে কেনেদৰে সহায় কৰিব বা আমি ঘৰুৱাভাৱে কি কৰিম? এই ক্ষেত্ৰত চৰকাৰে কি পদক্ষেপ ল'ব? মথাউৰি ছিগা বানপানীৰ দৰে বৈ অহা তেওঁলোকৰ আৱেগৰ ধল কেনেদৰে ৰোধ হ'ব? কিয়নো তেওঁলোকৰ মানসিক দিশটোৰে হ'ব তেতিয়া আটাইতকৈ বিচাৰ্য বিষয়।

অ ভি ম ত

*লেখিকা কোকৰাঝাৰ চৰকাৰী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক*

*ফোন ঃ ৯৪৩৫৭২০৩২৪*

# সন্দেহবোধক অব্যয়

*শুনামতে সত্যযুগত দেৱতা আৰু অসুৰ আচলতে একেবাৰে লগা লগি হোৱা নাছিল, বিশেষ এই কামফেৰা মানে সাগৰৰ পৰা অমৃত আহৰণ কৰা কাৰ্যত দেৱতাই নিজে নোৱাৰি অসুৰৰ সাহায্য ভিক্ষা কৰি অসুৰক যেনে তেনে মান্তি কৰাইছিল।*

**প্ৰাচীন** কালত কুৰুক্ষেত্ৰ নামৰ এখন ঠাইত কৌৰৱ আৰু পাণ্ডৱ নামৰ দুটা ফৈদৰ মাজত হোৱা এখন যুদ্ধৰ বিৱৰণ দিয়া মহাকাব্যখনৰ নামেই মহাভাৰত। কথিত আছে কুৰুক্ষেত্ৰ বোলে 'ধৰ্মক্ষেত্ৰ' আৰু ইয়াত মৃত্যুবৰণ কৰিলেও পোনপটীয়াকৈ স্বৰ্গ লাভ হয়। সেয়ে যিয়েই নহওঁক এই মহাভাৰতত যিবোৰ কাহিনী লিখা হৈছে সেই সকলোবোৰ বোলে অমৃত তুল্য। 'মহাভাৰতৰ কথা অমৃতৰ সমান।'

এইখিনি কথা মনলৈ আহিলেই প্ৰথমে মনত পৰে অমৃতৰ কথা। অমৃত কি, ই দেখিবলৈ কেনেকুৱা, খাবলৈ কেনে লাগে, খালে কি হয়, খালে হজম হয় নে, খাওতাকহে হজম কৰে, অমৃত ক'ত পোৱা যায়, আজিকালি অমৃত পোৱা যায়নে, অমৃত খাই পোৱা কোনোবাই কথাযাৰ কৈছে নে অমৃতৰ কথা শুনা কোনোবাই কৈছে, ইত্যাদি, ইত্যাদি এশ এবুৰি প্ৰশ্নই জাউৰি দি ধৰে। শুনামতে সত্যযুগত দেৱতা আৰু অসুৰ আচলতে একেবাৰে লগা লগি হোৱা নাছিল, বিশেষ এই কামফেৰা মানে সাগৰৰ পৰা অমৃত আহৰণ কৰা কাৰ্যত দেৱতাই নিজে নোৱাৰি অসুৰৰ সাহায্য ভিক্ষা কৰি অসুৰক যেনে তেনে মান্তি কৰাইছিল। সকলো বন্দৱস্ত যথা মন্দৰ পৰ্বত, সৰ্পৰ জৰী আদিৰ ব্যৱস্থা কৰা হ'ল। নিৰ্দিষ্ট সময়ত কাম মানে সমুদ্ৰ মন্থন আৰম্ভ হ'ল। বস্তুবোৰ এপদ এপদকৈ সমুদ্ৰৰ পৰা ওলাব ধৰিলে। প্ৰথমতে ওলাল হলাহল; তাৰ পাছত এটা এটাকৈ আহিল লক্ষ্মী, ঔষধৰ ভাণ্ডাৰ আৰু শেষত আহিল 'অমৃত'।

**মক্ষিকা বৃত্তি**

**ড° সুৰেন্দ্ৰ মোহন মহন্ত**

অমৃত উৎপন্ন হোৱাৰ পাছত এক বিৰাট সমস্যা আহি পৰিল—অমৃত কোনে মানে দেৱতা আৰু অসুৰৰ মাজত কোনে কিমান পাব? আহৰণ প্ৰক্ৰিয়ালৈ চাই দুয়ো পাৰ্টিয়ে ফিফ্‌টি-ফিফ্‌টি পাব লাগিছিল। কিন্তু তাতে কেঁণা লাগিল; বুদ্ধিমান দেৱতাই বুজিলে অসুৰহঁতক অমৃত দিলে দেৱতাৰ আধিপত্য কমি যাব আৰু শাৰীৰিক বলত কম জোৰ দেৱতাই পাছলৈ ভুগিব লাগিব। লাগি গ'ল হুৰাহুৰি, লাগি গ'ল পলিটিক্স। বুদ্ধিত সিয়ান দেৱতাহঁতে গোটেইখিনি অমৃত পিলে; মাত্ৰ এটা অসুৰে ছল কৰি দেৱতাৰ মাজত সোমাই এধোক মান অমৃত পিবলৈ পালে। বেচেৰা অমৰ হ'ল; কাটি দুছেও কৰিলেও দুখে-কষ্টই বাচি থাকিল। তাকো ৰাহু আৰু কেতু নামৰ দুটা 'অৰ্ধাসুৰ' বা 'অৰ্ধদেৱতা' হৈ। এতিয়া প্ৰশ্ন হ'ল মানুহে অমৃতৰ বিষয়ে কি জানে? চাবলৈ গ'লে অমৃতৰ কথা বহুত দিন পাছতহে শুনিছে। আনহাতে অমৃত উৎপাদন কাৰ্যত মানুহৰ কোনো ভূমিকায়েই নাই। সেই কাৰ্য অৰ্থাৎ সাগৰ মন্থন চাবলৈ গৈছিল বুলিও ইতিহাসে নকয়। আনকি সেই সময়ত মানৱ জাতিৰ উদ্ভৱ হৈছিল বুলিও জনা নাযায়।

আমাৰ দেশত বহু দেৱতাৰ অৱতাৰ অৰ্থাৎ মানৱ ৰূপে এই পৃথিৱীলৈ অহাৰ কাহিনী আছে। কোনো কোনো ক্ষেত্ৰত দেৱতাৰ পৰা মানৱ মাতৃৰ গৰ্ভত যথা কৰ্ণ, যুধিষ্ঠিৰ, ভীম আদিৰ জন্ম হোৱাৰ কথাও শুনা যায়। কিন্তু, কোনো দেৱতাই অমৃত কেনেকুৱা কাকো ভাঙি পাতি কোৱাৰ উল্লেখ নাই। সেয়ে এটা কথা খাতাংকৈ ক'ব পাৰি যে মানুহে অমৃতৰ কথা জানিব পৰাৰ কোনো উৎস নাই। আনকি অমৃতৰ খবৰ সেই দেৱতাসকলৰ পৰা বংশগত হিচাপে আহিছে বুলিও দাবী কৰিবৰ থল নাই। আচৰিত কথা অমৃত মন্থনৰ সময়ত উপস্থিত থকা খোদ অসুৰেই ইয়াৰ বিষয়ে একো জানিব নোৱাৰিলে। কেনেবাকৈ যদি সেই সময়ত মানুহৰ কোনোবা 'ৰিপ্ৰেজেনটেটিভ' নাইবা দৰ্শক থকাহেঁতেন অমৃত দেখিছেই বুলি দাবী কৰিব পাৰিলেহেঁতেন। এনেয়ে কোনোবাই চাই আছিল বুলি ধৰি ল'লেও পোনপটীয়াকৈ লাগি থকা পাৰ্টিকে খাবলৈ দিয়া নাই; তাক আৰু এইকণ অমৃত তয়ো চেলেকি চা বুলি দিব বুলি ভবাৰো থল নাই।

গতিকে মহাভাৰতৰ কথা যিমানেই সুন্দৰ নহওঁক তাক কি সাহসেৰে আমি অমৃতৰ লগত তুলনা কৰিব পাৰো? আনহাতে, মহাভাৰতৰ কথাখিনি ভায়েকহঁতৰ মাজত হোৱা ৰণ, ভায়েকে ককায়েকক নাইবা ককায়েকে ভায়েকক হত্যা কৰাটো যদি অমৃতৰ নিচিনা হয় তেন্তে নিশ্চয় অমৃত বৰ সাংঘাতিক বস্তু হ'ব।

এনে 'সন্দেহ' সদায় অব্যয়— শেষো নয়, উদ্ভৱো নাই।

দৈনিক অগ্ৰদূত
গুৱাহাটী, ২২ আগষ্ট শনিবাৰ, ২০২০ পৃষ্ঠা ৫

**আধুনিক বিজ্ঞানে বিশ্বব্ৰহ্মাণ্ডৰ বিশালতাৰ কিছু আভাস পাইছে, ইয়াৰ সম্পূৰ্ণ বিস্তৃতিৰ বিষয়ে জনাটো প্ৰায় অসম্ভৱৰ দৰেই বুলিও বিজ্ঞানে অনুভৱ কৰিছে। একৰ পিঠিত আশীটামান শূন্য দিলে যিটো সংখ্যা পোৱা যাব, প্ৰায় সিমান সংখ্যাৰ নক্ষত্ৰ বিশ্ব ব্ৰহ্মাণ্ডত আছে বুলি বিজ্ঞানে জানে। এই সংখ্যা সময়ৰ লগে লগে বাঢ়ি গৈয়েই থাকিব।**





# মহাকাব্যৰ ভগৱান আৰু কাহিনীৰ বিচিত্ৰতা

## ক্ষত্ৰিয়সকলৰ মুখৰ কথা মধুৰ, কিন্তু হৃদয় কঠিন





অন্তৰ্দৃষ্টি

ড° খৰ্গেশ্বৰ ভূঞা

অযোধ্যাৰ ৰাম জনমভূমি বুলি বিশ্বাস কৰা স্থানত ৰাম মন্দিৰৰ আধাৰশিলা স্থাপন কৰা আৰু এই মন্দিৰৰ আৰাধ্য দেৱতাই ভাৰতীয় ঐক্যৰ নব জাগৰণ আনিব বুলি ধাৰণা সৃষ্টিৰ চমকাৰী চেষ্টাৰ পৰিপ্ৰেক্ষিতত মহাকাব্য ৰামায়ণ, লগতে মহাভাৰতৰ কথাবোৰো প্ৰাসংগিক হৈ পৰিল। পৃথিৱীৰ সবাতোকৈ প্ৰাচীন মহাকাব্য নহ'লেও ৰামায়ণ-মহাভাৰতৰ সাৰ্বজনীনতা বেছি আৰু আকাৰো বৃহৎ। এই বৃহৎ মহাকাব্য দুখনক পৃথিৱীৰ সবাতোকৈ আলোচিত গ্ৰন্থৰ ভিতৰৰে অন্যতম বুলি ক'ব পাৰি। মহাকাব্য হ'লেও ইয়াৰ নায়ক-নায়িকাসকল বাস্তৱ নে কল্পনাৰ, ইয়াত বৰ্ণিত কাহিনীবোৰ কিমান সঁচা, কিমান কাল্পনিক, এই ঘটনাবোৰ ঘটিছিল যদি কেতিয়া ঘটিছিল, একোটা কাহিনীৰে বিচিত্ৰৰূপ থকাৰ মাজতে ইয়াৰ ভিতৰৰ কোনটো কাহিনী আচল আৰু কোনবোৰ পাছত প্ৰক্ষিপ্ত এনেবোৰ কথা লৈ কেবল ভাৰতীয়ৰে নহয়, পৃথিৱীৰ বিভিন্ন দেশৰ পণ্ডিতেও আলোচনা কৰিছে। পণ্ডিতী আলোচনাৰ লগতে বৃহৎ এচাম মানুহৰ বিশ্বাসৰ কথাটোও অতিকৈ গুৰুত্বপূৰ্ণ।

জনবিশ্বাসৰ পৰিপ্ৰেক্ষিতত সবাতোকৈ লক্ষ্যণীয় কথাটো হ'ল—মহাকাব্য দুখনৰ আধাৰত দুজন আৰাধ্য দেৱতাৰ আত্মপ্ৰকাশ— যি দুজনক বিশ্বব্ৰহ্মাণ্ড সৃষ্টিকৰ্তা, সৰ্ববিৰাজমান, সৰ্বশক্তিমান ৰূপেও কল্পনা কৰা হৈছে। ৰামায়ণৰ নায়ক ৰাম হৈছে এচামৰ বাবে ভগৱান, আন এচামৰ বাবে মহাভাৰতৰ সূত্ৰধাৰৰূপে স্বীকৃত শ্ৰীকৃষ্ণ হৈছে ভগৱান। দুয়োজনকে একাকাৰ কৰিবৰ বাবে কোৱা হৈছে যে তেওঁলোক পৰমেশ্বৰ বিষ্ণুৰ একোটা অৱতাৰ, নৰলীলা কৰিবৰ বাবে মনুষ্যৰূপে পৃথিৱীত অৱতীৰ্ণ হৈছে বা অৱতাৰ গ্ৰহণ কৰিছে।

আধুনিক বিজ্ঞানে বিশ্বব্ৰহ্মাণ্ডৰ বিশালতাৰ কিছু আভাস পাইছে, ইয়াৰ সম্পূৰ্ণ বিস্তৃতিৰ বিষয়ে জনাটো প্ৰায় অসম্ভৱৰ দৰেই বুলিও বিজ্ঞানে অনুভৱ কৰিছে। একৰ পিঠিত আশীটামান শূন্য দিলে যিটো সংখ্যা পোৱা যাব, প্ৰায় সিমান সংখ্যাৰ নক্ষত্ৰ বিশ্ব ব্ৰহ্মাণ্ডত আছে বুলি বিজ্ঞানে জানে। এই সংখ্যা সময়ৰ লগে লগে বাঢ়ি গৈয়েই থাকিব। নক্ষত্ৰৰ লগতে আন অসংখ্য জ্ঞাত-অজ্ঞাত বস্তুও বিশ্বব্ৰহ্মাণ্ডত আছে। সেইবোৰৰ হিচাপ নলৈ কৈ থ'ব পাৰি যে বিশ্বব্ৰহ্মাণ্ডৰ বিস্তৃতিৰ তুলনাত আমাৰ পৃথিৱীখন ক্ষুদ্ৰ ধূলিকণা এটাৰ সমানে নহয়। বিশ্বব্ৰহ্মাণ্ডখন সৃষ্টি হোৱা ১৪০০ কোটি বছৰমান (এহেজাৰৰ পৰা দুহেজাৰ কোটিৰ মাজত) হৈছে বুলি বিজ্ঞানে ভাবে। ইয়াৰ ভিতৰত পৃথিৱী সৃষ্টিৰ সময় প্ৰায় ৫০০ কোটি বছৰ, জীৱ সৃষ্টি প্ৰায় ২০০ কোটি বছৰ, মানুহ সৃষ্টিৰ সময় দুই লাখ বছৰমান আৰু মানুহে লিখা-পঢ়া জনাৰ সময় কেইহেজাৰমান বছৰহে হৈছে। যদি বিশ্বব্ৰহ্মাণ্ড সৃষ্টি হোৱাৰ সময় এদিন বুলি ধৰা যায় তেন্তে, মানুহ সৃষ্টিৰ সময় এক ছেকেণ্ডহে হোৱা বুলি ধৰিব পাৰি। বিশ্বব্ৰহ্মাণ্ড সৃষ্টি কৰোঁতাই পৃথিৱীৰ কেইজনমান দুষ্টক হত্যা বা দমন কৰিবৰ বাবে ধূলিকণাতকৈও ক্ষুদ্ৰ পৃথিৱীৰ তেনেই ক্ষুদ্ৰ অংশ অযোধ্যা বা মথুৰাত কিয় জন্ম ল'বহি লাগে বুলি প্ৰশ্ন উঠিবই পাৰে। সৰ্বশক্তিমান ঈশ্বৰৰ বাবে অনেক কষ্টেৰে কেইটামান ৰাক্ষস, অসুৰ, দানৱক হত্যা কৰিবলৈ মানুহ হিচাপে জন্ম লোৱাটো নিৰৰ্থক, কাৰণ ঈশ্বৰে ইচ্ছা কৰিলেই যাকে-তাকে ধ্বংস কৰিব পাৰে। এইবোৰ যুক্তি ঈশ্বৰ বিশ্বাসীৰ বাবে অৱশ্যে মূল্যহীন।

বিশ্বব্ৰহ্মাণ্ডৰ বিস্তৃতিৰ লগত পৃথিৱীৰ তুলনামূলক অৱস্থিতি, পৃথিৱী তথা মানুহৰ ক্ষুদ্ৰতা ধৰণৰ কথাবোৰৰ সাধাৰণ লোকে বৰকৈ অনুভৱ নকৰে বাবে বিশ্বব্ৰহ্মাণ্ড সৃষ্টিকৰ্তাই আহি অযোধ্যাত ৰামৰূপে বা মথুৰাত কৃষ্ণৰূপে জন্ম লোৱা কথা বিশ্বাস কৰিবই পাৰে। পিছে প্ৰধানমন্ত্ৰীৰ দৰে গুণী-জ্ঞানী লোকে তেনে বিশ্বাস কৰিলে আৰু ভগৱান ৰামৰ বাবে জন্মস্থান বুলি ভবা ঠাইত মন্দিৰ এটা সজাতো ডাঙৰ কৃতিত্বৰ কথা বুলি ধৰিলে যুক্তিবাদীসকল হতাশ হৈ পৰে। অৱশ্যে ঈশ্বৰ যোগেদি ৰামভক্তসকলক ৰাজনীতিৰ মেৰপেচত বন্ধাটো সহজ হৈ পৰে। ভাৰতীয় পৰম্পৰাত হাত দুখন জপাই নমস্কাৰ ভংগী কৰা, মূৰৰ ওপৰত হাত জপাই নমস্কাৰ, কপালত হাত দুখন দি নমস্কাৰ, বুকুত নি নমস্কাৰ, আঁঠু কাঢ়ি নমস্কাৰ, আঁঠু কাঢ়ি মূৰ দোৱাই সেৱা কৰা আৰু শৰীৰ সাষ্টাংগে প্ৰণিপাত কৰাৰ বিশেষ বিশেষ অৰ্থ আছে। এনে পৰিপ্ৰেক্ষিতত আমাৰ প্ৰধানমন্ত্ৰীয়ে ৰামৰ সন্মুখত সাষ্টাংগে প্ৰণিপাত কৰাটো বিশেষ অৰ্থ বহনকাৰী— যিটো অৰ্থ ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰৰ বাবে স্বস্তিৰ কথা নহয়।

সি যি কি নহওক, ক'বলৈ বিচৰা হৈছিল মহাকাব্য দুখনৰ বিস্তৃতিৰ কথাহে। মূল বুলি ভবা বাল্মীকি ৰামায়ণৰ লগতে ভাৰতত প্ৰান্তীয় ভাষাবোৰৰ বিভিন্ন ৰামায়ণ চলে। দাক্ষিণাত্যৰ তামিল ৰামায়ণৰ পাছতে প্ৰান্তীয় ৰামায়ণৰ ক্ষেত্ৰত অসমীয়াৰ মাধৱ কন্দলিৰ ৰামায়ণক স্থান দিব পাৰি। দেশে-বিদেশেও ৰামায়ণৰ বিভিন্ন সংস্কৰণ চলে। এইবোৰ ৰামায়ণৰ যোগেৰে ৰামক মহান মানৱ হিচাপে দেখুৱাব যেনেকৈ পাৰি, তেনেদৰে উপাস্য দেৱতা ভগৱান হিচাপেও গণ্য কৰিব পাৰি। একেদৰে ৰামক স্ত্ৰী নিৰ্যাতনকাৰী ব্ৰাহ্মণ্যবাদ তথা উচ্চ বৰ্ণৰ ৰক্ষক, মিথ্যাবাদী, গুপ্তহত্যাকাৰী, অহংকাৰী ব্যক্তি ৰূপেও দেখুৱাব পাৰি। অৱশ্যে ভাৰতৰ অগণন হিন্দু শাস্ত্ৰৰ লক্ষণেই তেনেকুৱা। এজন বিশেষ ব্যক্তি বা চৰিত্ৰক পূজ্য দেৱতা, গুণৰ আকৰ হিচাপে যেনেকৈ প্ৰতিভা কৰিব পাৰি, তেনেকৈ একেজন ব্যক্তিকে ব্যভিচাৰী, অত্যাচাৰী ধৰণৰ দোষৰ ভাণ্ডাৰ বুলিও দেখুৱাব পাৰি। হিন্দীৰ তুলসী দাসৰ ৰামায়ণত ৰামে বনত থাকোতে তুলসী গছ ৰুই তাতে সদায় পূজা-সেৱা কৰিছিল। ঋষি-মুনিৰ আশ্ৰমে আশ্ৰমে ঘূৰি শাস্ত্ৰ কথা শুনিছিল, বনৰ ফল-মূল খাই জীৱন-যাপন কৰিছিল— মুঠতে সাত্ত্বিক ভাবেৰে ৰামে কাল কটাইছিল। ইয়াৰ বিপৰীতে বাল্মীকি ৰামায়ণৰ ৰামে বনত অস্ত্ৰৰ অভ্যাস কৰিছিল অসুৰ, ৰাক্ষস আদি বধ কৰিছিল। হৰিণ, গাহৰি আদি বিধে বিধে জন্তু মাৰি খাইছিল। সীতাৰ হৰণ হওঁতে পত্নীৰ লগত কটোৱা নিবিড় মুহূৰ্তৰ কথা সুঁৱৰি কন্দা-কটা কৰিছিল ইত্যাদি।

ৰামায়ণৰ ক্ষেত্ৰত পাছৰ কালৰ প্ৰক্ষিপ্তকৰণৰ সমস্যা কম, কিন্তু বিভিন্ন লিখকৰ নিজা ধাৰণাৰ ৰামায়ণৰ সংখ্যা ঢেৰ। যিবোৰৰ কাহিনীত যথেষ্ট পাৰ্থক্য আছে। তথাপিও মূল বুলি বিশ্বাস কৰা এখন 'বাল্মীকি ৰামায়ণ' আছে। ইয়াৰ লগতে আছে যোগ বশিষ্ঠ ৰামায়ণ, আধ্যাত্ম ৰামায়ণ, অদ্ভুত ৰামায়ণ ইত্যাদি। বাল্মীকি ৰামায়ণত শ্লোকবোৰ মোটামুটি নিৰ্দিষ্ট, সেয়েহে পাছৰ কালত অন্য লিখকে নতুনকৈ কিছুমান শ্লোক উদ্দেশ্য প্ৰণোদিতভাৱে সন্নিৱিষ্ট কৰাৰ সম্ভাৱনা কম। ইয়াৰ বিপৰীতে মহাভাৰত এই বিষয়ত অতিকৈ অনন্য। সাধাৰণভাৱে কোৱা হয় যে প্ৰথমে মহাভাৰত লিখা হৈছিল 'জয়' কাব্য নামেৰে দহ হেজাৰ শ্লোকেৰে। পাছত ইয়াত আৰু ২৫ হেজাৰমান শ্লোক যোগ হৈ 'ভাৰত কথা' নাম ল'লে। লাহে লাহে 'ভাৰত কথা'ত নতুন ব্যাসৰ হাতত পৰি নতুন শ্লোকৰ সংযোজন হৈ কাব্যখনে এক লাখ শ্লোকৰ বিশাল মহাভাৰতৰ ৰূপ ল'লেগৈ। পিছে বৰ্তমানৰ প্ৰচলিত মহাভাৰতত সিমানখিনি শ্লোক নাই বাবে কৃষ্ণৰ চৰিত্ৰ থকা 'হৰিবংশ'খনকো খিল (পৰিশিষ্ট) হিচাপে মহাভাৰতত যোগ দিয়া হ'ল। এনে কৰিলে আকৌ শ্লোকৰ সংখ্যা একলাখতকৈ দুহেজাৰমান বেছি হয়। শ্লোকৰ সংখ্যা হিচাপৰ গোলমালবোৰ বাদ দিলেও এটা কথা নিশ্চিত যে মহাভাৰতৰ মূল কাহিনীৰ লগত পাছৰ কালত বহুতো শ্লোকৰ সংযোগ ঘটিছিল বিভিন্ন উদ্দেশ্যৰে পিছে সমস্যাৰ কথাটো হ'ল— কোনবোৰ শ্লোক মূলৰ আৰু কোনবোৰ শ্লোক পাছৰ প্ৰক্ষিপ্ত কৰা হৈছিল সেয়া নিৰ্ণয় কৰা প্ৰায় অসম্ভৱ।

একোটা বিশেষ উদ্দেশ্য সাধনত সহায় কৰা একোটা শ্লোক, সেই বিষয়ে বিশ্বাস কৰা পণ্ডিতে মূলৰ বুলি ভাবে, বিষয়টো বিশ্বাক নকৰাজনে একেটা শ্লোকহে প্ৰক্ষিপ্ত বুলি কয়। দ্ৰৌপদীৰ বস্ত্ৰহৰণক বিশ্বাস কৰাসকলে দ্ৰৌপদীয়ে কৃষ্ণক স্তুতি কৰা আৰু কৃষ্ণই আহি বস্ত্ৰ যোগান ধৰা শ্লোকক মূলৰ বুলি ভাবে। আনহাতে, মহাভাৰতে বাৰে বাৰে কৃষ্ণৰ মুখেৰে কোৱা হৈছে যে তেওঁ শাল্বৰ লগত যুদ্ধত ব্যস্ত থকাৰ বাবে পাশা খেল বাধা দিব নোৱাৰিলে। কৃষ্ণই বনত গৈ দ্ৰৌপদীৰ ওচৰত দুখ প্ৰকাশ কৰিছে— তেওঁ গম নোপোৱা বাবেই দ্ৰৌপদীৰ লটিঘটি (বস্ত্ৰহৰণ নহয়) হ'ল। গতিকে দ্ৰৌপদীৰ বস্ত্ৰহৰণত কৃষ্ণই বস্ত্ৰৰ যোগান দিয়া শ্লোকবোৰ পাছৰ কালৰ প্ৰক্ষিপ্তকৰণ। ইয়াকে লৈও বিতৰ্ক আছে।

কোনো বিতৰ্ক নোহোৱাকৈ পাছৰ কালৰ প্ৰক্ষিপ্তকৰণ বুলি ক'বগৈ এটা কাহিনী মহাভাৰতৰ পৰা লোৱা যাওক। কাহিনীটোত বৌদ্ধ ধৰ্মৰ অনুগামীৰ সম্পৰ্ক আছে। মহাভাৰতৰ যুদ্ধ কেতিয়া হৈছিল সেই লৈ নানা যুক্তি যুদ্ধ আছে। খ্ৰীঃপূঃ ৩১০২ৰ পৰা খ্ৰীঃপূঃ ৯০০ৰ ভিতৰত দুহেজাৰ বছৰৰো অধিক সময়ৰ কমেও ১৫টা মান তাৰিখৰ সপক্ষে যুক্তি আগবঢ়োৱা হয়। ইয়াৰে খ্ৰীঃ পূঃ ১৪০০ মানৰ সময়টোৰ সপক্ষে জোৰ বেছি। সেইদৰে ৰামায়ণৰ কাল খ্ৰীঃপূঃ ২২০০ৰ পৰা খ্ৰীঃপূঃ ১৯০০ ৰ ভিতৰতে হ'ব বুলি বহুতে মত দিয়ে। আনহাতে বুদ্ধদেৱৰ ঐতিহাসিক কালৰ মানুহ আনুমানিক খ্ৰীঃপূঃ ৫৬৩ মানৰ। সেয়েহে বুদ্ধদেৱৰ আৰু বৌদ্ধসকলৰ অস্তিত্ব ৰামায়ণ-মহাভাৰতৰ কালত থকাৰ কথা নহয়। পিছে বৌদ্ধ ধৰ্মই যেতিয়া হিন্দু ধৰ্মৰ ভেঁটি কঁপাই তুলিলে, তেতিয়া শংকৰাচাৰ্য প্ৰমুখ্যে ব্ৰাহ্মণ্যবাদী নেতাসকলে বুদ্ধক হীন হিচাপে দেখুৱাবলৈ নানা উপায় উলিয়ালে। ৰামায়ণ-মহাভাৰততো বৌদ্ধ ধৰ্মৰ উপস্থিতি সুমুৱালে। ৰামে বুদ্ধক চোৰ বুলিও ক'লে।

ক'ব খোজা মহাভাৰতত থকা কাহিনীটোত বৌদ্ধৰ সম্পৰ্ক তেনেই গৌণভাৱেহে আছে যদিও ইয়াৰ আন কিছু তাৎপৰ্য আছে বাবে গোটেই কাহিনীটোৰেই বিকৃত কৰা যাওক। মহাভাৰতৰ কাহিনী প্ৰথম কথিত হৈছিল বৈশম্পায়নৰ দ্বাৰা জন্মেজয়ৰ ৰাজসভাত য'ত স্বয়ং ব্যাসদেৱো উপস্থিত আছিল। অৰ্জুনৰ নাতি পৰীক্ষিতৰ পুত্ৰ জন্মেজয়, পৰীক্ষিতক তক্ষক নাগে দংশন কৰি হত্যা কৰাৰ প্ৰতিশোধস্বৰূপে সৰ্পযজ্ঞ পাতি জন্মেজয়ে সৰ্প ধ্বংস কৰিছিল। মহামুনি আস্তিকৰ মধ্যস্থতাত সৰ্পযজ্ঞ বন্ধ হ'ল আৰু বাকী থকা সাপবোৰ বাচিল। এইখিনি কাহিনীৰ বাস্তৱতা বিচাৰ সদ্যহতে বাদ দিয়া হৈছে।

মহাভাৰতৰ দ্বিতীয় কথক হৈছে লোমহৰ্ষণ বা ৰোমহৰ্ষণ। তেওঁৰ আচল নাম লুপ্ত হৈছিল, কাৰণ এইজন সূতে প্ৰাচীন কাহিনী ইমান সুন্দৰভাৱে ক'ব পাৰিছিল যে শ্ৰোতাৰ নোম থিয় হৈ গৈছিল। সেয়েহে সূতৰ নামটো হ'লগৈ লোমহৰ্ষণ। এইজনৰ পুত্ৰ হৈছে উগ্ৰশ্ৰবা সৌতি বা সূতপুত্ৰ উগ্ৰশ্ৰবা। বিখ্যাত নৈমিষাৰণ্যত কুলপাতি শৌনকে নিজৰ আশ্ৰমত ১২ বছৰ ধৰি যজ্ঞ কৰিছিল। এই অৰণ্যত শুকমণিয়ে পৰীক্ষিতৰ আগত ভাগৱত শুনাইছিল। শৌনকৰ যজ্ঞত ব্যস্ত থকা পুৰোহিতসকলে আজৰি পৰত উগ্ৰশ্ৰবাৰ পৰা মহাভাৰত শুনিব বিচাৰিলে শৌনকে উগ্ৰশ্ৰবাৰ কাহিনী কোৱাৰ ক্ষমতা আছেনে নাই পৰীক্ষা কৰিবলৈ কিছু কাহিনী শুনাবলৈ ক'লে। উগ্ৰশ্ৰবাই কুকুৰৰ কাহিনী, বেদ-উপনিষদৰ কাহিনী আমাক শুনোৱাৰ পাছত আৰম্ভ কৰিলে উতংকৰ কাহিনী।

পাছলৈ মহামুনি হোৱা উতংকৰ দুজন হৰি ভকত হৈছে ৰাজপুত্ৰদ্বয় জন্মেজয় আৰু পৌষ্য। তেওঁলোকৰ গুৰুৰ নাম বেদ। বেদৰ নিজৰ শিক্ষাকালৰ হৰিভকত আছিল আৰুণি আৰু উপমন্যু। তেওঁলোকে গুৰুৰ পৰা বৰ কষ্ট পাইছিল। সেয়েহে বেদে নিজৰ শিষ্যক বৰ মৰমেৰে শিক্ষা দিছিল।

এবাৰ বেদে কিছুদিনৰ বাবে দূৰলৈ যাব লগা হোৱাত তেওঁ উতংকক আশ্ৰম চোৱা-চিতাৰ ভাৰ দিলে। উতংকই বৰ ভালকৈ আশ্ৰমৰ পৰিচালনা কৰিলে। তেনে সময়ত বেদৰ গাভৰু পত্নী ঋতুমতী হ'ল। তেতিয়াৰ দিনত বিবাহিতাই ঋতুমতী হোৱাৰ পাছত ঋতুস্নান কৰিলে সংগমৰ ব্যৱস্থা কৰিব লাগে। এই ক্ষেত্ৰত পৰপুৰুষৰ পৰা মিলন কামনা কৰিলেও অধৰ্ম নহয়, বৰং মিলন কামনা কৰা গৰাকীক প্ৰত্যাখ্যান কৰাটোহে পাপ। বেদৰ পত্নীয়ে উতংকৰ লগত মিলিত হ'বলৈ বিচাৰিলে। কিন্তু পাপ হ'লেও উতংকই প্ৰত্যাখ্যান কৰিলে।

বাহিৰৰ পৰা ঘূৰি আহি বেদে ঘটনাটোৰ কথা শুনিলে আৰু উতংকই গুৰুক বিশ্বাসঘাতকতা নকৰাৰ বাবে বৰ সন্তুষ্ট হ'ল। সেয়েহে অতি আন্তৰিকতাৰে শিক্ষা দিয়াৰ ফলত উতংক সকলো বিদ্যাতে পাৰ্গত হৈ স্নাতক হ'ল। সোনকালে শিক্ষা সমাপ্ত হোৱাৰ বাবে উতংকইও গদ গদ হৈ গুৰুদক্ষিণা দিব বিচাৰিলে। পিছে গুৰুৱে জানে জন্মেজয় আৰু পৌষ্যৰ দৰে ৰাজকুমাৰৰ বাবে গুৰুদক্ষিণা দিয়াটো অসুবিধাৰ কথা নহয় যদিও উতংকৰ দৰে দুখীয়া ব্ৰাহ্মণে গুৰুদক্ষিণাৰ বাবে বহু কষ্ট কৰিব লাগিব। সেয়েহে বেদে কোনো গুৰুদক্ষিণা ল'ব নিবিচাৰিলে। উতংকও নাচোৰবান্দা, দক্ষিণা নিদিয়াকৈ তেওঁ গুৰুগৃহ ত্যাগ নকৰে। বহুদিন তেনেকৈ যোৱাত বেদে বাধ্য হৈ শিষ্যক ক'লে— 'ঠিক আছে, তুমি মোৰ পত্নীক সোধাগৈ, তেওঁ যি বিচাৰে দিলেই হ'ব।'

'প্ৰাচীন কালত নাৰীৰ সন্মান কম আছিল, ব্ৰাহ্মণে পত্নীৰ সুখ-দুখৰ কথা নাভাবে—' এনেদৰে কোৱাসকলক পণ্ডিতসকলে এইটো উদাহৰণ দি কয় যে বেদে নিজৰ দক্ষিণাৰ অধিকাৰ ত্যাগ কৰি পত্নীৰ সুখৰ কথাহে চিন্তা কৰিছে, গতিকে পুৰুষে নাৰীৰ কথা চিন্তা নকৰে বোলাটো শুদ্ধ এয়া। এনে উদাহৰণ শাস্ত্ৰত বহুত আছে।

গুৰুপত্নীয়ে উতংকক ক'লে যে বেদ শিষ্য পৌষ্যৰ পত্নীৰ কাণত এযোৰ সুন্দৰ কুণ্ডল আছে, পাৰিলে সেই দুটা আনি দিব লাগে। পৌষ্যৰ ৰাজ্যলৈ যোৱাটো উতংকৰ বাবে কষ্টকৰ আছিল যদিও উতংক যেনেতেনে ৰজাৰ ওচৰ পালেগৈ। পৌষ্যই হৰিভকতক দেখি ভালদৰে আপ্যায়ন কৰিলে আৰু অহাৰ কাৰণ সুধিলে, লগতে কিছু ধন-সোণো বন্ধুক দিব বিচাৰিলে। পিছে উতংকই ক'লে যে তেওঁক অন্য একো নাপালেও ৰাণীৰ কাণৰ কুণ্ডল যোৰহে লাগে।

ৰজাই ক'লে— 'চোৱা বন্ধু! মোৰ ৰাজভঁৰালত থকা যিকোনো বস্তুকেই মই বিনাদ্বিধাই তোমাক দিব পাৰো, কিন্তু পত্নীৰ সম্পদৰ মোৰ কোনো অধিকাৰ নাই। গতিকে তুমি কুণ্ডল লাগে যদি মোৰ পত্নীক খুজিবগৈ লাগিব।

পত্নীৰ সম্পদত পতিৰ অধিকাৰ নথকা কথাটোৱেও প্ৰাচীন কালৰ নাৰী স্বাধীনতাৰ আভাস দিয়ে। মনুসংহিতা আৰু কৌটিল্যৰ অৰ্থশাস্ত্ৰইও কোনো পুৰুষকে পত্নীৰ সম্পদ ব্যৱহাৰৰ অনুমতি দিয়া নাই। উতংক ৰাণীৰ ওচৰলৈ গ'ল। তেওঁ লগতে ক'লে—

'চাওক এই কুণ্ডল দুটাৰ ওপৰত নাগৰাজ তক্ষকৰ খুব লোভ আছে, সেয়েহে আপুনি ঘূৰি যাওঁতে খুব সাৱধানে যাব।'

উতংকই কথাটো শলাগি ৰজাৰ ওচৰলৈ গ'ল আৰু বিদায় মাগিলে। পৌষ্যই ক'লে— 'প্ৰথমবাৰৰ বাবে আহিছা, কিবা এটা খাই যোৱা।' উতংকই ক'লে—'মোৰ বৰ লৰালৰি আছে, সেয়েহে খাদ্য বস্তু যি আছে, যেনেকৈয়ে আছে, তাকে আনি দিয়া।'

ৰজাই সেইমতেই দাসীক আদেশ দিলে, দাসীয়েও খাদ্য আনি দিলে—কৰ্কৰা ভাত, ঠাণ্ডা আঞ্জা, ভাতত এডাল চুলিও পৰি আছিল। উতংকৰ বাৰুকৈয়ে ভোক লাগিছিল, সেয়েহে বৰ আগ্ৰহেৰে খাবলৈ বহিল, পিছে ঠাণ্ডা ভাত আৰু ব্যঞ্জন তাৰ ওপৰত ছিগা চুলি দেখি উতংকৰ বৰ খং উঠিল। ৰজাই ভাতৰ ওপৰত চুলি দেখিও তেনেদৰে খাবলৈ দিয়াত উতংকই খঙত অভিশাপ দিলে—'ৰজা অন্ধ হৈ যাওক।' ৰজাই কথাটো শুনি ভাবিলে— বন্ধুৰ খৰখেদা আছিল, সেয়েহে ৰজাই দাসীক তেনেকৈয়ে আদেশ দিলে। দাসীয়েও দৌৰাদৌৰিকৈ খাদ্য দিওঁতে মেলা চুলিৰ পৰা এডাল চুলি পৰিল, সেই বাবেইনো অন্ধ হোৱাৰ অভিশাপ দিয়েনে? ৰজাইও সৎ জীৱন-যাপন কৰিছিল। কৰ্তব্য পৰায়ণ আছিল তেওঁ। সেয়েহে তেওঁৰো আছিল অভিশাপ দিয়াৰ শক্তি। তেওঁ ওলোটাই উতংকক অভিশাপ দিলে—'তুমি নিৰ্বংশ হ'বা।' দোষ দুয়োজনৰেই আছিল। পিছে ডাঙৰ অভিশাপ পাব পৰাকৈ দোষ এজনৰো নাছিল।

ৰজাই উতংকক অনুৰোধ কৰিলে— অভিশাপটো উঠাই ল'বলৈ উতংকই ক'লে যে এবাৰ দিয়া অভিশাপ ঘূৰাই ল'ব নোৱাৰি। তথাপি ৰজা এবাৰলৈ অন্ধ হৈ পাছত পুনৰ চকুৰে দেখিব। এইবাৰ উতংকই ৰজাক অনুৰোধ কৰিলে নিৰ্বংশ হোৱাৰ অভিযোগ উঠাই ল'বলৈ। পিছে, ৰজাই ক'লে— 'ব্ৰাহ্মণে যেনেকৈ সহজে খং উঠি অভিশাপ দিয়ে, তেনেদৰে খাতিৰ-বাতিৰ কৰিলে দয়াপৰবশ হৈ ৰেহাইও দিয়ে। পিছে আমি ক্ষত্ৰিয়সকলৰ মুখৰ কথা মধুৰ, কিন্তু হৃদয় কঠিন। আমি অভিশাপ দিলে কেতিয়াও ঘূৰাই নলওঁ।'

ব্ৰাহ্মণ-ক্ষত্ৰিয়ৰ স্বভাৱৰ পাৰ্থক্য এই কাহিনীৰ যোগেদি দেখুওৱা হৈছে। উতংকক দিয়া অপৰিষ্কাৰ খাদ্য সম্পৰ্কেও তৈত্তিৰীয় উপনিষদৰ বাক্য মনত পেলাব পাৰি— কাৰোবাক যদি কিবা দিয়া হয়, তেন্তে দাতাৰ থাকিব লাগিব 'হ্ৰী, শ্ৰী আৰু শ্ৰদ্ধা।'

উতংকই ৰজাৰ পৰা বিদায় লৈ ঘূৰি যাবলৈ ধৰিলে। তেওঁ দেখিলে এজন উলংগ বৌদ্ধ সন্ন্যাসীয়ে তেওঁৰ পিছ লৈছে মাজে মাজে উতংকই সন্ন্যাসীক দেখা পায়, মাজে মাজে নাপায়। এবাৰ বহু সময়লৈ অনুসৰণকাৰীক দেখা নোপোৱা হোৱাত উতংকই কুণ্ডল দুডাল পাৰত থৈ পুখুৰীত গা-ধুবলৈ নামিল। সেই ছলতে নগ্ন ক্ষপনকে কুণ্ডল দুডাল লৈ পলাল। উতংকই তেওঁৰ পাছ লৈ এসময়ত ধৰি পেলালে বৌদ্ধ সন্ন্যাসীৰ হাতত ধৰাৰ লগে লগে তেওঁ হৈ পৰিল তক্ষক সাপ আৰু হাত পিছলি তক্ষক গাতত সুমাই পাতাল পালেগৈ। উতংকই তক্ষকৰ পিছে গৈ পাতালত নাগৰাজ্য দেখি অবাক হ'ল। ডাঙৰ ডাঙৰ কে'বামহলীয়া অট্টালিকা, সুন্দৰ মন্দিৰ, প্ৰশস্ত ৰাজপথ, মনোৰম বাগিচা, সুশোভিত কমল সৰোবৰ আৰু বহুত। কিবাকিবি ।

কাহিনী দীঘলীয়া নকৰি কৈ থ'ব পাৰি যে তক্ষকে উতংকৰ কুণ্ডল দুডাল ঘূৰাই দিলে যদিও উতংকই হস্তিনাপুৰলৈ গৈ তক্ষকৰ বিৰুদ্ধে জন্মজয়ৰ ওচৰত অভিযোগ দিলে। জন্মেজয়ে সেই সময়ত তক্ষশীলা জয় কৰি আহিছিল। তক্ষশীলা তক্ষক নাগ প্ৰভাৱিত ৰাজ্য, সেইদৰে তক্ষশীলাত বৌদ্ধৰ প্ৰভাৱ পৰিছিল পিছৰ কালত। সেয়েহে পাণ্ডৱ বংশৰ লগত দীঘলীয়া কাললৈ শত্ৰুতা কৰা তক্ষকক বৌদ্ধ সন্ন্যাসীৰ ৰূপত দেখুওৱা হৈছিল।

অৰ্জুনৰ পৰিনাতি জন্মেজয়ৰ দিনত বৌদ্ধ সন্ন্যাসী ক্ষপনক থকাৰ কথা নহয়। এনে ঘটনা দেখদেখকৈ প্ৰক্ষিপ্তকৰণৰ ফল। এনে কাহিনী মহাভাৰতত আৰু আছে। ৰামায়ণতো বৌদ্ধধৰ্মীয়ৰ অৱস্থিতি দেখুওৱা হৈছে। বৌদ্ধ ধৰ্মই অশোকৰ পৃষ্ঠপোষকতাত ভাৰতত (লগতে বিদেশতো) বিস্তাৰ লাভ কৰিছিল। নিৰীশ্বৰবাদী বৌদ্ধধৰ্মৰ প্ৰৱৰ্তক বুদ্ধদেৱৰ বিৰুদ্ধে বিন্দু ধৰ্মৰ নেতাসকল ভালকৈয়ে যুদ্ধত অৱতীৰ্ণ হৈছিল আৰু এসময়ত এই ধৰ্মক ভাৰতৰ পৰা বিদায় দিয়া হৈছিল। আনহাতে এচামে বুদ্ধক ভগৱান বিষ্ণুৰ অৱতাৰ সজাই পেলাইছিল। একেদৰেই ৰামো হৈছিল বিষ্ণুৰেই অৱতাৰ।

ফোন : ৮১৩৫৮৩৫২১৯

# দুইগজ কবৰৰ মাটিৰ বাবে হাহাকাৰ কৰা বাহাদুৰ শ্বাহ জাফৰ

চাহাবুদ্দিন আহমেদ

'দিন জিন্দেগী কে/খতম হুৱে শাম হো গয়ী/ ফেইলা কে পাও চুয়েগী/কশ্চদ-ই মাজাৰ মে/ কিতনা হ্যায় বদ নচীব/দফনকেলিয়ে দোগজ জমিনভী না মিলি/ কু-ই-ইয়াৰ মে।' সমগ্ৰ হিন্দুস্তানৰ এটা সময়ৰ প্ৰৱল প্ৰতাপী মোগল সাম্ৰাজ্যৰ শেষ সম্ৰাট দ্বিতীয় বাহাদুৰ শ্বাহ জাফৰৰ এই কালোত্তীৰ্ণ গজল বা কবিতা ভাৰতৰ স্বাধীনতা আন্দোলনৰ সময়ত ব্ৰিটিছৰ নিষ্ঠুৰ ইতিহাসলৈ আঙুলিয়াই দিয়ে। সাম্ৰাজ্যবাদী ইংৰাজসকলৰ নিষ্ঠুৰতাৰ বলি হৈ সুদূৰ ম্যানমাৰৰ ৰেংগুনত বন্ধ কোঠালিত নিৰ্বাসিত জীৱন কটাই নিদাৰুণ দুখত এই হৃদয়স্পৰ্শী শ্বায়েৰী লিখিছিল শেষ মোগল সম্ৰাটজনে। ৰেংগুনৰ কাৰাগাৰত আনকি নিষ্ঠুৰ ইংৰাজ শাসকে এজন ৰুচিসম্পন্ন উৰ্দু কবি জাফৰক দিয়া নাছিল কোনো কাগজ-কলম। যাৰ বাবে তেওঁ দেৱালত পোৰা আঙঠাৰে লিখিছিল। নিজৰ কবৰৰ বাবে এই আঙঠাৰে লিখিছিল— 'লগতা নেহী হ্যায় জী/মেৰা উজৰে দয়াৰ মে/কিচকী বণী হ্যায় আলম-ই-না পায়েদাৰ মে/বুল-বুলকো পাচোও চে/না চৈয়াদ চে গিলা/কিচমত মে কাইদ। লিখি থী ফচল ই বাহাৰ মে' শীৰ্ষক দৰদভৰা গজলটোও।

উল্লেখ্য যে জাফৰ আছিল এজন বিখ্যাত উৰ্দু কবি। হিন্দু-মুছলমানৰ সম্প্ৰীতিৰ উৎকৃষ্ট নিদৰ্শন এই শেষ মোগল সম্ৰাটজন আছিল চুফীবাদী। ইষ্ট ইণ্ডিয়া কোম্পানীৰ এজন পেঞ্চনভোগী সম্ৰাট হোৱা হেতুকে তেওঁৰ শাসনকালত ৰাজসভাত ৰাজ শাসনৰ বিশেষ কোনো ধৰণৰ আলোচনা হোৱা নাছিল। সেয়ে ৰাজসভা সুশোভিত কৰিছিল বিশিষ্ট কবি আৰু গজল গায়কসকলে। তেওঁলোকৰ অন্যতম আছিল মিৰ্জা গালিব, দাগং মুমিন আৰু জ'ক। চুফীবাদৰ প্ৰতি থকা আসক্তিৰ কাৰণে তেওঁ 'চুফী পীৰ' বুলি অভিহিত হৈছিল। ৰাজপাটত বহাৰ আগতে ডেকা বয়সতে সাধাৰণ জীৱন-যাপন কৰা জাফৰৰ পোছাক-পৰিচ্ছদো আছিল অতি সাধাৰণ। পৰম্পৰাগত মোগল সম্ৰাটসকলৰ দৰে ৰাজকীয় পোছাক তেওঁ পছন্দ কৰা নাছিল। ১৮৬২ৰ ২৪ অক্টোবৰত জন্মলাভ কৰা জাফৰ দ্বিতীয় আকবৰৰ দ্বিতীয় সন্তান আছিল হিন্দু-মুছলমানৰ প্ৰিয় সম্ৰাট। ধৰ্মনিৰপেক্ষ আৰু উদাৰবাজৰ প্ৰতীক মোগল সাম্ৰাজ্যৰ অন্তিমজন তথা ১৯ সংখ্যক সম্ৰাট জাফৰৰ ৰাজ অভিষেক ঘটিছিল ১৮৩৭ৰ ২৯ ছেপ্টেম্বৰত। এদিন ব্যৱসায় কৰিবলৈ ভাৰতলৈ আহি শাসনৰ বাঘজৰী হাতত লৈ প্ৰবল প্ৰতাপী হৈ পৰা টাইমুৰ বংশৰ বিশাল মোগল সাম্ৰাজ্য দখল কৰা ইষ্ট ইণ্ডিয়া কোম্পানীৰ জাফৰ আছিল বছৰি এক লাখ টকা বেতনভোগী সম্ৰাট। সম্ৰাট দ্বিতীয় শ্বাহ আলম আৰু পিতৃ দ্বিতীয় আকবৰ শ্বাহৰ লেখিয়া কোম্পানীৰ বেতনভোগী সম্ৰাট হৈ তেওঁ মনোকষ্টত ভুগিছিল। যাৰ বাবে 'বাদশ্বাহ' উপাধি ত্যাগ কৰি লালকিল্লাৰ বাহিৰত সাধাৰণ নাগৰিকৰ দৰে জীৱন-যাপনৰ বাবে ৰাজী হৈছিল। ইয়াৰ বাবে ইংৰাজসকলৰ স'তে তেওঁৰ মনোমালিন্য হয়। ফলত কোম্পানীয়ে তেওঁৰ ক্ষমতা, প্ৰতিপত্তি আৰু সম্পত্তিত হস্তক্ষেপ কৰিছিল। যাৰ বাবে লালকিল্লাৰ ভিতৰত বিষাদেৰে দেশ তথা জাতিৰ পৰাধীনতাৰ কথা উল্লেখ কৰি লিখিছিল 'উমৰ দৰজ মাংগকে লায়েথে চাৰ দিন দো' আৰজুমে কাট গয়ে, দো ইন্তেজাৰ মে।'

হিন্দুসকলৰ প্ৰতি বিশেষ গুৰুত্ব আৰোপ কৰা মোগল সম্ৰাটজনৰ উদাৰবাদী দৃষ্টিভংগীৰ বাবে তেওঁৰ দিনৰে পৰা হিন্দুসকলে নিজামুদ্দিন আৰু আন দৰগাহসমূহ দৰ্শন কৰিবলৈ আৰম্ভ কৰে। হিন্দু-মুছলিমৰ সম্প্ৰীতিৰ এখন মোগল সাম্ৰাজ্যৰ কামনা কৰা সম্ৰাট জাফৰৰ ৰাজত্বকালত বিশেষকৈ ৰাজশাসনত জড়িত বহুতো ক্ষত্ৰিয় আৰু কায়স্থ হিন্দুৰ ল'ৰা-ছোৱালীয়ে বিশেষভাৱে গোড়ামি নোহোৱা মাদ্ৰাছাত শিক্ষাগ্ৰহণ কৰিছিল। ল'ৰা-ছোৱালীসকলেও মাদ্ৰাছাৰ মৌলৱীসকললৈ ঘৰৰ পৰা খাদ্য আনি দিছিল। কে'বাজনো হিন্দু জ্ঞানী ব্যক্তিয়ে ৰাজসভা শুৱনি কৰা জাফৰে হিন্দুস্তানৰ সম্ৰাটৰূপে মুছলিম উৎসৱসমূহৰ সমানে-সমানে হিন্দু উৎসৱসমূহতো অংশগ্ৰহণ কৰিছিল। ফাকুৱা উৎসৱত নিজে অংশগ্ৰহণ কৰি ৰাজ্যসভাৰ সভাসদসকলৰ উপৰি বেগমসকলক ফাকুৰ ৰং সানিছিল। শৰৎকালতো দচেৰা উৎসৱ প্ৰাসাদৰ মুকলি ঠাইত উদ্‌যাপন কৰি বিষয়াসকলক উপহাৰ দিছিল। দিল্লীৰ ৰামলীলা শোভাযাত্ৰা কৰি বছৰি তেওঁ দৰ্শন কৰিছিল। ৰাৱণৰ মূৰ্তি জ্বলাই দিয়াৰ সময়ত নিজে উপস্থিত থকাৰ উপৰি দীপাৱলীত দেহৰ ওজনৰ পৰিমাণ সোণ-ৰূপ দুখীয়াৰ মাজত বিতৰণ কৰিছিল।

১৮৫৭ চন। সমগ্ৰ দেশ ইংৰাজ শাসনৰ বিৰুদ্ধে জাগি উঠিছে। অবিভক্ত ভাৰতৰ নেতা নিৰ্বাচনৰ সময়। সম্ৰাট জাফৰৰ ধৰ্মনিৰপেক্ষতা আৰু উদাৰতাবাদীৰ হিন্দু-মুছলমানসকলে তেওঁক নেতা হিচাপে নিৰ্বাচন কৰে। জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে নেতা নিৰ্বাচন কৰা জাফৰৰ স'তে গভীৰ সম্পৰ্ক আছিল বেনাৰসৰ বাবু সৰোজ নাৰায়ণ, পণ্ডিত নন্দকিশোৰ, ৰাজা ভোলানাথ, কুমাৰ শলগ ৰাম, ৰাজা দেৱীসিংহ, গয়েন্দমল্ল, লালা শিৱলাল, জগজীৱন দাস, লালা মুকুন্দলাল প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলৰে। যাৰ বাবে তেওঁ স্বতঃস্ফূৰ্তভাৱে অংশগ্ৰহণ কৰিছিল ফাকুৱা, দীপান্বিতা, ৰাখী বন্ধন আদি হিন্দুধৰ্মীয় উৎসৱসমূহত। এনে কাৰণতে উভয় ধৰ্মৰ গ্ৰহণযোগ্য নেতাৰূপে বাছনি কৰা ৮২ বছৰীয়া জাফৰৰ নাছিল কোনো ক্ষমতাৰ প্ৰতি লিপ্সা। বিদ্ৰোহৰ নেতৃত্ব দিয়াসকলক তেওঁ কৈছিল- 'আমি সম্পূৰ্ণৰূপে আপোনালোকৰ লগত আছো; কিন্তু নাই আমাৰ অৰ্থ, নাই সৈন্য। যদি আমি হৃতৰাজ্য পুনৰুদ্ধাৰ কৰিব পৰা যায়, তেতিয়াহ'লে আপোনালোকক ৰাজকীয় মৰ্যাদা দিয়া হ'ব।' তেতিয়া বিদ্ৰোহী স্বাধীনতাকামী জনতাই সমস্বৰে চিঞৰিছিল- 'হুজুৰ আমি ধন বিচৰা নাই, সৈন্যও বিচৰা নাই। আপোনাক বিচাৰিছো, আপুনি অনুগ্ৰহ কৰি আমাক নেতৃত্ব দিয়ক। আমি আপোনাৰ চৰণত জীৱন উৎসৰ্গা কৰিম। আমি আপোনাৰ হৃতৰাজ্য ঘূৰাই আনি চিৰস্থায়ী গৌৰৱ ঘূৰাই অনাৰ পক্ষপাতী।' যাৰ বাবে বৃদ্ধ সম্ৰাটে বিদ্ৰোহী ৰাইজৰ দাবী মানি নিজৰ ভাণ্ডাৰত থকা সোণ-ৰূপ সকলো উলিয়াই দিছিল। মাথোঁ সেয়াই নহয়, নিজৰ নামত সোণৰ মোহৰো ছপা আৰম্ভ কৰে। নিৰপেক্ষ ৰাজশাসন চলোৱা সম্ৰাটে সেনাবাহিনীক উদ্দেশি সাৱধান কৰি দিছিল- 'লুণ্ঠন কৰাৰ কোনো দৰকাৰ নাই। আমি সম্পদ-সম্পত্তি সোণ-ৰূপ বিক্ৰী কৰি আপোনালোকক দৰমহা দিম; কিন্তু যদি চহৰ লুট কৰা তাৰ পূৰ্বে মোক হত্যা কৰিবা।' শিশু-নাৰীৰ হত্যাৰ বিৰোধী জাফৰৰ এই নিৰ্দেশ ধৰ্মীয়ই নহয় মানৱীয় দৃষ্টিকোণৰ পৰা লক্ষ্যণীয়। তদুপৰি ৮২ বছৰীয়া জাফৰে ক্ষমতাৰ প্ৰতি লিপ্সিত নহৈ সৰ্বভাৰতীয় ৰজা জমিদাৰসকলৰ সমন্বয়ৰে এখন সংযুক্ত ৰাজ্য গঠনৰ কামনা কৰিছিল। য'ত ভাৰতৰ পৰিচালনাৰ দায়িত্ব এই কমিটীৰ হাতত থাকিব।

কিন্তু দুৰ্ভাগ্যৰ বিষয়, স্বাধীনতা যুদ্ধত নিজে সেনাপতিৰ দায়িত্ব গ্ৰহণ কৰি ব্ৰিটিছৰ বিৰুদ্ধে সাহসেৰে যুঁজি প্ৰথমে জয়ী হৈ শেষত ব্ৰিটিছৰ বিশাল সেনাবাহিনী আৰু একাংশ বিদ্ৰোহৰ নেতৃত্ব দিয়া নেতাৰ বিশ্বাসঘাতকতাত পৰাজয় বৰণ কৰিবলগীয়া হয়। ফলত 'আল্লাহৰ দুনীয়া, বাদশ্বাহৰ ৰাজ্য, চিপাহীৰ হুকুম' শ্ল'গানেৰে আৰম্ভ হোৱা বিদ্ৰোহৰ অতি কৰুণ পৰিসমাপ্তি ঘটিছিল। আধুনিক যুদ্ধৰ সা-সৰঞ্জাম আৰু ব্ৰিটিছৰ বিশাল বাহিনীক পৰাভূত কৰিব পৰা বৃদ্ধ সম্ৰাট জাফৰে অন্তৰত দুখ পাইছিল কে'বাজনো অতি বিশ্বাসী নেতাই কৰা বিশ্বাসঘাতকতাৰ বাবে। তদুপৰি বহুকেইজন ৰজাই কৰিছিল অসহযোগিতা। ফলত মৃত্যু অৱধাৰিত বুলি ভবা বাদশ্বাহে মোগল সাম্ৰাজ্যৰ অতি আদৰৰ হজৰত মহম্মদ (ছঃ)ৰ চুলি সংৰক্ষিত বাকচটো হজৰত নিজামুদ্দিন আউলিয়াৰ দৰগাহৰ তত্ত্বাৱধায়কৰ হাতত জমা দিয়ে। পাছত হুমায়ুনৰ কবৰত সপৰিয়ালে আত্মগোপন কৰি থকা অৱস্থাত ব্ৰিটিছ সেনাপতি হাৰ্ডছনে তেওঁক গ্ৰেপ্তাৰ কৰে। কিন্তু অতি নিষ্ঠুৰ হাৰ্ডছনে সম্ৰাটৰ দুই পুত্ৰসহ ৰাজপৰিয়ালৰ শিশু-মহিলাসহ ২৯ জনক দিল্লীৰ ৰাজপথত গৰু গাড়ীৰ পৰা নমাই অতি নৃশংসভাৱে গুলীয়াই হত্যা কৰে। মাথোঁ সিমানেই নহয় অতি কাঠচিতীয়া হৃদয়ৰ ব্ৰিটিছ সেনাজনে সেই ২৯ শিশু-কিশোৰ-কিশোৰী-মহিলাৰ ডিঙি কটা মূৰ বৃদ্ধ সম্ৰাটক উপহাৰ দিয়ে। অসহায় সম্ৰাটে নিৰ্বাক শিশুৰ দৰে মাথোঁ উচুপিছিল। এই দৃশ্য প্ৰত্যক্ষ কৰি নিৰ্বাক হোৱাত ব্ৰিটিছ সেনাই তেওঁৰ নাক ঘুচিয়াই ভাঙি দিছিল। কিন্তু অসহায় বৃদ্ধ বাদশ্বাহৰ এই দৃশ্য প্ৰত্যক্ষ কৰি জীৱনলৈ ভয় নকৰি তেওঁৰ অনুগত এজন সেনাই উভতি ধৰি আক্ৰমণ কৰাত ব্ৰিটিছ সেনাৰ গুলিত নিহত হয়। বিচাৰৰ নামত অৱশিষ্ট পৰিয়ালবৰ্গসহ তেওঁক ৰেংগুনলৈ নিৰ্বাসন দিয়া হয়। অতি কষ্টত বিনা চিকিৎসাই পক্ষাঘাত ৰোগত আক্ৰান্ত হৈ আন্ধাৰ কুঠৰীত ১৮৬২ৰ সাত নৱেম্বৰত তাতে তেওঁৰ মৃত্যু হয়। 'উমৰ দৰাজ মাংগকে লায়েথে চাৰ দিন জো আৰজুমেৰ কাট গয়ে, দো ইন্তেজাৰ মে' কবিতা লিখি মৃত্যুৰ ক্ষণ গণা জাফৰৰ কবৰ সাধাৰণভাৱে দিছিল ব্ৰিটিছসকলে। বাঁহৰ বেৰেৰে কবৰ দি সেয়া অস্তিত্বহীন কৰিব বিচৰা ইংৰাজৰ এই অপচেষ্টা অৱশ্যে ব্যৰ্থ হয়। ১৯০৩ত স্থানীয় লোকৰ সহায়ত ভাৰতৰ পৰা যোৱা লোকে উক্ত কবৰস্থানৰ লগতে তেওঁৰ কাষত থকা বেগম জিনাত মহলৰ কবৰ উদ্ধাৰ কৰে। অৱশ্যে পৰৱৰ্তী সময়ত ভাৰতৰ পৰা যোৱা ৰাষ্ট্ৰপ্ৰধানে তেওঁৰ কবৰস্থান পৰিদৰ্শন কৰি পৰিদৰ্শকৰ টোকাবহীত লিখিছিল-

'দু-গজ জমিন তো না মিলি হিন্দুস্তান মে, পৰ তেৰী কোৰবাণী সে উঠি আজাদী কি আৱাজ বদনচিব তো নাহি জাফৰ, জুড়া হ্যায় তেৰা নাম ভাৰত শান-আউৰ শওকত মে, আজাদী কি পয়গাম সে।'

তাৰ পাছতো মোগল সম্ৰাটজনে লিখা সেই বিখ্যাত দৰদভৰা শ্বায়েৰীয়ে বহুতকে কন্দুৱায় য'ত তেওঁ লিখিছিল-

'মৰনেকো বাদ ইশ্বক মেৰা বা আছাৰ হুৱা,
উড়নে লাগি হ্যায় খাক মেৰি ক্যোয়ি ইয়াৰ মে, কিতনা বেদনচিব জাফৰ দাফনকে লিয়ে দো গজ জমিন ভি মিলানা চুকি-কু-ই-ইয়াৰ মে।'

ফোন : ৮৪৮৬২-৯৯২৫১



# ইউ জি চি-নেটসহ সাত প্ৰৱেশ পৰীক্ষাৰ দিন ঘোষণা



**নিউজ ব্যুৰ', নতুন দিল্লী, ২১ আগষ্ট ঃ** দেশত কৰ'না ভাইৰাছৰ সংক্ৰমণৰ ভীতি অব্যাহত থকাৰ সময়তে কে'বাটাও গুৰুত্বপূৰ্ণ প্ৰৱেশ পৰীক্ষা অনুষ্ঠিত কৰাৰ দিন ঘোষিত হ'ল। নেচনেল টেষ্টিং এজেন্সী (এন টি এ)-এ ইউ জি চি-নেট, ইগন' অপেনমেট, ইগন' পি এইচ ডি, দিল্লী বিশ্ববিদ্যালয়ৰ প্ৰৱেশ পৰীক্ষা আৰু আই চি এ আৰ এ আই ই ই—এ পৰীক্ষাসহ বিভিন্ন পৰীক্ষাৰ নতুন দিন ঘোষণা কৰিলে। নতুন সূচী অনুসৰি ইউ জি চি-নেট পৰীক্ষা অহা ১৬ ছেপ্টেম্বৰৰ পৰা ২৫ ছেপ্টেম্বৰলৈ অনুষ্ঠিত হ'ব। আনহাতে, দিল্লী বিশ্ববিদ্যালয়ৰ প্ৰৱেশ পৰীক্ষা ছয় ছেপ্টেম্বৰত অনুষ্ঠিত হ'ব। এন টি এয়ে মুঠ সাতটা পৰীক্ষাৰ তাৰিখ ঘোষণা কৰিলে। এইসমূহ পৰীক্ষা ছয় ছেপ্টেম্বৰৰ পৰা চাৰি অক্টোবৰৰ ভিতৰত অনুষ্ঠিত হ'ব। আই চি এ আৰ এ আই ই ই এ ২০২০ পৰীক্ষাৰ তাৰিখ এন টি এয়ে অচিৰে ঘোষণা কৰিব। ২৯ আগষ্টত অনুষ্ঠিত হ'ব লগা এ আই এ জি পি ই টি পৰীক্ষা স্থগিত কৰি ২৮ ছেপ্টেম্বৰত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত এন টি এয়ে লৈছে। এইসমূহ পৰীক্ষাৰ সন্দৰ্ভত সবিশেষ তথ্য আহৰণৰ বাবে প্ৰাৰ্থীয়ে এন টি এৰ ৱেবছাইট ভিজিট কৰিব পাৰিব।

## চীনত আছে ৩৯ লাখ চিকিৎসক, চিকিৎসকৰ সংখ্যা ২৭.২ শতাংশ বৃদ্ধি

**নিউজ ব্যুৰ', বেইজিং, ২১ আগষ্ট ঃ** বিকশিত দেশ চীনত আছে ৩৮ লাখ ৬৭ হেজাৰ চিকিৎসক। চীনৰ ৰাষ্ট্ৰীয় স্বাস্থ্য আয়োগৰ চিকিৎসা প্ৰশাসন আৰু হাস্পতাল প্ৰাধিকৰণৰ নিৰীক্ষক কিউ য়ান হুঙে এই তথ্য প্ৰকাশ কৰি জনোৱা মতে, ২০১৯ বৰ্ষৰ অন্তিম ভাগত চীনত মুঠ ৩৮ লাখ ৬৭ হেজাৰ চিকিৎসকে সেৱা আগবঢ়াইছিল। ২০১৫ৰ তুলনাত চীনত চিকিৎসকৰ সংখ্যা আঠ লাখ ৩০ হেজাৰ বৃদ্ধি পাইছে আৰু দেশখনত চিকিৎসকৰ সংখ্যা বৃদ্ধিৰ পৰিমাণ হৈছে ২৭.২ শতাংশ। চীনত শিশু ৰোগ বিশেষজ্ঞ, মনোৰোগ বিশেষজ্ঞ আৰু অন্যান্য বিশেষজ্ঞ চিকিৎসকৰ সংখ্যা দ্ৰুত বৃদ্ধি পাইছে। ২০১৯ত দেশখনত শিশুৰোগ বিশেষজ্ঞৰ সংখ্যা দুই লাখ ৩৪ হেজাৰ জনলৈ বৃদ্ধি পাইছিল।





## মহামৰ্চা ত্যাগ বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মাঝিৰ

**নিউজ ব্যুৰ', পাটনা, ২১ আগষ্ট ঃ** বিহাৰ বিধানসভাৰ নিৰ্বাচন কাষ চাপি অহাৰ লগে লগে ৰাজ্যখনৰ ৰাজনৈতিক সমীকৰণ দ্ৰুত সলনি হ'বলৈ ধৰিছে। বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী জিতেন ৰাম মাঝিয়ে মহামৰ্চা ত্যাগ কৰিলে। মাঝিৰ নেতৃত্বাধীন হিন্দুস্তানী আৱাম মৰ্চাই পুনৰ এন ডি এত যোগদান কৰাৰ সম্ভাৱনা আছে। আজি দলৰ মুখপাত্ৰই ঘোষণা কৰি কয় যে হিন্দুস্তানী আৱাম মৰ্চাই আৰ জে ডি-কংগ্ৰেছৰ মহামৰ্চাৰ অংশীদাৰ হৈ নাথাকে। অৱশ্যে দলে কোন পথত অগ্ৰসৰ হ'ব সেই সিদ্ধান্ত মাঝিয়ে গ্ৰহণ কৰিব বুলি মুখপাত্ৰজনে জানিবলৈ দিয়ে। বিৰোধীৰ আপত্তিৰ পাছতো নিৰ্বাচন আয়োগে অহা অক্টোবৰ-নৱেম্বৰত বিহাৰত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ যো-জা চলাইছে। নিৰ্বাচনক লৈ ইতিমধ্যে শাসক-বিৰোধী উভয় পক্ষই প্ৰস্তুতি আৰম্ভ কৰিছে।

## শ্বপিং ম'ল নিৰ্মাণৰ বাবে ভাঙি গুড়ি কৰিলে ভাৰতৰত্ন বিছমিল্লা খানৰ বাসগৃহ

**নিউজ ব্যুৰ', বাৰানসী, ২১ আগষ্ট ঃ** কালৰ গৰ্ভত হেৰাই হ'ল আৰু এক ইতিহাসৰ সাক্ষী। বাৰানসীত থকা চেহনাই সম্ৰাট ওস্তাদ বিছমিল্লা খানৰ বাসগৃহটো ভাঙি চূৰ্ণ-বিচুৰ্ণ কৰা হ'ল। প্ৰসিদ্ধ শিল্পীজনৰ ১৪ সংখ্যক মৃত্যুবাৰ্ষিকীৰ দুদিন পূৰ্বে খানৰ ঐতিহাসিক বাসগৃহটো ধ্বংসস্তূপত পৰিণত হ'ল। উত্তৰ প্ৰদেশৰ বেনিয়াবাগ অঞ্চলৰ ভীখম শ্বাহ লেনত থকা এটা তিনিমহলীয়া বাসগৃহতে ২০০৬ত মৃত্যুৰ আগলৈকে প্ৰতিদিনে সংগীতৰ চৰ্চা কৰিছিল ভাৰতৰত্ন বিছমিল্লা খানে। বাসগৃহটো সংৰক্ষণ কৰাৰ বাবে খানৰ গুণমুগ্ধসকলে দাবী উত্থাপন কৰাৰ পাছতো এই ঐতিহাসিক বাসগৃহটো অৱশেষত ধ্বংস কৰা হ'ল। এই ঘটনাৰ পাছতো উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথৰ প্ৰশাসন নিৰ্বিকাৰ হোৱাক



লৈ প্ৰশ্ন উত্থাপিত হৈছে। উত্তৰ প্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী অখিলেশ যাদৱসহ বিৰোধীয়ে আদিত্যনাথ চৰকাৰক খানৰ বাসগৃহ ধ্বংসক লৈ কঠোৰভাৱে সমালোচনা কৰিছে। ২০০৬ত খানৰ মৃত্যুৰ পাছত উক্ত বাসগৃহটো সংৰক্ষণ কৰি এটা যাদুঘৰ নিৰ্মাণৰ দাবী অনুৰাগীসকলে উত্থাপন কৰিছিল। প্ৰকাশিত বাতৰি অনুসৰি খানৰ আৱাসগৃহৰ স্থানত এটা বিশাল শ্বপিং ম'ল নিৰ্মাণ কৰা হ'ব।

# উত্তৰ কোৰিয়াৰ শাসক কীমৰ ভগ্নীক পুনৰ পদোন্নতি, দেশৰ দ্বিতীয় ক্ষমতাশালী ব্যক্তিত পৰিণত হ'ল য়' জং

**নিউজ ব্যুৰ' পিয়ংইয়ং, ২১ আগষ্ট ঃ** উত্তৰ কোৰিয়াৰ কমিউনিষ্ট শাসক কীম জং উনে তেওঁৰ ভগ্নী কীম য়' জঙক পুনৰ পদোন্নতি দিলে। এই পদোন্নতিৰ জৰিয়তে য়' জং উত্তৰ কোৰিয়াৰ দ্বিতীয়জন সৰ্বাধিক ক্ষমতাশালী নেতা হিচাপে পৰিচিত হ'ল। দক্ষিণ কোৰিয়াৰ চোৰাংচোৱা সংস্থাই এই কথা প্ৰকাশ কৰি জনোৱা মতে, ৩২ বছৰীয়া য়' জঙক এতিয়াৰে পৰা আমেৰিকা আৰু দক্ষিণ কোৰিয়া বিষয় চোৰাচিতাৰ দায়িত্ব উত্তৰ কোৰিয়াৰ শাসকে অৰ্পণ কৰিলে। এইদৰে অঘোষিতভাৱে কীমৰ ভগ্নী উত্তৰ কোৰিয়াৰ দ্বিতীয় সৰ্বাধিক



ক্ষমতাশালী নেত্ৰী হিচাপে স্বীকৃত হ'ল। অৱশ্যে কীমে এইদৰে য়' জঙক পদোন্নতি দিয়াৰ আঁৰত তেওঁৰ স্বাস্থ্যৰ অৱনতি এক কাৰণ হ'ব পাৰে বুলিও দক্ষিণ কোৰিয়াৰ চোৰাংচোৱাই সন্দেহ কৰিছে। উল্লেখ্য যে যোৱা বছৰৰ অন্তিম ভাগৰ পৰা উত্তৰ কোৰিয়াৰ শাসক কীম প্ৰায় নিষ্ক্ৰিয় হৈ আছে আৰু ৰাজহুৱা অনুষ্ঠানতো তেওঁৰ উপস্থিতি অতি সীমিত প্ৰত্যক্ষ হৈছে। কীমৰ স্বাস্থ্যৰ অৱনতি ঘটাৰ ফলত তেওঁ এইদৰে সক্ৰিয় ৰাজনৈতিক জীৱনৰ পৰা আঁতৰি থকা বুলি আন্তৰ্জাতিক সংবাদ মাধ্যমত চৰ্চিত হৈছিল। কেইমাহমান পূৰ্বেও কীমে তেওঁৰ ভগ্নীক নতুন দায়িত্ব দানৰে পদোন্নতি দিছিল। দুবাৰকৈ য়' জঙক কীমে পদোন্নতি দিয়াৰ প্ৰতি লক্ষ্য ৰাখি কীমৰ অৱৰ্তমানত কীম ভগ্নীয়ে উত্তৰ কোৰিয়াৰ শাসকৰ দায়িত্ব লাভ কৰিব বুলিও জল্পনা-কল্পনা অব্যাহত আছে।



## প্ৰবল বৃষ্টিত বিপৰ্যস্ত পাকিস্তানত ২৪ জনৰ প্ৰাণহানি

**নিউজ ব্যুৰ', ইছলামাবাদ, ২১ আগষ্ট ঃ** ধাৰাসাৰ বৃষ্টিপাতৰ ফলত ক্ৰমে বিপৰ্যস্ত হ'বলৈ ধৰিছে পাকিস্তানৰ এক বিস্তীৰ্ণ অঞ্চলৰ জনজীৱন। দেশখনৰ বিভিন্ন অঞ্চলত প্ৰৱল বৃষ্টিপাতৰ ফলত হোৱা পৃথক দুৰ্ঘটনাত এতিয়ালৈকে কমেও ২৪ জন লোকৰ মৃত্যু হৈছে। পঞ্জাৱ প্ৰদেশৰ বিভিন্ন অঞ্চলত যথেষ্টসংখ্যক বাসগৃহও প্ৰচণ্ড বানত ক্ষতিগ্ৰস্ত হৈছে। বানৰ লগতে ভূমিস্খলনৰ ফলতো অঞ্চলটোত ভয়াৱহ পৰিস্থিতিৰ উদ্ভৱ হৈছে। বৃহস্পতিবাৰে লাহোৰৰ হৰবংশপুৰাত এটা বাসগৃহ ভাঙি পৰাৰ ফলত চাৰিজন লোকৰ প্ৰাণহানি ঘটে। ইফালে, ছেখুপুৰা জিলাতো বাসগৃহ ভাঙি পৰাত আন নজন লোকৰ মৃত্যু হয়। পঞ্জাৱ প্ৰদেশৰ এটা কয়লাখনিত হোৱা ভূমিস্খলনত তিনিজন শ্ৰমিকৰ মৃত্যু হয়। আনহাতে, ফৈচালাবাদ জিলাত ঘৰৰ চাদ ভাঙি আৰু বিদ্যুৎস্পৃষ্ট হৈ তিনিজন লোকৰ প্ৰাণহানি ঘটে। যোৱা বুধবাৰৰ পৰা এই অঞ্চলসমূহত প্ৰৱল বৃষ্টিপাত অব্যাহত আছে।

### মাৰ্কিন ৰাষ্ট্ৰপতিৰ নিৰ্বাচন ২০২০

## দেশৰ কলংক মোচনৰ আহ্বান বাইডেনৰ, প্ৰতিদ্বন্দ্বীক আমেৰিকাৰ দুস্বপ্ন আখ্যা ট্ৰাম্পৰ



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ২১ আগষ্ট ঃ** মাৰ্কিন ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত ডেম'ক্ৰেটিক পাৰ্টিৰ প্ৰাৰ্থিত্ব গ্ৰহণৰ পাছত আমেৰিকাৰ ওপৰত ছানি ধৰা কালিমা আঁতৰাবলৈ আহ্বান জনালে জ' বাইডেনে। স্থানীয় সময় অনুসৰি বৃহস্পতিবাৰে দলৰ মনোয়নপত্ৰ গ্ৰহণ কৰাৰ পাছত আমেৰিকাবাসীক প্ৰতিশ্ৰুতি দি বাইডেনে কয়, 'বৰ্তমানৰ ৰাষ্ট্ৰপতিয়ে আমেৰিকাত অনেক দিন ধৰি ক'লা চাদৰৰে ঢাকি ৰাখিছে। প্ৰচণ্ড ক্ষোভ, শংকা, প্ৰচণ্ড বিভাজন। আপোনালোকে যদি ৰাষ্ট্ৰপতি হিচাপে মোৰ প্ৰতি ভৰসা ৰাখে, তেন্তে মই মোৰ শ্ৰেষ্ঠত্বখিনি দিবলৈ চেষ্টা কৰিম। আমি পোহৰৰ বন্ধু হ'ম, অন্ধকাৰৰ নহয়। এয়া হৈছে আমি সকলোৰে একত্ৰিত হোৱাৰ সময়।' ৭৭ বছৰীয়া বাইডেনে আমেৰিকাত ক'ভিড-১৯ৰ সংক্ৰমণ ৰোধৰ ক্ষেত্ৰত বৰ্তমানৰ ৰাষ্ট্ৰপতি সম্পূৰ্ণৰূপে ব্যৰ্থ হোৱা বুলিও অভিযোগ কৰে। আনহাতে, বাইডেনৰ এনে অভিযোগৰ প্ৰত্যুত্তৰ দি পেন্সিলভেনিয়াত এখন নিৰ্বাচনী সভাত অংশ লোৱাৰ সময়ত মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে কয় যে বাইডেন ৰাষ্ট্ৰপতি নিৰ্বাচিত হ'লে সেয়া হ'ব আমেৰিকাবাসীৰ এক দুস্বপ্ন। প্ৰায় অৰ্ধ শতিকা ধৰি বাইডেনে আমেৰিকাত বিক্ৰী কৰিছে আৰু দেশৰ কৰ্মক্ষেত্ৰত মাৰ্কিন নাগৰিকক বঞ্চিত কৰাত অগ্ৰণী ভূমিকা লৈ আহিছে বুলিও ট্ৰাম্পে প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীজনক সমালোচনা কৰে।

# 'ক'ভিড যোদ্ধা'ৰ বেশ লৈ আয়কৰৰ অভিযান, ভূপালত কে'বা কোটিৰ ক'লাধন জব্দ

**নিউজ ব্যুৰ' ভূপাল, ২১ আগষ্ট ঃ** মধ্য প্ৰদেশৰ ভূপালত 'ক'ভিড যোদ্ধা'ৰ বেশত আয়কৰ বিভাগৰ বিষয়াই ক'লাধন বিৰোধী অভিযান চলাই চাঞ্চল্যৰ সৃষ্টি কৰিলে। বিভাগটোৰ প্ৰায় ১৫০ জন বিষয়া-কৰ্মীয়ে বৃহস্পতিবাৰে পুৱা ৫-৩০ বজাৰ পৰা ভূপালৰ বিভিন্ন স্থানত হঠাতে কৰফাকিৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিছিল। এই অভিযানৰ জৰিয়তে কে'বা কোটি টকাৰ ক'লা ধন আয়কৰে জব্দ কৰে। দুটা ব্যৱসায়িক প্ৰতিষ্ঠান আৰু ইয়াৰ সহযোগীৰ মুঠ ২০ টা কাৰ্যালয়ত আয়কৰে অভিযান চলাইছিল। আয়কৰৰ বিষয়া আৰু সশস্ত্ৰ নিৰাপত্তাৰক্ষীয়ে যি গাড়ী এই অভিযানত ব্যৱহাৰ কৰিছিল, সেই গাড়ীত 'মধ্য প্ৰদেশ চৰকাৰ, স্বাস্থ্য বিভাগৰ ক'ভিড-১৯ দলে আপোনাক স্বাগতম জনাইছে' বুলি লিখা আছিল। ২০টাৰো অধিক স্থানত আয়কৰে অভিযান চলাই এশৰো অধিক বেআইনী স্থাৱৰ সম্পত্তিৰ নথিপত্ৰ জব্দ কৰে। এই সম্পত্তিৰ তালিকাত



দুখন ক্ৰিকেট খেলপথাৰো আছে। আয়কৰে চলোৱা অভিযানত এক কোটি টকাৰো অধিক নগদ ধন উদ্ধাৰ কৰে। বিভাগটোৱে যি দুটা প্ৰতিষ্ঠানৰ বিৰুদ্ধে কৰফাকিৰ অভিযোগত অভিযান চলাইছিল, তাৰে এটাৰ মুৰব্বী হৈছে ফেইথ গ্ৰুপৰ ৰাঘবেন্দ্ৰ সিং তোমৰ। ৰাঘবেন্দ্ৰ বিজেপিৰ এজন প্ৰভাৱশালী নেতাৰ ঘনিষ্ঠ বুলি পৰিচিত। ক'ভিড যোদ্ধা সাজি এইদৰে আয়কৰ বিভাগে চলোৱা কৰফাকি বিৰোধী অভিযানে মধ্য প্ৰদেশত চাঞ্চল্যৰ সৃষ্টি কৰিছে।



## ধৰ্ষণ পীড়িতাক পথৰ পৰা তুলি নি ২০ দিন দলবদ্ধ ধৰ্ষণ গুণ্টুৰত

**নিউজ ব্যুৰ' গুণ্টুৰ, ২১ আগষ্ট ঃ** এবছৰ পূৰ্বে বিবাহ সম্পন্ন হৈছিল এগৰাকী ১৪ বছৰীয়া কিশোৰীৰ। কিন্তু স্বামী আন চহৰত কৰ্মৰত হোৱা হেতুকে কিশোৰীগৰাকীয়ে মাতৃগৃহত বাস কৰিছিল। সেই সুযোগতে স্বামীৰ পৰিচিত এজন যুৱকে অলপতে কিশোৰীগৰাকীক ধৰ্ষণ কৰিছিল। ধৰ্ষণৰ পাছত উক্ত যুৱকে নিশা ১১ বজাত স্থানীয় এটা মন্দিৰৰ সন্মুখত পীড়িতাক গাড়ীৰ পৰা নমাই থৈ গৈছিল। অন্ধ্ৰ প্ৰদেশৰ গুণ্টুৰত নিশা এইদৰে অসহায় অৱস্থাত ধৰ্ষণ পীড়িতা কিশোৰীগৰাকীয়ে ঘৰলৈ যোৱাৰ পৰিৱৰ্তে বান্ধৱীৰ ঘৰলৈ বুলি যাত্ৰা কৰাৰ সময়তে এখন মটৰ চাইকেলত অহা এজন লোকে নিজকে হোমগাৰ্ড বুলি পৰিচয় দি পীড়িতাক গন্তব্য স্থানত থৈ অহাৰ প্ৰতিশ্ৰুতি দিয়ে। কিশোৰীগৰাকীয়ে হোমগাৰ্ডজনক বিশ্বাস কৰি মটৰ চাইকেলত উঠাত উক্ত হোমগাৰ্ডজনে কৌশলৰে নিজৰ বন্ধু এজনৰ ঘৰলৈ কিশোৰীক লৈ যায়। পাছত অশোক চক্ৰৱৰ্তী নামৰ হোমগাৰ্ড আৰু তেওঁৰ বন্ধু দুৰ্গা ৰাৱে নাবালিকাক দলবদ্ধ ধৰ্ষণ কৰে। এইদৰে অশোক আৰু দুৰ্গাই ২০ দিন ধৰি পীড়িতাক আবদ্ধ ৰাখি দলবদ্ধ ধৰ্ষণ অব্যাহত ৰাখিছিল। পীড়িতাৰ মাতৃৰ অভিযোগৰ পাছত অনুসন্ধান চলাই কালি আৰক্ষীয়ে কিশোৰীগৰাকীক উদ্ধাৰ কৰে।

# মুম্বাইত উপস্থিত হৈ তদন্ত চি বি আইৰ ঃ জেৰা সুশান্তৰ ৰান্ধনীক



**নিউজ ব্যুৰ', মুম্বাই, ২১ আগষ্ট ঃ** বলিউডৰ প্ৰয়াত অভিনেতা সুশান্ত সিং ৰাজপুতৰ মৃত্যুৰ তদন্ত আৰম্ভ কৰিলে চি বি আয়ে। উচ্চতম ন্যায়ালয়ে অভিনেতাজনৰ মৃত্যুৰ তদন্তৰ দায়িত্ব চি বি আইক অৰ্পণ কৰাৰ পাছত কেন্দ্ৰীয় তদন্তকাৰী সংস্থাটোৱে এটি বিশেষ দল গঠন কৰি মুম্বাইত অনুসন্ধানৰ বাবে যোৱা নিশা উপস্থিত হয়। সুশান্তৰ কৰ্মীৰ স'তে আলোচনা কৰাৰ লগতে চি বি আইৰ দলটোৱে মুম্বাই আৰক্ষীৰ স'তেও সাক্ষাৎ কৰে। চি বি আইৰ ১০ জনীয়া সদস্যৰ দলটোৰ নেতৃত্বত আছে অধীক্ষক নুপুৰ প্ৰসাদ। আজি পুৱাৰে পৰা চি বি আয়ে এই গোচৰৰ তদন্ত প্ৰক্ৰিয়া আৰম্ভ কৰে। দুটা দলত ভাগ হৈ চি বি আয়ে তদন্ত আৰম্ভ কৰিছে। ইয়াৰে এটা দলে গোচৰৰ তথ্যপাতি সংগ্ৰহৰ বাবে আজি মুম্বাই আৰক্ষীৰ স'তে যোগাযোগ কৰে। বান্দ্ৰা আৰক্ষী থানালৈ গৈ চি বি আইৰ দলটোৱে প্ৰয়োজনীয় তথ্যপাতি আহৰণ কৰে। আনহাতে, চি বি আইৰ আনটো দলে একে সময়তে আজি সুশান্তৰ প্ৰাক্তন কৰ্মচাৰীসকলক জেৰা কৰে। অভিনেতাজনৰ মৃত্যুৰ অন্যতম সাক্ষী তেওঁৰ ৰান্ধনীকো চি বি আয়ে দীৰ্ঘ সময় সোধ-পোছ কৰে।

## কাৰ অনুমতিত চিকিৎসালয়ৰ মৰ্গত প্ৰৱেশ কৰিছিল ৰিয়াই? নতুন ভিডিঅ'ক লৈ চাঞ্চল্য

**নিউজ ব্যুৰ', মুম্বাই, ২১ আগষ্ট ঃ** অভিনেতা সুশান্ত সিং ৰাজপুতৰ মৃত্যুৰ ৰহস্য এক নতুন ভিডিঅ' প্ৰকাশ্য হোৱাৰ ফলত অধিক ঘনীভূত হ'ল। এই ভিডিঅ'ই সুশান্তৰ মৃত্যুৰ তদন্তকো নতুন দিশলৈ নিব পাৰে। এই ভিডিঅ'ত আবদ্ধ হোৱা দৃশ্য অনুসৰি সুশান্তৰ মৰণোত্তৰ পৰীক্ষাৰ বাবে মৃতদেহ যিখন চিকিৎসালয়লৈ নিয়া হৈছিল, সেই কুপাৰ হাস্পতালত মৰ্গত প্ৰায় ৪৫ মিনিট সময় উপস্থিত আছিল অভিনেতাজনৰ মৃত্যুৰ গোচৰত মূল অভিযুক্ত প্ৰাক্তন প্ৰেয়সী ৰিয়া চক্ৰৱৰ্তী। কিদৰে চিকিৎসালয়ৰ মৰ্গৰ দৰে প্ৰৱেশ নিষিদ্ধ অঞ্চলত ৰিয়াই প্ৰৱেশ কৰি দীৰ্ঘ সময় পাৰ কৰিছিল, তাক লৈ এই ভিডিঅ' প্ৰকাশ্য হোৱাৰ পাছত প্ৰশ্ন উত্থাপিত হৈছে। ৰিয়াই কিয় মৰ্গত প্ৰৱেশ কৰিছিল বুলিও প্ৰশ্ন উঠিছে। ইফালে, আন এক ভিডিঅ'ত সুশান্তৰ বাসগৃহত চলচ্চিত্ৰ নিৰ্মাতা সন্দীপ সিং উপস্থিত থকাৰ দৃশ্য আবদ্ধ হৈছিল। তৃতীয়টো ভিডিঅ'ত আবদ্ধ হোৱা দৃশ্যত সুশান্তৰ মৃতদেহ শেষকৃত্যৰ বাবে নিয়াৰ সময়ত মুম্বাই আৰক্ষী সন্দীপ সিঙে 'থাম্বছ আপ' প্ৰদৰ্শন কৰিছিল। এনেবোৰ ভিডিঅ' ভাইৰেল হোৱাত সুশান্তৰ মৃত্যুৰ ৰহস্য অধিক ঘনীভূত হ'ল। সঁচাকৈয়ে অভিনেতাজনে আত্মহত্যা কৰিছিল নে তেওঁ কোনো পৰিকল্পিত হত্যাকাণ্ডৰ বলি হ'ল সেই সন্দৰ্ভত ছ'চিয়েল মিডিয়া ব্যৱহাৰকাৰীসকলে প্ৰশ্ন উত্থাপন কৰিছে।



## মহেশ ভাটৰ স'তে কি বাৰ্তালাপ কৰিছিল ৰিয়াই ঃ চাট হ'ল ফাদিল



**নিউজ ব্যুৰ', মুম্বাই, ২১ আগষ্ট ঃ** প্ৰথমবাৰৰ বাবে প্ৰকাশ্য হ'ল অভিনেত্ৰী ৰিয়া চক্ৰৱৰ্তী আৰু বলিউডৰ বিশিষ্ট চলচ্চিত্ৰ পৰিচালক মহেশ ভাটৰ হোৱাটছএপ চাট। যোৱা আঠ জুনত ৰিয়াই তেওঁৰ প্ৰাক্তন প্ৰেমিক সুশান্ত সিং ৰাজপুতৰ বাসগৃহ ত্যাগ কৰাৰ লগতে প্ৰেমৰ সম্পৰ্কৰ অৱসান ঘটাইছিল। উক্ত দিনাই সন্ধিয়া ৭-৪৫ বজাত ৰিয়াই মহেশ ভাটলৈ মেছেজ প্ৰেৰণ কৰিছিল। মহেশেও ৰিয়ালৈ হোৱাটছএপত উত্তৰ দিছিল আৰু দুয়োৱে প্ৰায় আধাঘণ্টা চাট কৰিছিল। 'ইণ্ডিয়া টুডে'ৰ বাতৰিত প্ৰকাশ পোৱা মতে, ৰিয়া আৰু মহেশে উক্ত হোৱাটছএপৰ চাটত যথেষ্ট ব্যক্তিগত আৰু ঘনিষ্ঠ বাৰ্তালাপ আদান-প্ৰদান কৰিছিল। ৰিয়াই প্ৰথমে মহেশক কয় যে তেওঁ 'মুভ অন' কৰি গৈছে। চাটত অভিনেত্ৰীগৰাকীয়ে এইদৰে লিখিছিল, 'ছাৰ, দুখৰ হৃদয় আৰু পৰিতৃপ্তিৰে আয়েশাই (জলেবি ছবিত ৰিয়াৰ নাম) কৈছে যে আপুনি 'মুভ অন' কৰি গৈছে। আমাৰ অন্তিমটো ফোনকল মোৰ বাবে 'ৱেক আপ কল' আছিল। আপুনি মোৰ বাবে দেৱদূত। তেতিয়াও আছিল, আজিও।' এই বাৰ্তা প্ৰেৰণৰ ১২ মিনিট পাছত মহেশে ৰিয়ালৈ বাৰ্তা প্ৰেৰণ কৰি কৈছিল, 'আৰু পিছলৈ উভতি নাচাবা। যি হ'ব লগা আছিল হ'বলৈ দিয়া। তোমাৰ দেউতালৈ যথেষ্ট মৰম থাকিল। আজি তেওঁ নিশ্চয় যথেষ্ট সুখী।' এইদৰে ৰিয়া আৰু মহেশে হোৱাটছএপত ব্যক্তিগত জীৱনৰ বহু কথা-বতৰা পাতিছিল। উল্লেখ্য ৰিয়াৰ স'তে মহেশৰ প্ৰেমজনিত সম্পৰ্ক থকা বুলিও সংবাদ মাধ্যমত পূৰ্বে চৰ্চা চলিছিল। ৰিয়া আৰু মহেশ ভাটৰ হোৱাটছএপৰ চাটৰ তথ্য ফাদিল হোৱাত বলিউডত চাঞ্চল্যৰ সৃষ্টি হৈছে।




## কুলভূষণক ভাৰতীয় অধিবক্তাৰ সেৱা দিবলৈ পাকিস্তানক দাবী ভাৰতৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ২১ আগষ্ট ঃ** পাকিস্তানৰ কাৰাগাৰত বন্দী হৈ থকা ভাৰতীয় নৌসেনাৰ প্ৰাক্তন বিষয়া কুলভূষণ যাধৱক ভাৰতীয় আইনজীৱীৰ সেৱা প্ৰদান কৰিবলৈ পাকিস্তানৰ ওচৰত দাবী জনালে নতুন দিল্লীয়ে। ভাৰতৰ বৈদেশিক মন্ত্ৰণালয়ে এই দাবী উত্থাপন কৰি কয় যে কুলভূষণৰ মৃত্যুদণ্ডৰ ৰায়ৰ পুনৰীক্ষণৰ ক্ষেত্ৰত ভাৰতীয় আইনজীৱী নিয়োগ কৰা উচিত। উল্লেখ্য যে পাকিস্তানৰ এখন সামৰিক আদালতে কুলভূষণক ভাৰতীয় চোৰাংচোৱা সজাই মৃত্যুদণ্ডৰ ৰায় দিছিল। ভাৰতে এই ৰায়ৰ বিৰুদ্ধে আন্তৰ্জাতিক ন্যায় আদালতত আবেদন দাখিল কৰাত আদালতে মৃত্যুদণ্ডৰ ৰায় কাৰ্যকৰীকৰণত বাধা আৰোপ কৰাৰ লগতে পাকিস্তানক ৰায়ৰ পুনৰীক্ষণৰ নিৰ্দেশ দিছিল। সেই অনুসৰি ইছলামাবাদ উচ্চ ন্যায়ালয়ত এই গোচৰৰ শুনানি গ্ৰহণ কৰা হ'ব। কিন্তু কুলভূষণৰ আইনজীৱী নিয়োগক লৈ এক বিতৰ্কৰ সৃষ্টি হৈছে। পাকিস্তানে কৈছে যে সেই দেশত কেৱল পাকিস্তানী অধিবক্তাইহে আইনী সেৱা আগবঢ়াব পাৰিব। কিন্তু ভাৰতে কুলভূষণৰ বাবে এজন ভাৰতীয় অধিবক্তাক নিয়োগৰ দাবী উত্থাপন কৰিছে।

# বি পি এফক কোনোৱে পৰাভূত কৰিব নোৱাৰে ঃ ব্ৰহ্ম

## শিমলাত সহস্ৰাধিকৰ বি পি এফত যোগদান

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ২১ আগষ্ট ঃ** বি টি চি পৰিষদীয় নিৰ্বাচনৰ দিন বৰ্তমানেও ঘোষণা হোৱা নাই যদিও বি টি এ ডিত ভিতৰি ভিতৰি বলিছে নিৰ্বাচনী গৰম বতাহ। বাগসা জিলাৰ শালবাৰীৰ শিমলাত ইউ পি পি এল, গণ সুৰক্ষা পাৰ্টি, বিজেপি আদি দলৰ পৰা সৰ্বমুঠ ১৪৭০ জনে বি পি এফত যোগদান কৰে। শালবাৰীৰ শিমলাস্থিত ককলাবাৰী ব্লক বি পি এফ কমিটীৰ উদ্যোগত ককলাবাৰী ব্লক বি পি এফৰ কাৰ্যালয়ত কালি অনুষ্ঠিত এখন সভাত শালবাৰী মহকুমাৰ ভিন্ন প্ৰান্তৰ পৰা আহি বৃহৎসংখ্যক ব্যক্তিয়ে বি পি এফত যোগদান কৰে। ককলাবাৰী ব্লক বি পি এফ কমিটীৰ সভাপতি শংকৰ বসুমতাৰীয়ে আঁত ধৰা সভাত ৰাজ্যৰ পৰ্যটন আৰু ভৈয়াম জনজাতি উন্নয়ন মন্ত্ৰী চন্দন ব্ৰহ্মৰ উপস্থিতিত বি পি এফত যোগদান কৰাসকলৰ ভিতৰত ১৩০ ইউ পি পি এলৰ, ১২৮০ গণ সুৰক্ষা পাৰ্টিৰ আৰু ৬০ জন বিজেপিৰ লোক আছে। কাৰ্যসূচীত মন্ত্ৰী ব্ৰহ্মৰ উপৰি চাপাগুৰি সমষ্টিৰ বিধায়ক থানেশ্বৰ বসুমতাৰী, ককলাবাৰী পৰিষদীয় সমষ্টিৰ বি পি এফ প্ৰাৰ্থী ধীৰেণ বড়ো, বি টি চিৰ প্ৰাক্তন কাৰ্যবাহী সদস্য বুদ্ধি নাৰ্জাৰী, বনমালী বড়ো প্ৰমুখ্যে বি পি এফৰ কে'বাগৰাকী বিষয়া-কৰ্মকৰ্তা উপস্থিত থাকে। এই যোগদান কাৰ্যসূচীৰ পাছতে মন্ত্ৰী ব্ৰহ্মই সাংবাদিকৰে মুখামুখি হৈ কয় যে বি টি চিত বি পি এফে পুনৰ চৰকাৰ গঠন কৰিব, পুনৰাই বি টি চি চীপ হ'বলৈ গৈ আছে হাগ্ৰামা মহিলাৰীৰ। আনহাতে, নিৰ্বাচনত বি পি এফে ৩০ খন আসন লাভ কৰিব বুলি কৈ কোনো অন্য ৰাজনৈতিক শক্তিয়ে বি পি এফক পৰাভূত কৰিব নোৱাৰে বুলিও মন্তব্য কৰে মন্ত্ৰীজনে। লগতে মন্ত্ৰী ব্ৰহ্মই কয়, 'বি টি আৰ চুক্তিত কোনো সাংবিধানিক বিধি ব্যৱস্থা নাই। কিন্তু বি টি চি চুক্তিৰ জৰিয়তে সাংবিধানিক অধিকাৰ লাভ কৰিব পাৰে। বি টি আৰ চুক্তিৰ প্ৰতি ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ কেবিনেটৰ কোনো সিদ্ধান্ত নাই। ইয়াৰ দ্বাৰা কোনো উন্নয়নমূলক কাম নহয়। ইউ পি পি এলে বড়ো ৰাইজক দিয়া প্ৰতিশ্ৰুতি ৰক্ষা কৰাত ব্যৰ্থ হৈছে।

# খাদ্য সুৰক্ষা চাউলৰ পৰা বঞ্চিত ৰাইজ

## হোজাইত যোগান বিভাগৰ দুৰ্নীতি

অগ্ৰদূত বাৰ্তা

**হোজাই, ২১ আগষ্ট ঃ** ৰাজ্যজুৰি যোগান বিভাগৰ কেলেংকাৰি পাছতেই খাদ্য সুৰক্ষা চাউলৰ পৰা বঞ্চিত হৈ দৰিদ্ৰ সীমাৰেখাৰ তলৰ সাধাৰণ জনতাই প্ৰতিবাদ কৰা ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। যোৱা চাৰি আগষ্টত হোজাই জিলাত অৰ্থনৈতিক অপৰাধ শাখাৰ অভিযানৰ পাছৰ পৰাই বন্ধ হৈ আছে চৰকাৰী চাউল যোগান আঁচনি। ইফালে কৰ'নাত আৱদ্ধ আনফালে খাদ্যৰ অভাৱ। তাৰ মাজতেই বন্ধ হৈ আছে চৰকাৰী চাউল যোগান আঁচনি। ফলত এমুঠি খাদ্যৰ বাবে হাহাকাৰ উঠিছে সাধাৰণ জনতা। কেলেংকাৰি কৰিছে যোগান বিভাগে, দুৰ্ভোগ ভুগিছে দুখীয়া শ্ৰেণীৰ সাধাৰণ জনতাই। এই লৈ হোজাই জিলাত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে যোগান বিভাগৰ বৃহৎ কেলেংকাৰি হোৱাৰ বাবেই ৰাজ্যখনৰ বিভিন্ন জিলাত অৰ্থনৈতিক অপৰাধ শাখাৰ চলিছিল অভিযান। হোজাই জিলাতো যোৱা চাৰি আগষ্টত ডবকা সমবায় সমিতিৰ কাৰ্যালয়, লংকা দৰ্গাও আৰু হোজাই জনকল্যাণ সমবায় সমিতিত অতৰ্কিতে অসম আৰক্ষীৰ অৰ্থনৈতিক অপৰাধ শাখাৰ পাঁচজনীয়া এটি দলে অভিযান চলায় বিভিন্ন নথি-পত্ৰ জব্দ কৰি লৈ গৈছিল। গুৱাহাটীৰ পৰা অৰ্থনৈতিক অপৰাধ শাখাৰ এগৰাকী উপ-আৰক্ষী অধীক্ষকৰ নেতৃত্বত চলা দলটোত কে'বাজনো যোগান বিভাগৰ বিষয়াও আছিল। দলটোৱে সমবায় সমিতিৰ গুদাম ঘৰৰ উপৰি কাৰ্যালয়ৰ বিভিন্ন নথি-পত্ৰ পৰীক্ষা কৰাৰ লগতে বহুকেইজন সমবায় এজেন্টক, সুলভ মূল্যৰ দোকানীক দলটোৱে সোধ-পোছো কৰিছিল। অৱশ্যে দলটোৰ এই অভিযান কালত কাকো আটক কৰা নাই যদিও তদন্তৰ বাবে বহু নথি-পত্ৰ জব্দ কৰি গুৱাহাটীলৈ গৈছিল। তলাবন্ধৰ সময়ত চৰকাৰে দুখীয়া লোকৰ বাবে আৰম্ভণ দিয়া প্ৰধানমন্ত্ৰী গৰিব যোজনাৰ চাউল তথা অন্যান্য চৰকাৰী আঁচনিৰ চাউল বিতৰণৰ নামত যোগান বিভাগ, বহু সুলভ মূল্যৰ দোকানী, এজেন্টসকলে ব্যাপক খেলিমেলি কৰাৰ অভিযোগ উত্থাপিত হৈ আছিল। তদুপৰি বহু এজেন্ট, সুলভ মূল্যৰ দোকানীয়ে নিৰ্ধাৰিত পৰিমাণতকৈ কম পৰিমাণে চাউল দুখীয়া লোকক দিয়াৰ অভিযোগ উত্থাপিত হৈছিল। কিন্তু অৰ্থনৈতিক অপৰাধ শাখাৰ অভিযানৰ পাছৰ পৰাই দুখীয়া শ্ৰেণীৰ লোকৰ চাউল যোগান ৰহস্যজনকভাৱে বন্ধ হৈ থকাত ক্ষোভিত হৈ পৰিছে খাদ্য সুৰক্ষা আইনৰ অধীনত দুখীয়া শ্ৰেণীৰ সাধাৰণ জনসাধাৰণে।

# ৰামপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস পালন

**ছয়গাঁও, ২১ আগষ্ট ঃ** দক্ষিণ কামৰূপৰ ৰামপুৰ আঞ্চলিক মহাবিদ্যালয়ে কালি ২৫ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন কৰে। সেই উপলক্ষে আয়োজন কৰা এক আলোচনা সভাত অংশগ্ৰহণ কৰি বকোৰ জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপক ড° অৱনী কুমাৰ দাসে দক্ষিণ কামৰূপৰ ৰামপুৰ আঞ্চলিক মহাবিদ্যালয়ে বৃহত্তৰ অঞ্চলটোৰ বৌদ্ধিক নেতৃত্ব ল'বলৈ সাজু হওক বুলি উল্লেখ কৰি অঞ্চলটোৰ সামগ্ৰিক বিকাশ কৰিবলৈ হ'লে ৰামপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ যথেষ্ট কৰণীয় আছে বুলি কয়। তেওঁ প্ৰাদেশিকীকৰণত মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলৰ দায়িত্ব বহু বাঢ়িল বুলিও কয়। অসম চৰকাৰে প্ৰাদেশিকীকৰণৰ আওতালৈ অনাৰ দুদিন পাছতে অনুষ্ঠিত হোৱা আজিৰ প্ৰতিষ্ঠা দিৱসৰ দিনটো এটা বিশেষভাৱে স্মৰণীয় হৈ ৰ'ব বুলি তেওঁ মন্তব্য কৰে। উক্ত সভাত অংশগ্ৰহণ কৰি প্ৰতিষ্ঠাৰ সময়ৰ কৰ্মচাৰী তথা সাংবাদিক বিমল শৰ্মাই যিসকল বিদ্যানুৰাগী মহানুভৱ ব্যক্তিৰ যত্ন-চেষ্টাত ১৯৯৬ত স্নাতক পৰ্যায়ৰ এইখন মহাবিদ্যালয় গঢ় লৈছিল আৰু তেওঁলোকৰ যিসকল প্ৰয়াত হৈছে তেওঁলোকৰ অৱদানক কৃতজ্ঞতাৰে সোঁৱৰণ কৰে। পৰিচালনা সমিতিৰ সভাপতি মহেশ কলিতাৰ সভাপতিত্বত অনুষ্ঠিত সভাত ৰামপ্ৰসাদ দাস, শিক্ষক বিমল কলিতা, অধ্যাপক মনোৱাৰ হুছেইন, ছাত্ৰ নেতা ৰূপম কলিতাকে ধৰি কে'বাজনো বক্তাই ভাষণ আগবঢ়ায়। ইয়াৰ পূৰ্বে পুৱা ১০ বজাত ২৫ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি মহেশ কলিতাই। যোৱা ১৫ আগষ্টত আকস্মিকভাৱে মৃত্যু মুখত পৰা সাতপখলীৰ ৰামকান্ত দাসৰ স্মৃতিত প্ৰাৰ্থনা জনোৱা হয়।




*টংলাৰ সংশোধিত নাগৰিকত্ব আইন-ই আই এৰ বিৰুদ্ধে আছু-অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ মানৱ শৃংখল, শুকুৰবাৰে।*

# তেজপুৰত গুৰুজনাৰ তিৰোভাৱ তিথি পালন

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ২১ আগষ্ট ঃ** ৰাজ্যৰ অন্যান্য প্ৰান্তৰৰ লগতে তেজপুৰতো আয়োজন কৰা হয় মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথি। কৰ'নাৰ মেৰপাকত আৱদ্ধ প্ৰতিকূল সময়ৰ মাজতো তেজপুৰৰ সত্ৰ নামঘৰসমূহত ৰাইজে পালন কৰে গুৰুজনাৰ তিৰোভাৱ তিথি। কালি পুৱাৰে পৰাই তেজপুৰৰ সত্ৰ নামঘৰসমূহৰ পৰিৱেশ নাম-প্ৰসংগৰে বৈকুণ্ঠপুৰীত পৰিণত হয়। মহাপুৰুষজনাৰ তিৰোভাৱ তিথি মাজগাঁও বৰ নামঘৰত সীমিত সংখ্যকৰ উপস্থিতিত পালন কৰা হয়। পুৱাই বৰ নামঘৰত কীৰ্তন পাঠ, নাম-কীৰ্তন পাঠ, নাম কীৰ্তন কৰা হয়। আনহাতে, ডেকাৰগাঁৰৰ ঐতিহ্যমণ্ডিত ঊষা নাট্য মন্দিৰ তথা ৰাস মন্দিৰতো ৰাইজে পালন কৰে তিৰোভাৱ তিথি। এনেকদৰে ডেকাৰগাঁৰৰ ডেকাচুবুৰি, ঘৰপৰা চুবুৰি, শইকীয়া চুবুৰি, দ' পৰ্বতীয়া, ঐতিহাসিক নিকামূল সত্ৰ, চুপহা সত্ৰ, ব্ৰহ্মচাৰী সত্ৰ, ডেকাৰগাঁও শইকীয়া চুবুৰি, মইনা চুবুৰি ৰাজহুৱা নামঘৰ, খৰা আটি ৰাজহুৱা নামঘৰকে ধৰি তেজপুৰৰ সকলো নামঘৰ তথা সত্ৰতে গুৰুজনাৰ ৪৫২ সংখ্যক তিৰোভাৱ তিথি পালন কৰা হয়।

# অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰেমধৰ বৰুৱাৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**দুমুনিচকী, ২১ আগষ্ট ঃ** দৰং জিলাৰ পাটগিৰিচুবা গাঁৰৰ অৱসৰপ্ৰাপ্ত শিক্ষক, সমাজকৰ্মী প্ৰেমধৰ বৰুৱা (৭২)ৰ যোৱা ১৮ আগষ্টত বিয়োগ ঘটে। বৰুৱাই মধুমেহ আৰু যকৃতৰ ৰোগত দীৰ্ঘদিন ধৰি আক্ৰান্ত হৈ আছিল। ১৯৪৮ৰ আগষ্টত জন্মগ্ৰহণ কৰা বৰুৱাই মৃত্যুৰ সময়ত ইহসংসাৰত পত্নী, দুই পুত্ৰ, জীয়ৰী এৰি যায়।

# গুৰুবন্দনাৰে মুখৰিত গোৱালপাৰাৰ বিভিন্ন সত্ৰ নামঘৰ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২১ আগষ্ট ঃ** ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে গোৱালপাৰা জিলাৰ বিভিন্ন সত্ৰ-নামঘৰত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৪৫২ সংখ্যক তিৰোভাৱ তিথি উপলক্ষে কালি হৰি বন্দনাৰে মুখৰিত হৈ পৰে। পুৱাৰে পৰা গোৱালপাৰা চহৰৰ শ্যামৰায় সত্ৰ, বগুৱানৰ কেওলীয়া হাতী সত্ৰ, বলবলাৰ ফফংগা সত্ৰ, বাপুজীনগৰ নামঘৰ আদিৰ লগতে বিভিন্ন সত্ৰ, নামঘৰসমূহ নাম-প্ৰসংগৰে মুখৰিত হৈ পৰে। মহামাৰী কৰ'না ভাইৰাছৰ বাবেই সীমিত সংখ্যক ভক্তই জিলাখনৰ সত্ৰ-নামঘৰসমূহত কালি পালন কৰে গুৰুজনাৰ তিৰোভাৱ তিথি। ঠায়ে ঠায়ে পুৱা প্ৰসংগৰ পাছতে দিনজোৰা কাৰ্যসূচীৰে আয়তীৰ নাম-প্ৰসংগ অনুষ্ঠিত হয়।

# নগাঁও জিলা সাহিত্য সভাৰ ৪৯ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

বিশেষ সংবাদদাতা

**নগাঁও, ২১ আগষ্ট ঃ** নগাঁও জিলা সাহিত্য সভাৰ ৪৯ সংখ্যক প্ৰতিষ্ঠা দিৱস কালি উদ্‌যাপন কৰা হয়। জিলা সাহিত্য সভাৰ কাৰ্যালয়ত অনুষ্ঠিত এই কাৰ্যসূচীসমূহৰ সভাৰ পতাকা উত্তোলনৰে আৰম্ভ কৰে জিলা সভাপতি পৰাণ কুমাৰ বৰুৱাই। পতাকা উত্তোলন কাৰ্যসূচীত অসম সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক পদুম ৰাজখোৱাই জিলা সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱসৰ ইতিহাসৰ লগতে আহি থকা দিনত জিলাখনে সাহিত্যৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি আশা প্ৰকাশ কৰে। বন্তি প্ৰজ্বলন কাৰ্যসূচীৰ আৰম্ভ কৰে অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য স্বপ্না কলিতা, আবুল খায়েৰ আহমেদে। ইয়াৰ পাছতে জিলা সভাপতি পৰাণ কুমাৰ বৰুৱাৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত হয়। উক্ত সভাতে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ৰতিমোহন নাথে জিলা সাহিত্য সভাৰ ইতিহাস সম্বলিত ভাষণ প্ৰদান কৰে। আনহাতে, সত্ৰাধিকাৰ-বৈষ্ণৱ পণ্ডিত-সাহিত্যিক পেঞ্চনাৰ নাৰায়ণ চন্দ্ৰ দেৱগোস্বামী স্মাৰক বক্তৃতা প্ৰদান কৰে জিলা উপ-সভাপতি থগিত চন্দ্ৰ মহন্তই আৰু শিল্পী চিত্ৰদেৱ মহন্তই। জিলা সাহিত্য সভাৰ সম্পাদক ৰেৱত হাজৰিকাই সমগ্ৰ অনুষ্ঠানৰ কাৰ্যসূচী আঁত ধৰে। কৰ'না অতিমাৰীৰ বাবে অনুষ্টুপীয়াকৈ অনুষ্ঠিত কৰা এই অনুষ্ঠানটোত জিলা সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য উপেন বৰা, গজেন বৰা, ৰজত বৰা, ড° দিলীপ শৰ্মা, নীলোৎপল চাংমাই, আৰতি মজুমদাৰ, ৰিণি নেওগ বৰা, দিপীকা নাথ, ময়ূৰ কুমাৰ বৰা, বিচিত্ৰ নাৰায়ণ বৰা, চিনু কাকতি, স্মৃতা কলিতা, প্ৰদীপ শইকীয়া, নজিবুৰ ৰহমান, দীপ্তি বৰা, ৰিতুৰাজ বৰা, জেউতি হাজৰিকা, ৰাজীৱ হাজৰিকা প্ৰমুখ্যে বহুকেইজন কাৰ্যনিৰ্বাহক সদস্য উপস্থিত থাকে।

# দৰঙৰ ৬৪৪ কৃতী ছাত্ৰ-ছাত্ৰীলৈ লেপটপ প্ৰদান

বিশেষ সংবাদদাতা

**মঙলদৈ, ২১ আগষ্ট ঃ** ২০১৯-২০ৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৭৫ শতাংশ নম্বৰ লাভ কৰা দৰং জিলাৰ ৬৪৪ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীলৈ আজি আনন্দৰাম বৰুৱা বঁটা প্ৰদান কৰা হয়। মঙলদৈ নগৰ বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত এক অনুষ্টুপীয়া বঁটা প্ৰদান অনুষ্ঠানত মঙলদৈৰ বিধায়ক গুৰুজ্যোতি দাস আৰু দৰঙৰ উপায়ুক্ত দিলীপ কুমাৰ বৰাই ছাত্ৰ-ছাত্ৰীসকলক একোটাকৈ লেপটপ, প্ৰমাণপত্ৰ আৰু জিঅ' ৱাই ফাই প্ৰদান কৰে। অনুষ্ঠানত দৰং জিলাৰ বিদ্যালয়সমূহৰ ভাৰপ্ৰাপ্ত পৰিদৰ্শক ড° জোৱাহিৰা তাবাচ্চুম আৰু মঙলদৈ নগৰ বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা অমিয়া দত্ত উপস্থিত থাকে। বঁটা প্ৰদানৰ উদ্দেশ্যে শাৰীৰিক দূৰত্ব বজাই ৰাখি অতি কমসংখ্যক ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত হোৱা সভাত বিধায়ক গুৰুজ্যোতি দাসে লেপটপ লাভ কৰা কৃতী ছাত্ৰ-ছাত্ৰীসকলক এই লেপটপ চিনেমা চোৱা বা অন্য অলাগতিয়াল কামত ব্যৱহাৰ নকৰি শিক্ষা অৰ্জনৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিবলৈ আহ্বান জনায়। তেওঁ ছাত্ৰ-ছাত্ৰীসকলৰ উদ্দেশ্যে কয় যে কেৱল পাঠ্যক্ৰমৰ পঢ়াত ব্যস্ত নাথাকি জীৱনৰ লক্ষ্যত উপনীত হ'বলৈ ডাঙৰ ডাঙৰ লেখকৰ বাস্তৱধৰ্মী গ্ৰন্থ অধ্যয়ন কৰিব লাগে। আনহাতে, উপায়ুক্ত দিলীপ কুমাৰ বৰাই বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীসকলে যথেষ্ট সুবিধা লাভ কৰিছে বুলি উল্লেখ কৰি তেওঁলোকক উন্নত প্ৰযুক্তিৰ সহায়ত সঠিক দিশত আগবাঢ়ি যাবলৈ আহ্বান জনায়। মঙলদৈৰ উপৰি ছিপাঝাৰ বৰদৌলগুৰিৰ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ বিদ্যাপীঠ, দলগাঁও বালিকা মধ্য ইংৰাজী বিদ্যালয় আৰু দিপীলা হাইস্কুলতো লেপটপসমূহ বিতৰণ কৰা হয়।

# কৰ্তৃপক্ষৰ অজ্ঞাতে নিৰ্মাণ কাৰ্যৰ নামত বিদ্যালয় চৌহদ-খেলপথাৰৰ অনিষ্ট সাধন

বিশেষ সংবাদদাতা

**ওদালগুৰি, ২১ আগষ্ট ঃ** মহামাৰী ক'ভিড-১৯ৰ ভয়াৱহতাৰ পৰিপ্ৰেক্ষিতত বিদ্যালয়সমূহ বন্ধ থকাৰ মাজতে ওদালগুৰি চহৰৰ মাজমজিয়াত সংঘটিত হ'ল আজৱ কাণ্ড। বিদ্যালয় কৰ্তৃপক্ষৰ অজ্ঞাতে শিশু উদ্যান নিৰ্মাণৰ নামত বিদ্যালয়ৰ চৌহদ তথা খেলপথাৰ অনিষ্ট কৰাৰ অভিযোগ উত্থাপিত হৈছে। ওদালগুৰি চহৰৰ মাজমজিয়াত থকা ১৯৬১ত স্থাপিত উত্তৰ ওদালগুৰি নগৰ প্ৰাথমিক বিদ্যালয় পৰিচালনা সমিতিয়ে কালি সংবাদ মাধ্যমলৈ এক বিবৃতি প্ৰেৰণ কৰে। সমিতিৰ সভাপতি ভৱেন ৰাজবংশী আৰু প্ৰধান শিক্ষয়িত্ৰী অঞ্জু দত্ত ভূঞা স্বাক্ষৰিত বিবৃতিটোত কয় যে বিগত ১৩ আগষ্টত বিদ্যালয় বন্ধ থকাৰ সময়তে এচাম ঠিকাদাৰে বিদ্যালয় চৌহদৰ পকীবেৰ তথা বিদ্যালয় চৌহদৰ ভিতৰত থকা শিশু উদ্যানৰ সামগ্ৰীসমূহ ভাঙি লণ্ড-ভণ্ড কৰে। এই সন্দৰ্ভত সাংবাদিকে বিদ্যালয় পৰিচালনা সমিতিৰ স'তে যোগাযোগ কৰাত তেওঁলোকে কয় যে বিদ্যালয় কৰ্তৃপক্ষৰ সম্পূৰ্ণ অজ্ঞাতে একাংশ তথাকথিত ঠিকাদাৰে এনে কাৰ্য সংঘটিত কৰিছে। যদিহে বিদ্যালয় চৌহদত থকা শিশু-উদ্যানখন পুনৰ নিৰ্মাণ কৰা হয় তেন্তে সেয়া নিশ্চয় বিদ্যালয় কৰ্তৃপক্ষৰ জ্ঞাতসাৰে হোৱাটো বাঞ্ছনীয়। কিন্তু কি ধৰণৰ আঁচনিৰ অধীনত কৰ্তৃপক্ষৰ অজ্ঞাতে ঠিকাদাৰে উক্ত কামটো কৰিবলৈ আগবাঢ়ি বিদ্যালয় চৌহদ তথা খেলপথাৰৰ ক্ষতিসাধন কৰিলে তাক লৈ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এক সূত্ৰৰ পৰা লাভ কৰা খবৰ অনুসৰি বিদ্যালয়ৰ ভূমিত পূৰ্বৰে পৰা স্থাপিত জ্যোতি-বিষ্ণু শিশু উদ্যানখন নতুনকৈ নিৰ্মাণৰ উদ্দেশ্যে ২৫ লাখ টকা ব্যয় সাপেক্ষে এক আঁচনি লোৱা হৈছে। কিন্তু কি কাৰণত বিদ্যালয় চৌহদত নিৰ্মাণ হ'বলগীয়া আঁচনিৰ কথা ঠিকাদাৰসকলে কৰ্তৃপক্ষক অৱগত নকৰাকৈ আৰম্ভ কৰিবলৈ গৈ বিদ্যালয়খনৰ ক্ষতিসাধন কৰিলে তাক লৈ এক ৰহস্য থকা বুলিও বিদ্যালয় কৰ্তৃপক্ষই সন্দেহ প্ৰকাশ কৰে। এক সূত্ৰই শিশু উদ্যানৰ ভূমি বিদ্যালয়খনৰ নহয় বুলি দাবী কৰিব খোজে যদিও বিদ্যালয় কৰ্তৃপক্ষই সম্পূৰ্ণ উদ্যানখন বিদ্যালয়ৰ ভূমিত স্থাপিত বুলি দাবী কৰিছে।

# উত্তৰ শালমাৰাৰ মেৰেৰচৰত মানাহ নৈৰ খহনীয়া

## কাণসাৰ নাই জলসম্পদ বিভাগৰ

অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ২১ আগষ্ট ঃ** মানাহ নৈয়ে উত্তৰ শালমাৰা মহকুমাৰ মেৰেৰচৰত খহনীয়াই তীব্ৰ ৰূপ ধাৰণ কৰাৰ ফলতে বিগত দিনকেইটাত আঠ-১০ টা পৰিয়ালৰ ঘৰ-বাৰী উছন কৰাৰ বিপৰীতে বান্ধ এটাৰো বহুখিনি বিধ্বস্ত কৰে। উল্লেখ্য যে মানাহ নৈয়ে বিগত বাঢ়নী পানীৰ সময়ত গতি সলাই মেৰেৰচৰ পঞ্চায়তৰ ডুবাচুৰী অঞ্চললৈ গতি কৰাত ক্ৰমান্বয়ে তাত খহনীয়া আৰম্ভ কৰে। খহনীয়াই তীব্ৰ ৰূপ ধাৰণ কৰাত শংকিত গঞাই বিগত সময়ছোৱাত প্ৰশাসনক খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা ল'বলৈ আবেদন-নিবেদন কৰে যদিও প্ৰশাসনৰ তৰফৰ পৰা কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে। খহনীয়াৰ কবলত পৰিয়েই ডুবাচুৰী-চিকাটাৰী নৈ সুৰক্ষা বান্ধৰ প্ৰায় আধা কিলোমিটাৰ অংশ বিধ্বস্ত কৰাৰ লগতে নৈৰ পাৰত থকা কে'বাটাও পৰিয়ালৰ ঘৰ-বাৰী উছন হয়। এনে অৱস্থাত বিগত বানৰ সময়ত নৈৰ পানীৰ ধল বাগৰি পঞ্চায়তখনৰ বহু অঞ্চল জলমগ্ন কৰে। খহনীয়াই তীব্ৰ ৰূপ ধাৰণ কৰাৰ পাছত বঙাইগাঁও জিলা পৰিষদৰ পৰা খহনীয়া প্ৰতিৰোধৰ বাবে দুইলাখ টকা বাঁহৰ পাৰ্কুপাইন বহুওৱাৰ বাবে আৱণ্টন দিয়া হয়। ইয়াৰ পাছতো বাঁহৰ পাৰ্কুপাইনেৰে খহনীয়া প্ৰতিৰোধ কৰিবলৈ সক্ষম নোহোৱাত অৰ্ধেকখিনিয়ে নৈৰ বুকুত জাহ যায়। খহনীয়াই তাণ্ডৱ চলোৱাৰ পাছতো জলসম্পদ বিভাগে এই ক্ষেত্ৰত কাণসাৰ নিদিয়াত ক্ষোভিত হৈ পৰিছে ৰাইজ। খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা ল'বলৈ প্ৰশাসন তথা বিভাগক দাবী জনাইছে।

# ভয়ংকৰ পথ দুৰ্ঘটনাত দুজনৰ কথমপি প্ৰাণৰক্ষা

অগ্ৰদূত বাৰ্তা

**পুৰণিগুদাম, ২১ আগষ্ট ঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অধীনৰ পুৰণিগুদাম চলচলি ব্ৰাহ্মণ গাঁৱত কালি বিয়লি প্ৰায় পাঁচ বজাত এক পথ দুৰ্ঘটনা সংঘটিত হয়। এ এছ-০১ বি এন নম্বৰৰ হোণ্ডাই একচেন গাড়ী দুজন আৰোহীসহ চলচলিৰ পৰা পুৰণিগুদাম পথেৰে গৈ থকাৰ সময়ত ব্ৰাহ্মণ গাঁৱৰ পথৰ এটা পুলত প্ৰচণ্ড জোৰেৰে খুণ্ডা মাৰি গাড়ীখন বাগৰি পৰে। গাড়ীখন বাগৰি ভাঙি চুৰমাৰ হয় যদিও দুয়োজন আৰোহী আহত নোহোৱাকৈ স্থানীয় ৰাইজৰ সহযোগত উদ্ধাৰ হয়।

# মৰনৈত চোৰাং বালিৰ ট্ৰেক্টৰ জব্দ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২১ আগষ্ট ঃ** ৰাক্ষসিণী সংৰক্ষিত বনাঞ্চলৰ গৰৈমাৰীৰ পৰা চোৰাংকৈ গছ কাটি থকা অৱস্থাত কালি আবেলি স্থানীয় ৰাইজে দুজন যুৱকক আটক কৰি বন বিভাগক গতাই দিয়ে। যুৱক দুজন ৰাক্ষসিণী শান্তিপুৰৰ মফিদুল ইছলাম (২৫) আৰু ডোপতলাৰ ছফিকুল ইছলাম (২৫)। যুৱক দুজনক আজি বিভাগীয় নিয়ম মতে কাৰাগাৰলৈ প্ৰেৰণ কৰা হ'ব বুলি গোৱালপাৰাৰ বনাঞ্চলিক বিষয়া শান্তনা মেধীয়ে জানিবলৈ দিয়ে। ইপিনে, কালি আবেলি বনাঞ্চলিক বিষয়াগৰাকীয়ে অভিযান চলাই মৰনৈস্থিত মাটিয়া উদ্যোগ বিকাশ কেন্দ্ৰত নিৰ্মাণৰত হিন্দুস্থান পেট্ৰ'লিয়াম কৰ্প'ৰেচন লিমিটেডৰ কামৰ বাবে আনি থকা অৱস্থাত এ এছ-১৮ চি ৯৪৬১ নম্বৰৰ চোৰাং বালিৰ ট্ৰেক্টৰ এখন জব্দ কৰি কাৰ্যালয়লৈ আনে।

# চিৰাঙত হাগ্ৰামা মহিলাৰীৰ সভাত নিষিদ্ধ সংবাদ মাধ্যম

অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ২১ আগষ্ট ঃ** বিটিচি পৰিষদীয় নিৰ্বাচন সমাগত। নিৰ্বাচন আয়োগে যিকোনো মুহূৰ্ততে ঘোষণা কৰিব পাৰে বিটিচিৰ পৰিষদীয় নিৰ্বাচনৰ দিন। এই সময়ছোৱাত নিজৰ নিজৰ দলৰ নিৰ্বাচনী প্ৰচাৰত ব্যস্ত হৈছে ৰাজনৈতিক দল তথা নেতা। এই সময়ছোৱাত বিগত ১৭ টা বছৰে বিটিচি প্ৰধান হৈ থকা বিপিএফ দলৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে গোপনে চলাই গৈছে নিজৰ নিৰ্বাচনী প্ৰচাৰ। হাগ্ৰামা মহিলাৰীৰ অনুষ্ঠানত সংবাদ মাধ্যমৰ লোক উপস্থিত নাথাকিলে দলীয় নেতৃত্বই তিৰস্কাৰৰো সন্মুখীন হ'বলগীয়া হৈছিল হাগ্ৰামা মহিলাৰীৰ। কিন্তু শেহতীয়াকৈ কিছু ব্যতিক্ৰম পৰিলক্ষিত হৈছে। যোৱা দুদিনত চিৰাং জিলাৰ বিজনী আৰু কাজলগাঁও মহকুমাৰ বিভিন্ন ঠাইত কে'বাখনো দলীয় সভাত অংশগ্ৰহণ কৰিছে হাগ্ৰামা মহিলাৰীয়ে। কিন্তু সংবাদ মাধ্যমক নিষিদ্ধ কৰা হৈছে তেওঁৰ সভাত। হাগ্ৰামা মহিলাৰীৰ সভা লৈ গ'লেও এতিয়া সাংবাদিকে বাতৰি সংগ্ৰহ কৰিব নোৱাৰে। কিন্তু কিয় এই নিষেধাজ্ঞা সেয়া এতিয়াও স্পষ্ট হোৱা নাই। নিজৰ দলীয় সভা হাগ্ৰামা মহিলাৰীয়ে গোপনে কিয় কৰিবলগীয়া হৈছে সেই লৈ এতিয়া সৰৱ চৰ্চা হৈছে। বিটিচি ভংগৰ পাছত বৰ্তমান ৰাজ্যপালৰ শাসন বলৱৎ থকা সময়ছোৱাত অন্যান্য ৰাজনৈতিক দলসমূহে নিৰ্বাচনী প্ৰচাৰ তথা সভা-সমিতি মুকলিভাৱেই চলাই গৈছে। ব্যতিক্ৰম মাথোঁ হাগ্ৰামা মহিলাৰীৰ ক্ষেত্ৰতহে দেখিবলৈ পোৱা হৈছে।

# কলাইগাঁৱত অবৈধ কাঠফলা কল উচ্ছেদৰ দাবী অসমীয়া যুৱ মঞ্চৰ

অগ্ৰদূত বাৰ্তা

**কলাইগাঁও, ২১ আগষ্ট ঃ** ওদালগুৰি জিলাৰ কলাইগাঁৱত ব্যাপক হাৰত চলি থকা অবৈধ কাঠফলা কল অতি শীঘ্ৰে উচ্ছেদৰ দাবীত ধনশ্ৰী বন সংমণ্ডল বিষয়াক বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ কলাইগাঁও আঞ্চলিক সমিতিয়ে এখন স্মাৰকপত্ৰ প্ৰদান কৰে। উল্লেখ্য যে বন বিভাগৰ ছত্ৰছায়াতে সমগ্ৰ ওদালগুৰি জিলাৰ বিভিন্ন প্ৰান্তৰ লগতে কলাইগাঁও অঞ্চলতো দীৰ্ঘদিন ধৰি একাংশ ব্যৱসায়ীয়ে অবৈধ কাঠফলা কল স্থাপন কৰি গ্ৰামাঞ্চলত বন ধ্বংস কৰি আহিছে। এই ব্যৱসায়ী চক্ৰটোৱে অপৈণত গছ-গছনি কাটি প্ৰাকৃতিক ভাৰসাম্য নষ্ট কৰিছে। বিশেষকৈ বৃহত্তৰ কলাইগাঁও অঞ্চলৰ খাছ ৰণথলি, উত্তৰ বোক্ৰাঝাৰ, কবিৰালী, শগুনবাহী, নাপ্তিপাৰা, হাবিভাঙা, ওজাগাঁও আৰু ভোলাবাৰীকে ধৰি কে'বাখনো গাঁৱত দীৰ্ঘদিন ধৰি বন সংমণ্ডল বিষয়া, ৰেঞ্জাৰ তথা খণ্ড বন বিষয়াৰ স'তে গোপন বুজাবুজি কৰি অবৈধ কাঠফলা কল স্থাপন কৰি ৰমৰমীয়া ব্যৱসায় চলাই আছে। উল্লেখ্য যে খাছ ৰণথলী গাঁৱত অবৈধভাৱে স্থাপন কৰা আটাইকেইটা কাঠফলা কল দৰং জিলা বন বিভাগে যোৱাবাৰ উচ্ছেদ কৰিছিল যদিও পুনৰ স্থাপন কৰি অবৈধভাৱে কাঠ ফালি ব্যৱসায় চলাই আছে। ইপিনে, কলাইগাঁও আঞ্চলিক বৃহত্তৰ অসমীয়া যুৱ মঞ্চই স্মাৰকপত্ৰ প্ৰদান কৰা এসপ্তাহ অতিক্ৰম কৰাৰ পাছতো বন সংমণ্ডল বিষয়াই অবৈধ কাঠফলা কল আৰু ব্যৱসায়ীৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ নকৰাত ক্ষুব্ধ হৈ পৰিছে সংগঠনটোৰ নেতৃবৃন্দ। বন সংমণ্ডল বিষয়াজনৰ ভূমিকাত ক্ষুণ্ণ সংগঠনটোৰ নেতৃত্বই বিভাগীয় ঊৰ্ধ্বতন কৰ্তৃপক্ষৰ উপৰি ৰাজ্যপালকো বিষয়টোৰ সন্দৰ্ভত অৱগত কৰিবলৈ প্ৰস্তুতি চলাইছে।

# ৰাজীৱ গান্ধীৰ জন্মদিন উদ্‌যাপন

বিশেষ সংবাদদাতা

**নগাঁও/পুৰণিগুদাম/বিশ্বনাথ চাৰিআলি, ২১ আগষ্ট ঃ** প্ৰয়াত ভাৰতৰত্ন ৰাজীৱ গান্ধীৰ ৭৬ সংখ্যক জন্মদিৱস কালি নগাঁৱৰ ৰাজীৱ ভৱনত দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। নগাঁও জিলা কংগ্ৰেছৰ এই কাৰ্যসূচীৰ অংশৰূপে এখন স্মৃতিচাৰণ সভাও অনুষ্ঠিত হয়। নগাঁও জিলা কংগ্ৰেছৰ সভাপতি তপন কুমাৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত জ্যেষ্ঠ নেতা তথা প্ৰাক্তন মন্ত্ৰী ৰকিবুল হুছেইন, প্ৰাক্তন বিধায়ক ডাঃ দুৰ্লভ চমুৱা আদিয়ে ৰাজীৱ গান্ধীৰ গুণৰাজি আৰু কৰ্মৰাজিৰ আলোকপাত কৰি ভাষণ প্ৰদান কৰে। ইপিনে, এই অনুষ্ঠানতে মহাপুৰুষ শংকৰদেৱৰ তিথি উপলক্ষে যুগনায়কগৰাকীক শ্ৰদ্ধাৰে স্মৰণ কৰা হয়। ৰাজীৱ গান্ধীৰ জন্মদিৱস উপলক্ষে এন এছ ইউ আইৰ উদ্যোগত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এক ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত হয়।

নগাঁও জিলাৰ বঢ়মপুৰতো ভাৰতৰ প্ৰয়াত প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ জন্মবাৰ্ষিকী উদ্‌যাপন কৰা হয়। বঢ়মপুৰ ব্লক কংগ্ৰেছৰ উদ্যোগত বঢ়মপুৰ ছহিদ স্মৃতি পুথিভঁৰালত আয়োজিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত প্ৰয়াত প্ৰধানমন্ত্ৰীজনৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে প্ৰদেশ কংগ্ৰেছ কমিটীৰ সম্পাদক তথা বঢ়মপুৰ সমষ্টিৰ কংগ্ৰেছ নেতা সুৰেশ বৰাই। প্ৰয়াত প্ৰধানমন্ত্ৰী গান্ধীৰ ভূমিকা আৰু দেশৰ বাবে তেওঁৰ বলিদানক স্মৰণ কৰে।

কালি প্ৰয়াত প্ৰধানমন্ত্ৰী গান্ধীৰ জন্মদিন উপলক্ষে দেশজুৰি কংগ্ৰেছ দলে পালন কৰা সদ্ভাৱনা দিৱসৰ কাৰ্যসূচী যৌথভাৱে ৰূপায়ণ কৰে বিশ্বনাথ জিলাৰ বিহালী আৰু বাঘমৰা মণ্ডল কংগ্ৰেছে। উক্ত কাৰ্যসূচীত উপস্থিত থাকে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সম্পাদক প্ৰেমলাল গঞ্জু, বিহালীৰ প্ৰাক্তন বিধায়ক প্ৰাৰ্থী নগেন গুৱালা, বিশ্বনাথ জিলা কংগ্ৰেছ মুখপাত্ৰ তুষাৰ বৰা, বিশ্বনাথ মহিলা জিলা কংগ্ৰেছৰ সভানেত্ৰী সৰস্বতী ৰাজবংশী বিশ্বনাথ জিলা কংগ্ৰেছৰ প্ৰাক্তন সম্পাদক প্ৰণৱ চৌধুৰী, বিহালী ব্লক কংগ্ৰেছৰ সভাপতি দত্তদেৱ শৰ্মা, বিহালী ব্লক কংগ্ৰেছ সম্পাদক জয়ন্ত মহন্ত বিশ্বনাথ জিলা কংগ্ৰেছৰ প্ৰাক্তন সম্পাদক প্ৰণৱ চৌধুৰীকে আদি কৰি দুয়োখন মণ্ডলৰ সভাপতি-সম্পাদক আদি।

# অসুস্থ প্ৰাক্তন মন্ত্ৰী ডাঃ দে ঃ চিকিৎসালয়ত ভৰ্তি

অগ্ৰদূত বাৰ্তা

**হোজাই, ২১ আগষ্ট ঃ** হোজাইৰ প্ৰাক্তন বিধায়ক তথা প্ৰাক্তন মন্ত্ৰী তথা বৰ্তমান জিলা কংগ্ৰেছৰ সভাপতি ডাঃ অৰ্ধেন্দু কুমাৰ দে গুৰুতৰভাৱে অসুস্থ হৈ গুৱাহাটীৰ এখন চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। হোজাইৰ দেজ মেডিকেলৰ স্বত্বাধিকাৰী তথা বৰ্ষীয়ান কংগ্ৰেছৰ নেতাজন মূত্ৰাশয়ৰ ৰোগত আক্ৰান্ত হৈ যোৱা ১৯ আগষ্টৰ নিশা চিকিৎসাধীন হয়। চিকিৎসাধীন কংগ্ৰেছ নেতাজন বৰ্তমান চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰি কিছু সুস্থ হৈছে।

# এজাক বৰষুণতে বাহাৰঘাট অঞ্চলত বিদ্যুৎ যোগান ব্যাহত ঃ গ্ৰাহকৰ হাহাকাৰ

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ২১ আগষ্ট ঃ** এজাক বৰষুণ আহিলে নলবাৰী জিলাৰ বাহাৰঘাট অঞ্চলত বিদ্যুৎ যোগান ব্যাহত হৈ সাধাৰণ গ্ৰাহকক হাৰাশাস্তি কৰি আহিছে। উল্লেখ্য যে এ পি ডি চি এল নলবাৰী সংমণ্ডল দুইৰ অন্তৰ্গত বাহাৰঘাট কেন্দ্ৰৰ অধীনস্থ গাঁওসমূহত সঘনাই বিদ্যুৎ যোগান অনিয়মীয়া হৈ থাকে। সংমণ্ডলটোৰ অন্তৰ্গত কমাৰকুছি (কটপূহা) উপ-আস্থানৰ জৰিয়তে বাহাৰঘাট ফিটাৰত বিদ্যুৎ যোগান ধৰে। উক্ত উপ-আস্থানৰ পৰা আৰাংগমৌ হৈ অহা বিদ্যুৎ পৰিবাহী তাঁৰসমূহ অতি দুৰ্বল ১৯৭০তে বিদ্যুৎ সংযোগৰ বাবে টনা তাঁৰসমূহৰে কালি পৰ্যন্ত বিদ্যুৎ সৰবৰাহ হ'ব লগা হোৱাটো অতি বিপজ্জনক কাৰণ বিধিগতভাৱে উক্ত বৈদ্যুতিক তাঁৰসমূহৰ ধাৰণ ক্ষমতা তাহানিতে উকলি গৈছে। এই ম্যাদ উকলা তাঁৰসমূহকে জোৰা-টাপলি মাৰি বিদ্যুৎ সৰবৰাহ কৰি ৰাইজক ৰামঠগন দি আছে বিদ্যুৎ বিতৰক কোম্পানীয়ে। তদুপৰি ১১ হেজাৰ ভল্টেজৰ বিদ্যুৎ পৰিবাহী তাঁৰ কিছু কিছু ঠাইত অতিপাত বিপজ্জনকভাৱে ওলমি আছে। বিশেষকৈ ছমাৰকুছিত মৰোৱা-কমলপুৰ পথৰ ওপৰে ১১ হেজাৰ ভল্টৰ তাঁৰ বিপজ্জনকভাৱে হোৱা প্ৰত্যেক্ষ কৰিলে সকলো ৰাইজৰ কলিজা কঁপি যাব। এইবিলাক কাৰণতে বৰষুণ আহিলে বিপদ হোৱাৰ আশংকাত কমাৰকুছি পাৱাৰ হাউছত বিদ্যুৎ সংযোগ বিচ্ছিন্ন কৰে বুলি ৰাইজে অভিযোগ তুলিছে। তদুপৰি উক্ত উপ-আস্থানৰ কৰ্মচাৰীসকলৰো কৰ্তব্যৰ প্ৰতি যথেষ্ট হেমাহি থকাৰ অভিযোগ দীৰ্ঘদিনীয়া। ইয়াৰ উপৰি বাহাৰঘাট কেম্পৰ বিশাল পৰিসৰত আছে এজন কৰ্মচাৰী। এইজন কৰ্মচাৰীয়ে এজন অবৈতনিক কৰ্মীক লগত লৈ বিশাল অঞ্চলত ৰাইজৰ অভিযোগ নিৰাময়ৰ বাবে দিন-ৰাতি একাকাৰ কৰি কাম কৰিব লাগে।

# ৰাজহুৱা ক্ষমা নুখুজিলে এবছু-ইউ পি পি এলৰ প্ৰৱেশ নিষিদ্ধ এবিএমছুৰ

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ২১ আগষ্ট ঃ** বাগ্‌সা জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত 'ব্লু হিল' নামৰ এটা টুৰিষ্ট লজৰ বাকৰিত যোৱা ১৮ আগষ্টত ইউ পি পি এলৰ ৰাজহুৱা সদস্য ভৰ্তি এক অভিযানত নিখিল বড়ো ছাত্ৰ সন্থা চমুকৈ 'এবছু'ৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক লৰেন্স ইছলাৰীয়ে চাহ জনগোষ্ঠীয় ছয় সংগঠনৰ লগতে ভাষিক সংখ্যালঘু সংগঠন আৰু দুই ধৰ্মীয় সংখ্যালঘু ছাত্ৰ সংগঠন আমছু আৰু এ বি এমছুৱে ইউ পি পি এললৈ সমৰ্থন আগবঢ়োৱা বুলি কৰা ৰাজহুৱা ঘোষণাৰ পাছত জাঙুৰ খাই উঠিছে ধৰ্মীয় সংখ্যালঘু ছাত্ৰ সংগঠন এ বি এমছু। সংগঠনটোৱে এই সন্দৰ্ভত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি নিখিল বড়ো ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদকজনৰ এই মন্তব্যক 'ভুৱা প্ৰচাৰ' আখ্যা দিছে। এ বি এমছুৰ সাধাৰণ সম্পাদক টাইছন হুছেইনে লৰেন্স ইছলাৰীৰ বক্তব্যক ধিক্কাৰ দিয়াৰ লগতে এ বি এমছুৰ বিৰুদ্ধে এয়া এক গভীৰ ষড়যন্ত্ৰ বুলি কয়। লগতে তেওঁ এবছুৰ সাধাৰণ সম্পাদকৰ দৰে গুৰুত্বপূৰ্ণ এটা পদবীত থাকি ইছলাৰীয়ে কিয় অপপ্ৰচাৰ চলাই বি টি চি অঞ্চলৰ সংখ্যালঘু ৰাইজক বিপথে পৰিচালিত কৰিবলৈ বিচাৰিছে বুলিও প্ৰশ্ন কৰি এ বি এমছুৱে কোনো ধৰণৰ ৰাজনৈতিক সিদ্ধান্ত গ্ৰহণ কৰা নাই বুলি সংবাদ মাধ্যমক জানিবলৈ দিয়ে। এই সন্দৰ্ভত এ বি এমছুৰ সাধাৰণ সম্পাদকজনে কয়, 'যদি অনাগত দিনত বি টি চিৰ সংখ্যালঘু ৰাইজৰ ন্যায় আৰু নিৰাপত্তাৰ স্বাৰ্থত ৰাজনৈতিক সিদ্ধান্ত ল'বলগীয়াও হয় তেনেহ'লে বি টি চিবাসী সমগ্ৰ সংখ্যালঘু ৰাইজৰ স'তে আলাপ-আলোচনাৰ মাজেৰে জাতীয় অভিবৰ্তন আয়োজন কৰি তেনে সিদ্ধান্ত গ্ৰহণ কৰা হ'ব।' তদুপৰি এনে ধৰণৰ কোনো সিদ্ধান্ত নলওঁতেই বি টি চিৰ ৰাইজৰ আবেগক লৈ আৰু এ বি এমছুৰ নাম ব্যৱহাৰ কৰি নিখিল বড়ো ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদকজনে যি মন্তব্য কৰিলে তাৰ বাবে এবছু আৰু ইউ পি পি এলে বি টি চিৰ সংখ্যালঘু ৰাইজ আৰু এ বি এমছুৰ প্ৰতিগৰাকী সদস্য আৰু কৰ্মকৰ্তাৰ ওচৰত ৰাজহুৱা ক্ষমা বিচাৰিব লাগিব বুলিও দাবী কৰিছে সম্পাদকজনে। আনপিনে শালবাৰী জিলা এ বি এমছুৰ সভাপতি ছাইজুদ্দিন খণ্ডকাৰে সংবাদ মাধ্যমৰ আগত যোৱা ১৯ আগষ্টত ইছলাৰীৰ এই মন্তব্যক তীব্ৰ বিৰোধিতা কৰি কোনো ৰাজনৈতিক দলক তেওঁলোকে সমৰ্থন নিদিয়াৰ কথা স্পষ্ট কৰি দিয়াৰ লগতে এই বক্তব্যৰ বাবে লৰেন্স ইছলাৰীক ৰাজহুৱাভাৱে ক্ষমা নুখুজিলে সংখ্যালঘু অঞ্চলত এবছু আৰু ইউ পি পি এলৰ প্ৰৱেশ নিষিদ্ধ কৰিব বুলি হুংকাৰ দিয়ে।

# অৱসৰপ্ৰাপ্ত শিক্ষক ঘনকান্ত ৰাজবংশীৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ২১ আগষ্ট ঃ** পাঠশালাৰ নিকটৱৰ্তী বাগনা গাঁও নিবাসী অৱসৰপ্ৰাপ্ত শিক্ষক, সমাজকৰ্মী ঘনকান্ত ৰাজবংশী (৮৫)ৰ কালি বাৰ্ধক্যজনিত ৰোগত মৃত্যু হয়। উত্তৰ পাকা এম ই স্কুলৰ শিক্ষক হিচাপে তেওঁ ১৯৯৮ৰ ফেব্ৰুৱাৰীত চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল। চাকৰি জীৱনৰ পৰা অৱসৰ ল'লেও তেওঁ সামাজিক কামৰ স'তে জড়িত থকাৰ উপৰি এজন প্ৰগতিশীল কৃষক হিচাপে জীৱন নিৰ্বাহ কৰিছিল। মৃত্যুৰ

# যমুনা নৈত অচিনাক্ত লোকৰ মৃতদেহ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**

**যমুনামুখ, ২১ আগষ্ট ঃ** হোজাই জিলাৰ ডবকা চহৰৰ মাজেৰে বৈ যোৱা যমুনা নৈত আজি পুৱা এজন অচিনাক্ত লোকৰ মৃতদেহ উদ্ধাৰ হয়। পুৱাৰ ভাগত নৈপৰীয়া একাংশ লোকে নৈৰ পানীত ওপঙি যোৱা অৱস্থাত প্ৰায় ৪৫ বছৰীয়া এজন লোকৰ মৃতদেহ প্ৰত্যক্ষ কৰি ডবকা আৰক্ষীক খবৰ দিয়ে। লগে লগে ডবকা আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

# পুত্ৰৰ ন্যায় বিচাৰি থানাৰ সন্মুখত মাতৃৰ অনশন

## দুমাহে ৰাজহুৱা নহ'ল জয়ন্ত বৰা হত্যাকাণ্ডৰ তদন্তৰ প্ৰতিবেদন

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**

**নগাবাট/বৰহোলা, ২১ আগষ্ট ঃ** চৰকাৰ তথা প্ৰশাসনৰ চৰম মিথ্যাচাৰৰ বাবে আজি দুমাহে ন্যায় নাপালে তিতাবৰ সীমান্তৱৰ্তী বালিজানৰ জয়ন্ত বৰাৰ পৰিয়ালবৰ্গই। ইফালে, একমাত্ৰ পুত্ৰ জয়ন্ত বৰাৰ হত্যাকাণ্ডৰ ন্যায় বিচাৰি মাতৃ লীলা বৰাই আজি বৰহোলা আৰক্ষী থানাৰ সন্মুখতে আমৰণ অনশন আৰম্ভ কৰিছে। পুত্ৰৰ ফটো আগত লৈ পুৱা ১০ বজাৰ পৰা অনশন আৰম্ভ কৰাৰ কিছু সময়ৰ পাছতে যোৰহাট জিলা আৰু তিতাবৰ মহকুমা প্ৰশাসনৰ উচ্চপদস্থ বিষয়াৰ কে'বাজনীয়া এটা দল আহি অনশনস্থলীত উপস্থিত হয়। বিষয়াকেইজনক উদ্দেশ্যি অতি ক্ষোভেৰে লীলা বৰাই কয়, 'মোৰ একমাত্ৰ পুত্ৰ জোনক (জয়ন্ত বৰা) নিশা মোৰ কাষৰ পৰা আজুৰি নি হত্যা কৰিলে। মই এতিয়া অকলশৰীয়া হৈ পৰিলো। হত্যাকাৰীৰ নামসহ মই নিজেই এজাহাৰ দিয়াৰ পাছতো আজিও সিহঁতে মুকলিকৈ ঘূৰি ফুৰিছে। তদন্তৰ নামত একো নহ'ল কিয়? প্ৰশাসনৰ মানুহে মোক বাৰে বাৰে কিয় জেৰা কৰি আছে? মোৰ ল'ৰাক সেনা-আৰক্ষীয়ে হত্যা কৰিছে। জেৰা মোক কৰিব লাগে নে অভিযুক্তসকলক কৰিব লাগে? সেই সময়ৰ বৰহোলা থানাৰ অ' চি মিণ্টু সন্দিকৈয়ে 'মই আহিছো যেতিয়া ইয়াক আজি নিমেই' বুলি মোৰ আগতে জয়ন্তক জোৰ-জুলুমকৈ মাজনিশা শোৱাপাটীৰ পৰা উঠাই লৈ আহিছিল। মোৰ ল'ৰাক হত্যা কৰি এতিয়া তদন্তৰ নামত চৰকাৰ তথা প্ৰশাসনে কি ভেঁকোভাওনা আৰম্ভ কৰিছে আমি কেতিয়াও মানি নলওঁ। মোক মোৰ পুত্ৰৰ হত্যাৰ ন্যায় লাগিবই।' জোনে ন্যায় নোপোৱা পৰ্যন্ত এই আমৰণ অনশন কাৰ্যসূচী অব্যাহত থাকিব বুলি স্পষ্টকৈ ব্যক্ত কৰে মাতৃ লীলা বৰাই। প্ৰশাসনৰ দলটোৱে বৰহোলাৰ চিকিৎসা কৰ্মীক লগত লৈ লীলা বৰাৰ উচ্চৰক্তচাপ হোৱাৰ অজুহাত দেখুৱাইছিল যদিও অনশনস্থলীত পৰিস্থিতি অধিক উত্তপ্ত হৈ পৰে। উল্লেখ্য যে সেনা-আৰক্ষীৰ যৌথ অভিযানত যোৰহাট জিলাৰ সীমান্তৱৰ্তী বালিজানৰ জয়ন্ত বৰা (২৫) নামৰ যুৱকজনৰ মৃত্যু হোৱা আজি দুমাহ পাৰ হ'ল। ঘটনাৰ পাছতে সেনা-আৰক্ষীৰ বৰ্বৰতাৰ বিৰুদ্ধে বিভিন্ন দল-সংগঠনৰ আৰু বৃহত্তৰ বালিজানবাসী ৰাইজে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰাত কেবিনেট মন্ত্ৰী অতুল বৰাৰ নেতৃত্বত এটা চৰকাৰী প্ৰতিনিধিৰ দল জয়ন্তৰ বাসগৃহত উপস্থিত হৈ ঘটনাৰ সাতদিনৰ ভিতৰত তদন্ত কৰি দোষীক উপযুক্ত শাস্তি প্ৰদান কৰা হ'ব বুলি লিখিত প্ৰতিশ্ৰুতিও দিছিল। কিন্তু সেই প্ৰতিশ্ৰুতি আজিকোপতি কাৰ্যকৰী নহ'ল। ইয়াৰ পৰিপ্ৰেক্ষিতত পুত্ৰৰ ন্যায় বিচাৰি আমৰণ অনশনৰ দৰে কাৰ্যসূচী ল'বলৈ বাধ্য হৈ পৰিছে দুৰ্ভগীয়া মাতৃগৰাকী। আজি অনশনস্থলীত



ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক বিদ্যুৎ শইকীয়াই সংবাদমাধ্যমৰ আগত কয় যে চৰকাৰী পৃষ্ঠপোষকতাৰ বাবেই জনয়ন্ত বৰা হত্যাকাণ্ডৰ তদন্তৰ প্ৰতিবেদন ৰাজহুৱা নোহোৱাটো বৰ্তমান স্পষ্ট হৈ পৰিছে। সাতদিনৰ ভিতৰত তদন্তৰ প্ৰতিবেদন ৰাজহুৱা কৰা হ'ব বুলি অসম চৰকাৰৰ মন্ত্ৰী-সাংসদে লিখিত প্ৰতিশ্ৰুতি দি যোৱাৰ পাছতো সেয়া কাৰ্যকৰী নোহোৱাটোৱে চৰকাৰখনৰ ফোঁপোলা স্বৰূপটো স্পষ্টকৈ উদঙাই দিছে। আমি মন্ত্ৰী-সাংসদসকলৰ ওপৰত আস্থা ৰাখিছিলো। কিন্তু তেওঁলোকে মিথ্যাচাৰৰ আশ্ৰয় ল'লে। জয়ন্তৰ মৃত্যুৰ ২৪ ঘণ্টা পাৰ নৌহওঁতেই মাতৃ লীলা বৰাই সকলো কথা স্পষ্টকৈ উল্লেখ কৰি এখন এজাহাৰ দাখিল কৰিছিল। চৰকাৰ তথা প্ৰশাসনে তিনিজন আৰক্ষীক মাত্ৰ কেইদিনমানৰ বাবে নিলম্বনৰ এখন নাটক ৰচনা কৰিলে। কিন্তু সেই এজাহাৰৰ ভিত্তিত আজিকোপতি তদন্ত প্ৰক্ৰিয়া অলপো আগনাবাঢ়িল। ঘটনাৰ লগত ওতঃপ্ৰোতভাৱে জড়িত বৰহোলা থনাৰ অ' চি মিণ্টু সন্দিকৈ নিলম্বিত হোৱাৰ পাছতে তদন্তৰ প্ৰতিবেদন ৰাজহুৱা নৌহওঁতেই কিছুদিনৰ পূৰ্বে চাকৰিত যোগদান কৰিছে। ইফালে, ঘটনাত নিলম্বিত আনজন আৰক্ষী বিষয়া গোপাল দলে পুলিবৰত যোগদান কৰিছে। সেনা বিষয়া শচীন সিনহাৰ নেতৃত্বতে নজনীয়া দলে আৰক্ষীৰ সহযোগত চলোৱা অভিযানত নিৰ্দোশী যুৱক জয়ন্ত বৰাৰ মৃত্যু হৈছিল। এই সেনা বিষয়াজন তদন্তৰ আওতালৈ নাহিল কিয়। এটা হত্যাকাণ্ডত জড়িত হত্যাকাৰীক ঘটনাৰ লগে লগে গ্ৰেপ্তাৰ কৰা হয়, কিন্তু দিনৰ পাছত দিন যোৱাৰ পাছতো কোনো এজন অভিযুক্তকে গ্ৰেপ্তাৰ কৰা নহ'ল। অনশনস্থলীত বহুকেইটা দল-সংগঠনৰ প্ৰতিনিধি উপস্থিত থাকে।

# প্ৰধান শিক্ষয়িত্ৰী ৰুণু দেৱীৰ মৃত্যুত শোক

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২১ আগষ্ট ঃ** গোৱালপাৰা চহৰৰ বাপুজীনগৰৰ বাসিন্দা তথা আজাদনগৰস্থিত কৌশল্যা দাস প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী 'নিউজ লাইভ'ৰ গোৱালপাৰা লাইভ ভানৰ অভিযন্তা দিব্যজ্যোতি ৰায় ওৰফে বাবুৰ মাতৃ ৰুণু দেৱীৰ (৬০)ৰ আজি পুৱা মৃত্যু হোৱাত বাপুজীনগৰত শোকৰ ছাঁ পৰিছে। অহা অক্টোবৰত চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰিবলগীয়া দেৱীয়ে প্ৰায় এমাহ পূৰ্বৰে পৰা শাৰীৰিক অসুস্থতাত ভুগি আছিল। আজি পুৱা শিক্ষয়িত্ৰীগৰাকী অধিক অসুস্থ হৈ পৰাত গোৱালপাৰা চহৰৰ ছোলেছ হাস্পিতালত ভৰ্তি কৰোৱা হয় যদিও পুৱা ৮-৩০ বজাত চিকিৎসকে তেওঁক মৃত বুল ঘোষণা কৰে। অন্তিম সৎকাৰৰ পূৰ্বে শিক্ষয়িত্ৰীগৰাকীৰ মৃতদেহ কৌশল্যা দাস প্ৰাথমিক বিদ্যালয়ত নিয়া হয় আৰু তাত ছাত্ৰ-ছাত্ৰীৰ লগতে গুণমুগ্ধসকলে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তিনি পুত্ৰ সন্তানৰ লগতে ভালেসংখ্যক আত্মীয়-স্বজনক ইহসংসাৰত এৰি যায়।

# ধেমাজিত আক্ৰান্তৰ সংখ্যা ১২৯৮ লৈ বৃদ্ধি

**অগ্ৰদূত বাৰ্তা**

**ধেমাজি, ২১ আগষ্ট ঃ** ধেমাজি নগৰত কৰ'না ভাইৰাছৰ ব্যাপক সংক্ৰমণ হৈছে। কালি পুনৰ কোনো ভ্ৰমণ বৃত্তান্ত নথকা ৩৮ জন লোকৰ শৰীৰত ক'ভিড-১৯ পজিটিভ ওলাইছে। তেওঁলোকক ইতিমধ্যে ধেমাজি অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। ফলত জিলাখনত আক্ৰান্তৰ সংখ্যা ১২৯৮ জনলৈ বৃদ্ধি পালে। ইতিমধ্যে জিলাখনত ৭৪৫ জন লোক কৰ'নাৰ পৰা সুস্থ হৈ উঠাত তেওঁলোকক ঘৰলৈ যাবলৈ দিয়া হৈছে। ইফালে, কালি জিলাখনৰ উপায়ুক্ত নৰসিং পাৱাৰ আৰু অতিৰিক্ত উপায়ুক্ত লাগাচুৰ শৰীৰত ক'ভিড-১৯ পজিটিভ পোৱাত তেওঁলোক দুয়োজনে জিলা আৱৰ্ত ভৱনত আইছ'লেচনত আছে। কৰ'না ভাইৰাছৰ ব্যাপক সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসনে ৰাইজক বিনা কাৰণত নোলাবলৈ আহ্বান জনাইছে।

# মিছাৰ আশ্ৰয় নোলোৱা দল বিপিএফ ঃ কমলী

## ভেৰগাঁও পৰিষদীয় সমষ্টিত বিপিএফৰ প্ৰচাৰ

**অগ্ৰদূত বাৰ্তা**

**টংলা, ২১ আগষ্ট ঃ** 'মিছাৰ আশ্ৰয় নোলোৱা দল বিপিএফ। বিপিএফে পূৰ্বেও নিৰ্বাচনত অৱতীৰ্ণ হৈ জয়ী হৈছে। এইবাৰো নিৰ্বাচনত জয়ী হ'ম আৰু ভৱিষ্যতেও বিপিএফ দল জয়ী হৈ থাকিব। বিটিচিত বিপিএফৰ বিকল্প নাই। বিগত ১৭ বছৰত বিপিএফে অঞ্চলটোৰ উন্নতিৰ কাৰণে ৰাজনৈতিক সংগ্ৰাম কৰিছে।' এই মন্তব্য পানেৰী সমষ্টিৰ বিধায়িকা কমলী বসুমতাৰীৰ। আজি ওদালগুৰি জিলাৰ ভেৰগাঁও বিটিচি পৰিষদীয় সমষ্টিৰ মহিলা বিপিএফৰ দলীয় সাংগঠনিক আৰু সজাগতা সভাত অতিথিৰূপে উপস্থিত থাকি এইদৰে মন্তব্য কৰে।



ডিমাকুছি মধ্য ইংৰাজী বিদ্যালয় প্ৰাংগনত অনুষ্ঠিত উক্ত অনুষ্ঠানত বিধায়িকাগৰাকীয়ে পুনৰ কয় যে বিটিচি অঞ্চলৰ মহিলাসকল বিশেষভাৱে পিছ পৰি থকা নাই। মহিলাসকলৰ সবল নেতৃত্ব আৰু স্থিতিৰ বাবে বিগত নিৰ্বাচনবোৰত বিপিএফ জয়ী হৈ আহিছে। তেওঁ পুনৰ কয়, 'বিটিচিত একাংশ ৰাজনৈতিক দলে মিছা কথাৰ প্ৰলোভন দি ভোট কিনিব নোৱাৰে। ৰাইজে বুজি উঠিছে বিপিএফ উন্নয়ন, প্ৰগতি আৰু শান্তিৰ দল বুলি। বিপিএফে নীতি আদৰ্শৰে নিৰ্বাচনত জয়ী হৈ আহিছে। 'ইউপিপিএলক সমালোচনা কৰি তেওঁ আৰু কয় যে আত্মসন্মান ডাঙৰ কথা কিন্তু ইউপিপিএলৰ আত্মসন্মান নাই। সাধাৰণ জনতাক মিছা কছাৰে বিভ্ৰান্ত কৰিব বিচাৰিছে ইউপিপিএলে। সমাগত নিৰ্বাচনত ভোটাৰ ৰাইজে বিপিএফক বিপুল ভোট দি জয়ী কৰাই চতুৰ্থবাৰৰ বাবে বিটিচিত বহুৱাব ভেৰগাঁও পৰিষদীয় সমষ্টিৰ বিবিএফৰ প্ৰাৰ্থী তথা প্ৰাক্তন উপাধ্যক্ষ নেৰশ্বন বড়োই সঞ্চালনা কৰা উক্ত সভাত ভেৰগাঁও সমষ্টিৰ অন্তৰ্গত ১৪টা ভিচিডিচিৰ পাঁচ শতাধিক মহিলা কৰ্মীয়ে অংশগ্ৰহণ কৰে। তদুপৰি উক্ত অনুষ্ঠানত মন্ত্ৰী ৰিহন দৈমাৰী, নেৰশ্বন বড়ো, তুলসা দেৱী, শশী প্ৰভা দেৱী, খগেন বসুমতাৰী, সংগীতা কলিতা, ৰাকেল বড়ো, জয়ৰাম ৰাভা, বিমল বাৰ্চুং আদিয়ে অংশগ্ৰহণ কৰে।

# তেজপুৰ জিলা অগপই নামানে নাগৰিকত্ব আইন

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ২১ আগষ্ট ঃ** ৰাজ্যৰ খিলঞ্জীয়া লোকসকলৰ স্বাৰ্থ সুৰক্ষিত কৰি অসম চুক্তি ৰূপায়ণৰ কাৰণে অসমত আঞ্চলিকতাবাদৰ ভেটি শক্তিশালী কৰিব লাগিব। তেজপুৰত আজি অগপৰ কে'বাগৰাকী প্ৰতিষ্ঠাপক সদস্যই এনেদৰে মত প্ৰকাশ কৰে। আনহাতে, দলটোৰ তেজপুৰ জিলা সমিতিয়ে নাগৰিকত্ব সংশোধনী আইন ২০১৯ৰ বিৰোধিতা কৰি যাব। ইতিমধ্যে অগপই নাগৰিকত্ব সংশোধনী আইন বাতিলৰ বাবে উচ্চতম ন্যায়ালয়ত তৰা গোচৰৰ প্ৰতি তেজপুৰ জিলা সমিতিয়ে সমৰ্থন জনাই আহিছে আৰু ভৱিষ্যতেও সমৰ্থন জনাই যাব। উল্লেখ্য যে বিজেপিৰ লগত অগপই কৰা মিত্ৰতাক লৈ অসন্তুষ্ট অগপৰ তেজপুৰ জিলা সমিতিৰ নৱ নিৰ্বাচিত সভাপতি ৰাতুল নাথ প্ৰমুখ্যে কে'বাগৰাকী অগপৰ প্ৰতিষ্ঠাপক সদস্যই অসমত আঞ্চলিকতাবাদী শক্তিক একত্ৰিত হোৱাৰ আহ্বান জনায়। আজি অগপৰ তেজপুৰ জিলা সমিতিৰ সাধাৰণ সভাত শোণিতপুৰত দলটোৰ একমাত্ৰ বিধায়ক বৃন্দাবন গোস্বামীৰ লগতে দলটোৰ ঢেকিয়াজুলি, বৰছলা, তেজপুৰ, ৰঙাপৰা আৰু চতিয়া সমষ্টিৰ দুই শতাধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। সভাত অগপৰ তেজপুৰ জিলা সমিতিৰ এক পেনেল প্ৰস্তুত কৰি অনুমোদনৰ বাবে কেন্দ্ৰীয় সমিতিলৈ প্ৰেৰণ কৰে। এই পেনেলত ৰাতুল নাথ, বলোভদ্ৰা দাস, কমিছন মিলি আৰু নাৰায়ণ দাসৰ দৰে প্ৰতিষ্ঠাপক সদস্যৰ নাম অন্তৰ্ভুক্ত কৰা হৈছে। উল্লেখ্য যে অগপ-বিজেপিৰ মিত্ৰতাৰ বিপৰীতে যোৱা পঞ্চায়ত নিৰ্বাচনত শোণিতপুৰত দলটোৰ শোচনীয় পৰাজয় হোৱাৰ উপৰি বৰ্তমান অধিকাংশ শাখা আৰু আঞ্চলিক সমিতি নামতহে আছে। একাংশ পূৰণা সদস্যৰ দলটোৰ প্ৰতি থকা আন্তৰিকতাৰ বিপৰীতে দলটোৰ একাংশ শাখা আৰু আঞ্চলিক সমিতি নামতহে আছে। একাংশ পূৰণা সদস্যৰ দলটোৰ প্ৰতি থকা আন্তৰিকতাৰ বিপৰীতে দলটোৰ একাংশ নেতাই আকৌ বিজেপিৰে মিত্ৰতাৰ বিৰোধিতা নিৰ্বাচনকেন্দ্ৰিক চিন্তাৰেহে কৰি অহা বুলি ৰাইজৰ মাজত চৰ্চিত হৈছে। ইপিনে, ২০২১ত তেজপুৰ বিধানসভা সমষ্টি বিজেপিয়ে নিজা প্ৰাৰ্থী দিব লাগে বুলি স্থানীয় বহু সংখ্যক বিজেপি নেতা-কৰ্মীয়ে দাবী জনাই আহিছে।

# মঙলদৈৰ সৰবৰহী মহিলা পূৰ্ণিমা শইকীয়াৰ মৃত্যুত শোক

**বিশেষ সংবাদদাতা**

**মঙলদৈ, ২১ আগষ্ট ঃ** মঙলদৈ চহৰৰ শান্তিপুৰ নিবাসী সৰবৰহী মহিলা পূৰ্ণিমা শইকীয়া (৬০)ৰ যোৱা পুৱতি নিশা জি এম চি হাস্পতালত মৃত্যু হয়।দীৰ্ঘদিন ধৰি মধুমেহ আৰু বৃক্কৰ ৰোগত ভুগি থকা শইকীয়াৰ স্বাস্থ্যৰ অৱনতি ঘটাত পৰিয়ালৰ লোকে তেওঁক প্ৰথমে গুৱাহাটীৰ এপ'লো হাস্পতালত ভৰ্তি কৰোৱাৰ পাছত কালি জি এম চি হাস্পতালত ভৰ্তি কৰাইছিল। কিন্তু অৱশেষত তেওঁৰ দুয়োটা বৃক্ক বিকল হৈ পৰাত সকলোকে কন্দুৱাই ইহ সংসাৰ ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁ ক'ভিড আক্ৰান্ত বুলিও চিকিৎসকে ঘোষণা কৰিছে। শইকীয়া এগৰাকী আগশাৰীৰ সাংস্কৃতিক কৰ্মী আছিল। দৰং জিলালৈ তেওঁ প্ৰথম জেং বিহু আনি সমাদৃতও হৈছিল। বিহু নচাৰ লগতে তেওঁ এগৰাকী অভিনেত্ৰী আৰু বিহু নাচৰ ভাল বিচাৰক হিচাপেও পৰিচিত আছিল। তেওঁ দৰং জিলা মহিলা সমিতি, লেখিকা সমাৰোহ, মহিলাৰ সাংস্কৃতিক অনুষ্ঠান কল্যাণী, শিশু কল্যাণ পৰিষদ, শান্তিপুৰ সংঘ, শান্তিপুৰ ৰঙালী বিহু সন্মিলনী, শান্তিপুৰ দুৰ্গাপূজা উদ্‌যাপন কমিতি আদিৰ লগত ঘনিষ্ঠভাৱে জড়িত থকাৰ লগতে অসম সাহিত্য সভাৰ এগৰাকী আজীৱন সদস্যও আছিল। মৃত্যুৰ সময়ত তেওঁ স্বামী দিলীপ শইকীয়াৰ লগতে দুই পুত্ৰসহ বহু গুণমুগ্ধক ইহ সংসাৰত এৰি যায়। তেওঁৰ মৃত্যুত মঙলদৈৰ বিধায়ক গুৰুজ্যোতি দাস, প্ৰাক্তন মন্ত্ৰী বসন্ত দাস, বিভিন্ন অনুষ্ঠান আৰু ব্যক্তি বিশেষে শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়াল বৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।







*সাংবাদিক নিগ্ৰহৰ প্ৰতিবাদ নগাঁৱত, শুকুৰবাৰে।*

# নগাঁৱত সাংবাদিক নিগ্ৰহৰ প্ৰতিবাদ

**বিশেষ সংবাদদাতা**

**নগাঁও, ২১ আগষ্ট ঃ** ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত সাংবাদিকৰ ওপৰত অব্যাহত থকা নিৰ্যাতনৰ প্ৰতিবাদত আজি নগাঁৱৰ সাংবাদিকসকলে এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। নগাঁও ইলেকট্ৰনিক মিডিয়া এছ'চিয়েছনৰ উদ্যোগত নগাঁৱৰ একাংশ সাংবাদিকে 'নগাঁও জিলা উপায়ুক্ত কাৰ্যালয়লৈ যাত্ৰা' শীৰ্ষক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে।

## সাংবাদিকৰ উপায়ুক্ত কাৰ্যালয়লৈ যাত্ৰা

ৰাজ্যজুৰি অব্যাহত থকা সাংবাদিক নিৰ্যাতনৰ প্ৰতিবাদত এই কাৰ্যসূচী ৰূপায়ণ কৰি সাংবাদিকসকলে সাংবাদিকৰ নিৰাপত্তা আৰু সুৰক্ষা নিশ্চিত কৰিবলৈ চৰকাৰক দাবী জনায়। নগাঁও ইলেকট্ৰনিক মিডিয়া এছ'চিয়েছনৰ কাৰ্যালয়ৰ পৰা যাত্ৰা কৰা সাংবাদিকসকলে নগাঁও উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত অৱস্থান কৰি সাংবাদিকৰ সুৰক্ষাৰ দাবীত বিভিন্ন শ্লʼগান দি পৰিৱেশ উত্তাল কৰি তোলে। সাংবাদিকসকলে তিনিদিনৰ পূৰ্বে নগাঁও পানীখাইটিত একাংশ লোকে বাতৰি সংগ্ৰহ কৰিবলৈ যোৱা কেইজনমান ইলেকট্ৰনিক মাধ্যমৰ আৰু ৱেব পৰ্টেলৰ সাংবাদিকক আক্ৰমণ কৰা ঘটনাৰ তীব্ৰ প্ৰতিবাদ জনায়। সাংবাদিকসকলে পানীখাইটিত সাংবাদিকক আক্ৰমণ কৰা ঘটনাৰ লগত জড়িতসকলক কঠোৰ শাস্তি বিহিবলৈ দাবী জনায়। প্ৰতিবাদী কাৰ্যসূচীৰ অন্তত নগাঁও ইলেকট্ৰনিক মিডিয়া এছ'চিয়েছনৰ সভাপতি বীৰেন বৰা আৰু সাধাৰণ সম্পাদক জ্যোতি প্ৰসাদ বৰা স্বাক্ষৰিত এখন স্মাৰকপত্ৰ নগাঁও জিলা উপায়ুক্তৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰি সাংবাদিকৰ সুৰক্ষা আৰু নিৰাপত্তা নিচিত কৰিবলৈ দাবী জনায়। প্ৰতিবাদী কাৰ্যসূচীত নগাঁও প্ৰেছ ক্লাবৰ সভাপতি কনক হাজৰিকা, নগাঁও জিলা বাৰ্তাজীৱী সংঘৰ সভাপতি অখিল চন্দ্ৰ দসেও অংশগ্ৰহণ কৰে।

# মহিলাক ঋণ প্ৰদানৰ নামত ষড়যন্ত্ৰ

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ২১ আগষ্ট ঃ** দেশত মুক্ত অৰ্থনীতিৰ সুযোগ গ্ৰহণ কৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত একাংশ মাইক্ৰ' ফাইনেন্স কোম্পানীয়ে অবাধ লুণ্ঠন চলাই থকাৰ মাজতে আজি চৰাইদেউ আৰু ডিব্ৰুগড় জিলাৰ সীমামূৰীয়া মৰাণ নগৰত এক ভুৱা বিত্তীয় প্ৰতিষ্ঠান উৎখাত কৰে। তথ্য অনুসৰি, মৰাণৰ সমাজকৰ্মী তথা প্ৰাক্তন ছাত্ৰ নেতা কুশল দত্তৰ বিশেষ তৎপৰতাত আজি মৰাণৰ ছিণ্ডিকেট বেংকৰ কাষত থকা 'জীৱন সাধনা নিধি লিমিটেড' নামৰ উত্তৰ প্ৰদেশৰ ভুৱা বিত্তীয় প্ৰতিষ্ঠানটো উৎখাত কৰা হয়। ভুৱা বিত্তীয় প্ৰতিষ্ঠানটোৱে মৰাণৰ আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলৰ মহিলাসকলক সহজে ঋণ প্ৰদানৰ নামত প্ৰাৰম্ভিক পৰ্যায়ত ২৩.৫০০ টকাকৈ আগধন সংগ্ৰহ কৰি আহিছিল। ভুৱা প্ৰতিষ্ঠানটোৰ মৰাণৰ শাখা কাৰ্যালয়ত শাখা পৰিচালক হিচাপে নিয়োজিত ডিব্ৰুগড় জিলা ৰাজগড় টিপমীয়া গাঁৱৰ নৱ লিকচন নামৰ ব্যক্তিজনে অতি কৌশলগতভাৱে গাঁৱৰ সহজ-সৰল মহিলাৰ পৰা ধন সংগ্ৰহ কৰি আহিছিল।

## মৰাণত ভুৱা বিত্তীয় প্ৰতিষ্ঠান উৎখাত

কিন্তু আজি প্ৰাক্তন ছাত্ৰনেতাজনে বিভিন্ন মহিলাৰ অভিযোগৰ ভিত্তিত আজি ভুৱা বিত্তীয় প্ৰতিষ্ঠানটো উৎখাত কৰে। আজি উৎখাত অভিযানত আছুৰ মৰাণ আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক অবিনাশ শৰ্মা, আহোম জাতীয় গণ মঞ্চৰ কেন্দ্ৰীয় সহকাৰী সম্পাদক অকন ভূঞা আৰু আটাছুৰ নেতা নিপন ফুকনে এই কাৰ্যত সহযোগ কৰে। আনহাতে, উৎখাত অভিযানৰ অন্তত মৰাণ ৰাজহ চক্ৰৰ বিষয়া আৰু মৰাণ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ উপস্থিতিত অনিৰ্দিষ্টকাললৈ ছীল কৰি দিছে।

# টংলাত নাগৰিকত্ব আইন-ই আই এৰ বিৰুদ্ধে আছু-যুৱ ছাত্ৰৰ মানৱ শৃংখলৰে প্ৰতিবাদ

**অগ্ৰদূত বাৰ্তা**

**টংলা, ২১ আগষ্ট ঃ** জাতিধ্বংসী নাগৰিকত্ব সংশোধনী আইন ২০১৯ বাতিলৰ লগতে কেন্দ্ৰীয় চৰকাৰৰ পৰিৱেশ মন্ত্ৰণালয়ে গৃহীত কৰিব বিচৰা ই আই এ হঠকাৰী সিদ্ধান্ত প্ৰত্যাহাৰৰ দাবীত আজি ওদালগুৰি জিলাৰ টংলা চহৰত টংলা আঞ্চলিক ছাত্ৰ সন্থাৰ লগতে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ টংলা আঞ্চলিক সমিতিৰ শতাধিক ছাত্ৰকৰ্মীৰ লগতে নাৰী সমাজে প্ৰতিবাদ সাব্যস্ত কৰে। হাতে হাতে প্ৰতিবাদী প্লেকাৰ্ড লৈ মানৱ শৃংখলৰে শ্ল'গান দি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে 'অবৈধ বাংলাদেশী বহিষ্কাৰ কৰিবই লাগিব', 'অসম চৰকাৰ হুচিয়াৰ', 'ই আই এ-২০২০ বাতিল কৰক', 'ছাত্ৰ ঐক্য জিন্দাবাদ', 'হিমন্ত বিশ্ব শৰ্মা হুচিয়াৰ', অবৈধ বাংলাদেশী হুচিয়াৰ', 'সৰ্বানন্দ সোণোৱাল মুৰ্দাবাদ', 'বাংলাদেশীক বহিষ্কাৰ কৰক' আদি শ্ল'গানেৰে প্ৰতিবাদী ছাত্ৰ-কৰ্মী আৰু নাৰী শক্তিয়ে আকাশ-বতাহ কঁপাই তোলে।

# উত্তৰ শালমাৰাৰ মেৰেৰচৰত মানাহ নৈৰ খহনীয়া অব্যাহত

## কাণসাৰ নাই জলসম্পদ বিভাগৰ

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ২১ আগষ্ট ঃ** মানাহ নৈয়ে উত্তৰ শালমাৰা মহকুমাৰ মেৰেৰচৰত খহনীয়াই তীব্ৰ ৰূপ ধাৰণ কৰাৰ ফলতে বিগত দিনকেইটাত আঠ-১০ টা পৰিয়ালৰ ঘৰ-বাৰী উছন কৰাৰ বিপৰীতে বান্ধ এটাৰো বহুখিনি বিধ্বস্ত কৰে। উল্লেখ্য যে মানাহ নৈয়ে বিগত বাঢ়নী পানীৰ সময়ত গতি সলাই মেৰেৰচৰ পঞ্চায়তৰ ডুবাচুৰী অঞ্চললৈ গতি কৰাত ক্ৰমান্বয়ে তাত খহনীয়া আৰম্ভ কৰে। খহনীয়াই তীব্ৰ ৰূপ ধাৰণ কৰাত শংকিত গঞাই বিগত সময়ছোৱাত প্ৰশাসনক খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা ল'বলৈ আবেদন-নিবেদন কৰে যদিও প্ৰশাসনৰ তৰফৰ পৰা কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে। খহনীয়াৰ কৱলত পৰিয়েই ডুবাচুৰী-চিকাটাৰী নৈ সুৰক্ষা বান্ধৰ প্ৰায় আধা কিলোমিটাৰ অংশ বিধ্বস্ত কৰাৰ লগতে নৈৰ পাৰত থকা কে'বাটাও পৰিয়ালৰ ঘৰ-বাৰী উছন হয়। এনে অৱস্থাত বিগত বানৰ সময়ত নৈৰ পানীৰ ধল বাগৰি পঞ্চায়তখনৰ বহু অঞ্চল জলমগ্ন কৰে। খহনীয়াই তীব্ৰ ৰূপ ধাৰণ কৰাৰ পাছত বঙাইগাঁও জিলা পৰিষদৰ পৰা খহনীয়া প্ৰতিৰোধৰ বাবে দুইলাখ টকা বাঁহৰ পাৰ্কুপাইন বহুওৱাৰ বাবে আৱণ্টন দিয়া হয়। ইয়াৰ পাছতো বাঁহৰ পাৰ্কুপাইনেৰে খহনীয়া প্ৰতিৰোধ কৰিবলৈ সক্ষম নোহোৱাত অৰ্দ্ধেকখিনিয়ে নৈৰ বুকুত জাহ যায়। খহনীয়াই তাণ্ডৱ চলোৱাৰ পাছতো জলসম্পদ বিভাগে এই ক্ষেত্ৰত কাণসাৰ নিদিয়াত ক্ষোভিত হৈ পৰিছে ৰাইজ। খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা ল'বলৈ প্ৰশাসন তথা বিভাগক দাবী জনাইছে।

# অসম আন্দোলনৰ কৰ্মী দশৰথ বৰ্মনৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**শিঙৰী, ২১ আগষ্ট ঃ** শোণিতপুৰ জিলাৰ ঢেকিয়াজুলি ৰাজহ চক্ৰৰ অন্তৰ্গত চিৰাজুলি নিবাসী অসম আন্দোলনৰ কৰ্মী তথা চিৰাজুলি গাঁওৰক্ষী বাহিনীৰ প্ৰাক্তন সম্পাদক দশৰথ বৰ্মন (৬২)ৰ কালি জি এন আৰ চি হাস্পতালত মৃত্যু হয়। কিছুদিন ধৰি চিকিৎসা গ্ৰহণ কৰি থকা বৰ্মনে কালি চিকিৎসালয়ৰ বিছনাত শেষ নিশ্বাস ত্যাগ কৰে। তেওঁ অসম আন্দোলনৰ সক্ৰিয় কৰ্মী আছিল আৰু এটা সময়ত অগপৰ লগত জড়িত হৈ মিজিবাৰী গাঁও পঞ্চায়তৰ ময়লাআলি গাঁৱৰ ৱাৰ্ড সদস্য হিচাপে নিৰ্বাচিত হৈছিল। তেওঁ চিৰাজুলি অঞ্চলত গাঁওৰক্ষী বাহিনীৰ সংগঠনৰ প্ৰতিষ্ঠাৰ স'তে জড়িত হৈ সুদীৰ্ঘ বছৰে গাঁওৰক্ষী বাহিনীৰ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। চিৰাজুলি চ'কত ব্যৱসায় প্ৰতিষ্ঠান খুলি ক্ষুদ্ৰ ব্যৱসায় কৰি পৰিয়ালক পোহপাল দিয়া বৰ্মনে কৌতুক অভিনেতা হিচাপেও পৰিচিত আছিল। চিৰাজুলি ৰঙালী বিহু, চিৰাজুলি শংকৰী যুৱক সংঘ আৰু চিৰাজুলি সাৰ্বজনীন নামঘৰৰ লগতে বিভিন্ন অনুষ্ঠানত জড়িত বৰ্মনৰ মৃত্যুত বিভিন্নজনে গভীৰ শোক প্ৰকাশ কৰে। তেওঁ মৃত্যুৰ সময়ত পত্নীসহ একমাত্ৰ পুত্ৰ আৰু দুই কন্যাৰ উপৰি বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি যায়।

# ক'ভিড-১৯ত আক্ৰান্ত হৰিশিঙা থানাৰ ভাৰপ্ৰাপ্ত বিষয়া

**বিশেষ সংবাদদাতা**

**ওদালগুৰি, ২১ আগষ্ট ঃ** ক'ভিড-১৯ত আক্ৰান্ত হ'ল ওদালগুৰি জিলাৰ হৰিশিঙা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া প্ৰেমাংকুৰ হাজৰিকা। কিছুদিন ধৰি জ্বৰত ভুগি থকা বিষয়াজনে কালি ৰেপিড এণ্টিজেন টেষ্টৰ দ্বাৰা ক'ভিড-১৯ৰ পৰীক্ষা কৰাত তেওঁ দেহত ক'ভিড-১৯ৰ অৱস্থিতি ধৰা পৰে। পাছত বিষয়াজনক ৰৌতা আদৰ্শ চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। উল্লেখ্য যে নিতৌ ওদালগুৰিত ক'ভিড-১৯ৰ আক্ৰান্তৰ সংখ্যা বৃদ্ধি পাই আহিছে। জিলাখনত ক'ভিড-১৯ আক্ৰান্তৰ সংখ্যা হেজাৰৰ ঘৰ ওচৰ চাপিছে। ইয়াৰ পূৰ্বেও জিলাখনৰ একাংশ আৰক্ষী জোৱান ক'ভিড-১৯ আক্ৰান্ত হৈ সুস্থ হৈ উঠিছে।



দৈনিক অগ্ৰদূত

ক্ৰীড়াভূমি/ক্ৰীড়াভূমি

গুৱাহাটী, ২২ আগষ্ট ২০২০
শনিবাৰ, পৃষ্ঠা ১১

### পূৰ্বে খেলৰত্ন লাভ কৰা খেলুৱৈক পুনৰ অৰ্জুন বঁটা দিয়া নহয় ঃ কেন্দ্ৰীয় ক্ৰীড়া বিভাগৰ সিদ্ধান্ত

# মনোনীত তালিকাৰ পৰা নাম কৰ্তন সাক্ষী-চানুৰ

**নতুন দিল্লী , ২১ আগষ্ট ঃ** খেলৰত্ন সন্মান লাভ কৰা খেলুৱৈক অৰ্জুন বঁটা দিয়া নহয়। এই সিদ্ধান্ত কেন্দ্ৰীয় ক্ৰীড়া বিভাগৰ। যাৰাবাবে ৰিঅ' অলিম্পিকত ব্ৰঞ্জ লাভ কৰা মহিলা মল্লযোদ্ধা সাক্ষী মালিক আৰু বিশ্ব ভাৰোত্তোলনত সোণ লাভ কৰা মীৰাবাঈ চানুৰ নাম অৰ্জুন বঁটাৰ তালিকাৰ পৰা কৰ্তন কৰিছে কেন্দ্ৰীয় ক্ৰীড়া বিভাগে। উল্লেখ্য যে কেন্দ্ৰীয় ক্ৰীড়া বিভাগে আজি আনুষ্ঠানিকভাবে এইবৰ্ষৰ ৰাষ্ট্ৰীয় ক্ৰীড়া বঁটা লাভ কৰা খেলুৱৈসকলৰ নাম ঘোষণা কৰিছে। ইতিপূৰ্বে বিভাগে বঁটা বিজয়ী নিৰ্বাচন কৰিবলৈ যি ১২ জনীয়া কমিটী গঠন কৰিছিল সেই কমিটীয়ে মনোনীত কৰা সকলো প্ৰশিক্ষক-খেলুৱৈকে ৰাষ্ট্ৰীয় ক্ৰীড়া বঁটা দিয়াতো নিশ্চিত কৰিছে। কিন্তু কমিটীয়ে অৰ্জুন বঁটাৰ বাবে ২৯ জনৰ নাম প্ৰেৰণ কৰিছিল যদিও কেন্দ্ৰীয় ক্ৰীড়া বিভাগে ইতিমধ্যে খেলৰত্ন বঁটা লাভ কৰা সাক্ষী মালিক আৰু মীৰাবাঈ চানুৰ নাম অৰ্জুন বঁটাৰ তালিকাৰ পৰা কৰ্তন কৰিছে। উল্লেখ্য যে ভাৰতীয় ক্ৰীড়াক্ষেত্ৰৰ শ্ৰেষ্ঠ সন্মান হ'ল খেলৰত্ন বঁটা। ৰিঅ' অলিম্পিকত ব্ৰঞ্জ লাভ কৰা মহিলা মল্লযোদ্ধা সাক্ষী মালিক আৰু বিশ্ব ভাৰোত্তোলনত সোণ লাভ কৰা মীৰাবাঈ চানুই ইতিমধ্যে দেশৰ শ্ৰেষ্ঠ ক্ৰীড়া সন্মান খেলৰত্ন বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। কিন্তু উভয় খেলুৱৈয়ে এইবাৰ আবেদন কৰিছিল অৰ্জুন বঁটাৰ বাবে। এই বিষয়টো লৈ বিতৰ্ক আৰু চৰ্চা আৰম্ভ হৈছিল। দেশৰ শ্ৰেষ্ঠ ক্ৰীড়া সন্মান খেলৰত্ন বঁটা লাভ কৰাৰ পাছত অৰ্জুন বঁটাৰ প্ৰয়োজন কি ? এইবাৰ ৰাষ্ট্ৰীয় ক্ৰীড়া বঁটা বাচনি কমিটীয়ে উভয়ৰ নাম অৰ্জন বঁটাৰ বাবে মনোনীত কৰে যদিও সিদ্ধান্ত ল'বলৈ ক্ৰীড়া বিভাগক আহ্বান জনায়। উল্লেখ্য যে মীৰাবাঈ চানুৱে ২০১৮ তে টীম ইণ্ডিয়াৰ অধিনায়ক বিৰাট কোহলিৰ স'তে দেশৰ শ্ৰেষ্ঠ ক্ৰীড়া সন্মান খেলৰত্ন বঁটা লাভ কৰিছিল। ভাৰোত্তোলক মীৰাবাঈ চানুই অৰ্জুন বঁটা লাভ নকৰাকৈয়ে বিশ্ব ভাৰোত্তোলনৰ সফলতাৰ বাবে দেশৰ শ্ৰেষ্ঠ ক্ৰীড়া সন্মান খেলৰত্ন বঁটা লাভ কৰিছিল। কিন্তু এইবাৰ ভাৰতীয় ভাৰোত্তোলন সন্থাই তেওঁৰ নাম অৰ্জুন বঁটাৰ বাবে নাম প্ৰেৰণ কৰিছিল। মীৰাবাঈ চানুৰ অনুৰোধতে এয়া কৰা হৈছে বুলি কয় ভাৰতীয় ভাৰোত্তোলন সন্থাই। ইফালে, ২০১৬ ত ৰিঅ' অলিম্পিকত ব্ৰঞ্জ লাভ কৰা মহিলা মল্লযোদ্ধা সাক্ষী মালিকে উক্ত বছৰতে অলিম্পিকত পদক লাভৰ সফলতাৰ বাবে খেলৰত্ন বঁটা লাভ কৰিছিল। তেৱোঁ অৰ্জুন বঁটা পোৱা নাই। কিন্তু এইবাৰ ৰেষ্টলিং সন্থাই সাক্ষীৰ নাম অৰ্জুন বঁটাৰ বাবে প্ৰেৰণ কৰিছিল। উল্লেখ্য যে উভয় খেলুৱৈয়ে অৰ্জুন বঁটা লাভ নকৰাৰ কাৰণ হ'ল সেইসময়ত তেওঁলোকৰ প্ৰদৰ্শন উন্নত নাছিল। কিন্তু হঠাতে মিৰাকল সৃষ্টি কৰি এনে সফলতা অৰ্জন কৰে যাৰবাবে উভয় খেলুৱৈয়ে ভাৰতীয় ক্ৰীড়াক্ষেত্ৰৰ শ্ৰেষ্ঠ ক্ৰীড়া সন্মান খেলৰত্ন বঁটাৰ বাবে নিৰ্বাচিত হয়। আজি কেন্দ্ৰীয় ক্ৰীড়া বিভাগে স্পষ্ট ৰূপত জনায় যে খেলৰত্ন সন্মান লাভ কৰা খেলুৱৈক পুনৰ অৰ্জুন বঁটা দিয়া নহয়।





### বাছনি কমিটীয়ে মনোনীত কৰা খেলুৱৈকে বঁটা দিয়াৰ সিদ্ধান্ত কেন্দ্ৰীয় ক্ৰীড়া বিভাগৰ

## সুৰেশ ৰাইনালৈও শুভেচ্ছা পত্ৰ প্ৰেৰণ প্ৰধানমন্ত্ৰী মোদীৰ

**নতুন দিল্লী, ২১ আগষ্ট ঃ** ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অৱসৰ গ্ৰহণ কৰা টীম ইণ্ডিয়াৰ প্ৰাক্তন অধিনায়ক মহেন্দ্ৰ সিং ধোনিলৈ শুভেচ্ছা প্ৰত্ৰ প্ৰেৰণ কৰাৰ পাছত আজি মোদীয়ে ধোনিৰ স'তে অৱসৰ লোৱা সুৰেশ ৰাইনালৈও এখন শুভেচ্ছা প্ৰত্ৰ প্ৰেৰণ কৰে। ৰাইনাৰ পৰা দেশে আৰু পাবলগীয়া আছিল বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে ২০১১ ৰ ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ বিশ্বকাপৰ কোৱাৰ্টাৰ ফাইনেল মেচত ৰাইনাৰ ইনিংছটো সোঁৱৰণ কৰে। উল্লেখ্য যে যোৱা ১৫ আগষ্টত টীম ইণ্ডিয়াৰ প্ৰাক্তন অধিনায়ক মহেন্দ্ৰ সিং ধোনিয়ে আন্তৰ্জাতিক ক্ৰিকেটৰ পৰা অৱসৰ লোৱাৰ পাঁচ মিনিট পাছতেই ভাৰতীয় দলৰ সদস্য সুৰেশ ৰাইনাও ধোনিৰ পথকে অনুসৰণ কৰি আন্তৰ্জাতিক ক্ৰিকেটৰ পৰা অৱসৰ লোৱাৰ কথা ঘোষণা কৰে। ধোনিৰ দৰেই ৰাইনায়ো ছ'ছিয়েল মিডিয়াত নিজৰ অৱসৰৰ কথা ঘোষণা কৰে। উল্লেখ্য যে ৩৩ বছৰীয়া ৰাইনাই ২০১৮ ৰ পৰা ভাৰতীয় দলৰ হৈ খেলা নাছিল। ইফালে, প্ৰত্যাৱৰ্তন কৰাৰ দুৱাৰো কাৰ্যতঃ বন্ধ হৈছিল ৰাইনাৰ বাবে। সেয়ে বিশ্ব চেম্পিয়ন টীম ইণ্ডিয়াৰ সদস্যজনে আনুষ্ঠানিকভাবে অৱসৰ ঘোষণা কৰে। উল্লেখ্য যে ৰাইনা হ'ল ভাৰতৰ প্ৰথম ক্ৰিকেটাৰ যিয়ে এদিনীয়া, টি-২০ আৰু টেষ্টত শতক অৰ্জন কৰাৰ সফলতা লাভ কৰিছে। ২০০৫ ত শ্ৰীলংকাত সিংহলী বাহিনীৰ বিৰুদ্ধে খেলি আন্তৰ্জাতিক অভিষেক কৰা ৰাইনাই ২২৬ খন এদিনীয়া, ৭৮ খন টি-২০ আৰু ১৮ খন টেষ্ট খেলিছে। আনহাতে, তেওঁ ৰাণ কৰিছে ক্ৰমে ৫,৬১৫, ১৬০৫ আৰু ৭৬৮ ৰাণ। বিশ্বৰ শ্ৰেষ্ঠ ফিল্ডাৰৰ ভিতৰত ৰাইনা অন্যতম। আনহাতে, বাওহতীয়া বেটছমেনজনে ফিনিচাৰ ৰূপে ভাৰতক কেবাখনো মেচত স্মৰণীয় বিজয় দিছে। উল্লেখ্য যে ইয়াৰপূৰ্বে প্ৰধানমন্ত্ৰী মোদীয়ে ধোনিক শুভেচ্ছা জনাই পত্ৰ প্ৰেৰণ কৰি কয় যে ক্ৰিকেটাৰজনৰ অৱসৰত দেশৰ ১৩০ কোটি জনতা মৰ্মাহত যদিও ধোনিৰ প্ৰতি কৃতজ্ঞ ভাৰতীয় ক্ৰিকেটত তেওঁৰ গৌৰৱময় অবদানৰ বাবে।



# নিশ্চিত হ'ল অসম কন্যা লাভলিনাৰ অৰ্জুন বঁটা



**নতুন দিল্লী, ২১ আগষ্ট ঃ** কেন্দ্ৰীয় ক্ৰীড়া বিভাগে আজি আনুষ্ঠানিকভাবে এইবৰ্ষৰ ৰাষ্ট্ৰীয় ক্ৰীড়া বঁটা লাভ কৰা খেলুৱৈসকলৰ নাম ঘোষণা কৰিছে। উল্লেখ্য যে বিভাগে বঁটা বিজয়ী নিৰ্বাচন কৰিবলৈ যি ১২ জনীয়া কমিটী গঠন কৰিছিল সেই কমিটীয়ে মনোনীত কৰা সকলো প্ৰশিক্ষক-খেলুৱৈকে ৰাষ্ট্ৰীয় ক্ৰীড়া বঁটা দিয়াতো নিশ্চিত কৰিছে। সেই অনুসৰি পাঁচজন খেলুৱৈক ৰাজীৱ গান্ধী খেলৰত্ন বঁটা, পাঁচজনক দ্ৰোনাচাৰ্য বঁটা, আঠজন প্ৰশিক্ষকক জীৱনযোৰা সাধনাৰ দ্ৰোনাচাৰ্য বঁটা, ২৭ জন খেলুৱৈক অৰ্জুন বঁটা আৰু ২৭ জনক ধ্যানচান্দ বঁটা দিয়া হৈছে। দেশৰ শ্ৰেষ্ঠ ক্ৰীড়া সন্মান খেলৰত্ন বঁটা এইবাৰ মুঠ পাঁচগৰাকী খেলুৱৈক প্ৰদান কৰা হৈছে। তেওঁলোক হ'ল ক্ৰিকেটাৰ ৰোহিত শৰ্মা, মহিলা মল্লযোদ্ধা ভিনেশ ফ'গাট, কমনৱেলথ গেমছত সোণ লাভ কৰা টেবুল টেনিছ খেলুৱৈ মনিকা বাত্ৰা, ভাৰতীয় হকী দলৰ অধিনায়িকা ৰাণী ৰামপাল আৰু পেৰা এথলীট মাৰিয়াপ্পান। প্ৰথমবাৰৰ বাবে পাঁচজনে লাভ কৰিব খেলৰত্ন। স্মৰ্তব্য যে ইয়াৰপূৰ্বে ২০১৬ ত পি ভি সিন্ধু, সাক্ষী মালিক, জিতু ৰায় আৰু দীপা কৰ্মকাৰক এটা বছৰতে খেলৰত্ন প্ৰদান কৰিছিল। ইফালে, অসমৰ লাভলিনা বৰগোঁহায়ে লাভ কৰিছে অৰ্জুন বঁটা। ক্ৰমাগত দুখন বিশ্বকাপত পদক লাভ কৰা তথা অলিম্পিকলৈ যোগ্যতা অৰ্জন কৰা লাভলিনা অৰ্জুন বঁটা লাভ কৰা ৰাজ্যৰ ষষ্ঠ ক্ৰীড়াবিদ। উল্লেখ্য যে এইবাৰ ৰাষ্ট্ৰীয় ক্ৰীড়া বঁটা বাচনি কমিটীৰ সদস্য ৰূপে আছিল অসমৰ ভাৰত গৌৰৱ টেবুল টেনিছ খেলুৱৈ মনালিছা বৰুৱা মেহতা। উচ্চতম ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীক অসমৰে মুকুন্দকাম শৰ্মা কমিটীৰ অধ্যক্ষ আছিল। আনহাতে, ১২ জনীয়া সদস্যৰ কমিটীত মনালিছা বৰুৱা মেহতাৰ লগতে ক্ৰিকেটাৰ বীৰেন্দ্ৰ সেৱাগ, হকী খেলুৱৈ ছৰ্দাৰ সিং, পেৰা এথলীট দীপা মালিক, বক্সাৰ ভেংকটেছন দেবৰাজন, ধাৰাভাষ্যকাৰ মনীষ বাটাভিয়া, সাংবাদিক অলক শৰ্মা, নিৰু ভাটিয়া, ছাইৰ সচিব প্ৰধান সন্দিপ প্ৰধান, যুটীয়া সচিব এল এছ সিং আৰু টি'পছৰ ৰাজেশ ৰাজাগোপালন আছিল। উল্লেখ্য যে অহা ২৯ আগষ্টত প্ৰদান কৰা হ'ব ৰাষ্ট্ৰীয় ক্ৰীড়া বঁটা। ধ্যানচান্দৰ জন্মদিন উপলক্ষে হ'ব লগা ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱসতে ৰাষ্ট্ৰপতিয়ে প্ৰদান কৰে ৰাষ্ট্ৰীয় ক্ৰীড়া বঁটা। কিন্তু এইবাৰ কৰ'নাৰ বাবে হয়তো এই অনুষ্ঠান পূৰ্বৰ দৰে নহ'ব পাৰে।

## আৰম্ভণিৰ মেচত খেলিব নোৱাৰিব মুম্বাই ইণ্ডিয়ানছ দলৰ মালিংগাই



### আই পি এল

**কলম্বো, ২১ আগষ্ট ঃ** আসন্ন ১৩ সংখ্যক আই পি এল অহা ১৯ ছেপ্টেম্বৰৰ পৰা আৰম্ভ হ'ব। আৰবৰ তিনিখন চহৰ ক্ৰমে ডুবাই, শ্বাৰজাহ আৰু আবুঢাবিত অনুষ্ঠিত হ'ব ১৩ সংখ্যক আই পি এলৰ মেচ। কিন্তু চেম্পিয়ন মুম্বাই ইণ্ডিয়ানছৰ অন্যতম সদস্য লাচিত মালিংগাই লীগৰ আৰম্ভণিৰ মেচত অংশ ল'ব নোৱাৰে। উল্লেখ্য যে শ্ৰীলংকাৰ পেচ বলাৰজনৰ পিতৃৰ অস্ত্ৰপ্ৰচাৰ হোৱাৰ বাবেই ছেপ্টেম্বৰত ডুবাইলৈ যাব নোৱাৰে মালিংগা। ৩৬ বছৰীয়া মালিংগাই অক্টোবৰতহে মুম্বাই ইণ্ডিয়ানছ দলত যোগ দিব। উল্লেখ্য যে অহা সপ্তাহত মালিংগা ৩৬ বছৰত প্ৰৱেশ কৰিব। কিন্তু টি-২০ ত এতিয়াও অনন্য ক্ৰিকেটাৰ। মুম্বাই ইণ্ডিয়ানছৰ সফলতাত মালিংগাৰ ভূমিকা গুৰুত্বপূৰ্ণ।

## লীগ আৰম্ভ হোৱাৰ পূৰ্বেই কঠোৰ অনুশীলন কৰিব দিল্লীৰ পৃথ্বি শ্ব'ই



**নতুন দিল্লী, ২১ আগষ্ট ঃ** আসন্ন ১৩ সংখ্যক আই পি এলত অংশ লোৱাৰ বাবে ইতিমধ্যে ডুবাইত উপস্থিত হৈছে ৰাজস্থান ৰয়েলছ, কলকাতা নাইটৰাইডাৰ্ছ আৰু কিংছ একাদশ পঞ্জাবৰ খেলুৱৈ। সম্প্ৰতি হোটেলতে আছে ক্ৰিকেটাৰসকল। ইফালে, আজি নিশা ডুবাইত উপস্থিত হ'ব চেন্নাই ছুপাৰ কিংছ দল। প্ৰায় এমাহ পূৰ্বে ডুবাইলৈ যোৱাৰ কাৰণ ভাৰতীয় দলৰ অনুশীলন বুলি ব্যক্ত কৰে টীম ইণ্ডিয়াৰ যুৱ সদস্য তথা আই পি এলৰ দিল্লী দলৰ সদস্য পৃথ্বি শ্ব'ই। দিল্লী দল অহা দেওবাৰে ডুবাইলৈ উৰা মাৰিব। লীগ আৰম্ভ কৰাৰ পূৰ্বে কঠোৰ অনুশীলন কৰিব বুলি ব্যক্ত কৰে শ্ব'ই। উল্লেখ্য যে অহা ১৯ ছেপ্টেম্বৰৰ পৰা আৰম্ভ হ'ব ইণ্ডিয়ান প্ৰিমিয়াৰ লীগ (আই পি এল)। আৰবৰ তিনিখন চহৰ ক্ৰমে ডুবাই, শ্বাৰজাহ আৰু আবুঢাবিত অনুষ্ঠিত হ'ব আই পি এল। উল্লেখ্য যে আই চি চিয়ে অষ্ট্ৰেলিয়াত হ'বলগা টি-২০ বিশ্বকাপ ক্ৰিকেট পিছুৱাই দিয়াৰ বাবে আই পি এল অহা ছেপ্টেম্বৰ-নবেম্বৰত অনুষ্ঠিত কৰাত সফল হ'ল বি চি চি আই। স্মৰ্তব্য যে সূচী অনুসৰি ১৩ সংখ্যক আই পি এল পূৰ্বে ২৯ মাৰ্চৰ পৰা আৰম্ভ হোৱাৰ কথা আছিল। কিন্তু কৰ'নাৰ ভাইৰাছৰ বাবে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰন ব'ৰ্ডে আই পি এল অনিৰ্দিষ্ট সময়লৈ পিছুৱাই দিছিল।

## ডুবাইত উপস্থিত চি এছ কে



**ডুবাই, ২১ আগষ্ট ঃ** আসন্ন ১৩ সংখ্যক আই পি এলত অংশ লোৱাৰ বাবে আজি নিশা গৈ ডুবাইত উপস্থিত হৈছে চাৰিবাৰৰ চেম্পিয়ন দল চেন্নাই ছুপাৰকিংছ। চেন্নাইৰ পৰা অহা এখন বিশেষ বিমানত দলৰ অধিনায়ক মহেন্দ্ৰ সিং ধোনিসহ কেদাৰ যাদব, মুৰুলী বিজয়, সুৰেশ ৰাইনা, ৰবীন্দ্ৰ জাডেজা, এল বালাজী ডুবাইত উপস্থিত হয়। কিন্তু মাতৃৰ অসুখৰ বাবে দলৰ লগত যাত্ৰা কৰা নাই স্পীনাৰ হৰভজন সিঙে। অহা সপ্তাহতহে হৰভজন যাব বুলি দলীয় মেনেজমেণ্টে জনাইছে। ইফালে, চেন্নাই ছুপাৰকিংছৰ বিদেশী ক্ৰিকেটাৰসকল ছেপ্টেম্বৰৰ প্ৰথম সপ্তাহত আহি ডুবাইৰ শিবিৰত যোগ দিব বুলি দলীয় মেনেজমেণ্টে অবগত কৰে। উল্লেখ্য যে অহা ১৯ ছেপ্টেম্বৰৰ পৰা আৰম্ভ হ'ব ইণ্ডিয়ান প্ৰিমিয়াৰ লীগ (আই পি এল)। আৰবৰ তিনিখন চহৰ ক্ৰমে ডুবাই, শ্বাৰজাহ আৰু আবুঢাবিত অনুষ্ঠিত হ'ব ১৩ সংখ্যক আই পি এল। মুঠ ৫৩ দিন ধৰি চলিব লগা ইণ্ডিয়ান প্ৰিমিয়াৰ লীগৰ ফাইনেল অনুষ্ঠিত হ'ব ১০ নৱেম্বৰত। উল্লেখ্য যে আই পি এলৰ প্ৰস্তুতি কৰিবলৈ যোৱা সপ্তাহতে চেন্নাইত উপস্থিত হৈছিল মহেন্দ্ৰ সিং ধোনিসহ চেন্নাই ছুপাৰকিংছৰ আন ক্ৰিকেটাৰ। ১৫-২০ আগষ্টলৈ চেন্নাইত অনুশীলন কৰে চি এছ কেৰ ক্ৰিকেটাৰে। ডুবাই যোৱাৰ পূৰ্বে সকলো ক্ৰিকেটাৰৰ কৰ'না পৰীক্ষাও কৰা হয়। চেন্নাই ছুপাৰকিংছৰ সকলো ক্ৰিকেটাৰ কৰ'না মুক্ত।

## খেলপথাৰত নমাৰ পূৰ্বে মানসিক শক্তিও হ'ব গুৰুত্বপূৰ্ণ ঃ ৰাহানে

**নতুন দিল্লী, ২১ আগষ্ট ঃ** আসন্ন ১৩ সংখ্যক আই পি এলত দিল্লী দলক নেতৃত্ব দিব ভাৰতীয় ক্ৰিকেট দলৰ সহঃঅধিনায়ক অজিংক্য ৰাহানে। ইতিমধ্যে মুম্বাই পৰা আহি নতুন দিল্লীত উপস্থিত হোৱা ৰাহানে সতীৰ্থ পৃথ্বি শ্ব'ৰ লগত অনুশীলন কৰিছে। দিল্লী দল অহা দেওবাৰে ডুবাইলৈ উৰা মাৰিব। কৰ'নাৰ বাবে বিগত পাঁচ মাহ ধৰি ক্ৰিকেট বন্ধ হৈ থকাত খেলুৱৈয়ে শাৰীৰিক তথা মানসিক অনুশিলনো কৰিব লাগিব বুলি ব্যক্ত কৰিছে ৰাহানে। উল্লেখ্য যে ৩২ বছৰীয়া ৰাহানে পূৰ্বে মুম্বাই ইণ্ডিয়ানছ, ৰাজস্থান ৰয়েলছ আৰু ৰাইজিং পুনে দলৰ হৈ আই পি এল খেলিছে। উল্লেখ্য যে অহা ১৯ ছেপ্টেম্বৰৰ পৰা আৰম্ভ হ'ব ইণ্ডিয়ান প্ৰিমিয়াৰ লীগ (আই পি এল)। আৰবৰ তিনিখন চহৰ ক্ৰমে ডুবাই, শ্বাৰজাহ আৰু আবুঢাবিত অনুষ্ঠিত হ'ব ১৩ সংখ্যক আই পি এল। এইবাৰ লীগৰ মুঠ ১০ খন মেচ আবেলি হোৱাৰ বিপৰীতে বাকী মেচ নিশা হ'ব। আবেলিৰ মেচ ১০ খন ৩.৩০ বজাৰ পৰা আৰম্ভ হ'ব। আনহাতে নিশাৰ মেচ ৭.৩০ বজাৰ পৰা আৰম্ভ হ'ব।



### উভয় দেশৰ খেলুৱৈয়ে আৰম্ভণিৰ পৰাই খেলাৰ আশা কলকাতা নাইট ৰাইডাৰ্ছৰ

# এইবাৰ আই পি এলত অষ্ট্ৰেলিয়া-ইংলণ্ডৰ ২৯ ক্ৰিকেটাৰ

**কলকাতা, ২১ আগষ্ট ঃ** অষ্ট্ৰেলিয়া আৰু ইংলণ্ডৰ ক্ৰিকেটাৰে আই পি এলৰ প্ৰথম সপ্তাহৰ পৰা মেচত অংশ ল'ব পাৰিব বুলি জনাৰ পাছত চিন্তামুক্ত হৈছে কলকাতা নাইট ৰাইডাৰ্ছ। উল্লেখ্য যে কে কে আৰ দলে দুবাৰকৈ আই পি এলৰ খিতাপ দখল কৰিছে। এইবাৰো দলে চেম্পিয়ন হোৱাৰ লক্ষ্য লৈছে। নাইট ৰাইডাৰ্ছ দলত আছে পাঁচজনকৈ অষ্ট্ৰেলিয়া আৰু ইংলণ্ডৰ ক্ৰিকেটাৰ। তেওঁলোক হ'ল ইয়ন মৰ্গান, পাট কামিনছ, টম বাণ্টন, ক্ৰিছ গ্ৰীন আৰু হেৰী গুৰ্ণেট। উল্লেখ্য যে অহা ১৯ ছেপ্টেম্বৰৰ পৰা আৰম্ভ হ'ব ইণ্ডিয়ান প্ৰিমিয়াৰ লীগ (আই পি এল)। আৰবৰ তিনিখন চহৰ ক্ৰমে ডুবাই, শ্বাৰজাহ আৰু আবুঢাবিত অনুষ্ঠিত হ'ব ১৩ সংখ্যক আই পি এল। মুঠ ৫৩ দিন ধৰি চলিব লগা ইণ্ডিয়ান প্ৰিমিয়াৰ লীগৰ ফাইনেল অনুষ্ঠিত হ'ব ১০ নৱেম্বৰত। কিন্তু আই পি এলৰ আৰম্ভণিতে অষ্ট্ৰেলিয়া আৰু ইংলণ্ডে শৃংখলাত অংশ লোৱাৰ বাবে উভয় দেশৰ ক্ৰিকেটাৰে খেলিব নোৱাৰিব বুলি কোৱা হৈছিল। উল্লেখ্য যে ইংলণ্ড আৰু অষ্ট্ৰেলিয়াৰ মাজৰ টি-২০ মেচ তিনিখন ক্ৰমে চাৰি, ছয় আৰু আঠ ছেপ্টেম্বৰত আৰু এদিনীয়া মেচ তিনিখন ক্ৰমে ১১, ১৩ আৰু ১৬ ছেপ্টেম্বৰত অনুষ্ঠিত হ'ব। সেয়ে ইংলণ্ড আৰু অষ্ট্ৰেলিয়াৰ ক্ৰিকেটাৰে ১৭ ছেপ্টেম্বৰত ডুবাইত উপস্থিত হ'লেও ছয়দিন কোৱাৰেণ্টটিনত থকাৰ পাছতহে খেলপথাৰত নমাৰ নিয়ম। কিন্তু এতিয়া সেয়া প্ৰয়োজন নাই। কাৰণ কৰ'না নিয়মৰে এটা শৃংখলাত অংশ লৈ আহিব উভয় দেশৰ ক্ৰিকেটাৰ। গতিকে এই দুই দেশৰ আই পি এল খেলা ক্ৰিকেটাৰে আৰম্ভণিৰ পৰাই মেচত অংশ ল'ব পাৰিব। উল্লেখ্য যে এইবাৰ আই পি এলত আছে অষ্ট্ৰেলিয়া আৰু ইংলণ্ডৰ মুঠ ২৯ গৰাকী ক্ৰিকেটাৰ।







## ইংলণ্ডৰ দৃঢ় আৰম্ভণি

**লণ্ডন, ২১ আগষ্ট ঃ** আজিৰে পৰা আৰম্ভ হোৱা ইংলণ্ড আৰু পাকিস্তানৰ মাজৰ তৃতীয় তথা অন্তিম টেষ্টত ঘৰুৱা দলে প্ৰথমে বেটিং কৰি চাৰিটা উইকেট হেৰুৱাই ২০১ ৰাণ কৰিছে। শেহতীয়া খবৰ অনুসৰি শতক অৰ্জন কৰি উইকেটত আছে ক্ৰাৱলি (১১৩) আৰু বাটলাৰ (২৫)। আউট হৈছে ৰুট (২৯), ছিবলি (২২), বাৰ্ণছ (৬) আৰু প'পে (৩)। পাকিস্তানৰ হৈ য়াছিৰ শ্বাহে দুটা উইকেট পায়।



# বেইজিঙত আৰু পৰিধান কৰিব নালাগে মাস্ক ঃ নিষেধাজ্ঞা প্ৰত্যাহাৰ

**চীনত বিদেশী নাগৰিকৰ প্ৰৱেশত অব্যাহত আছে বাধা ঃ যোৱা ১৩ দিনত বেইজিঙত এজনো আক্ৰান্ত হোৱা নাই কৰ'নাত**

■ নিউজ ব্যুৰ'

**বেইজিং, ২১ আগষ্ট ঃ** বেইজিঙত মাস্ক নিপিন্ধাকৈও জনসাধাৰণে ঘৰৰ পৰা বাহিৰলৈ ওলাব পাৰিব। এই ক্ষেত্ৰত থকা বাধ্য-বাধকতা প্ৰত্যাহাৰ কৰা হৈছে। বেইজিঙত আজি এই কথা স্বাস্থ্য বিভাগৰ পৰা স্পষ্ট কৰি দিয়া হৈছে। সমগ্ৰ বিশ্বই কৰ'নাৰ বিৰুদ্ধে যুঁজ অব্যাহত ৰখাৰ সময়তে বেইজিঙৰ পৰা আজি অহা এই ঘোষণাই দেশখন কৰ'নামুক্ত হোৱাটো প্ৰায় নিশ্চিত হৈ পৰিছে। বেইজিং প্ৰশাসনে অৱশ্যে যোৱা কেইটামান মাহৰ পৰাই ক্ৰমান্বয়ে এই ক্ষেত্ৰত থকা বিধি-নিষেধ শিথিল কৰিবলৈ আৰম্ভ কৰিছিল। তাৰ মাজতেই বেইজিঙত মাস্ক পিন্ধাটো বাধ্যতামূলক নহয় বুলি স্বাস্থ্য বিভাগৰ পৰা জনায়। অৱশ্যে সমগ্ৰ বিষয়টো নাগৰিকৰ ওপৰত এৰি দিয়া হৈছে। কোনো নাগৰিকে মাস্ক পিন্ধি থাকিলেও এই ক্ষেত্ৰত প্ৰশাসনৰ কোনো বাধা নাথাকিব। উল্লেখ্য যে যোৱা ১৩টা দিনত ৰাজধানী মহানগৰখনত কোনো লোক নতুনকৈ কৰ'না ভাইৰাছৰ দ্বাৰা সংক্ৰমিত হোৱা নাই। চীনৰ মুখ্য চহৰবিলাকতো যোৱা পাঁচটা দিনত নতুনকৈ কোনো লোক কৰ'নাত আক্ৰান্ত হোৱা নাই। সেয়েহে দেশখনৰ চৰকাৰে এনে সিদ্ধান্ত ল'বলৈ আগবাঢ়ে। চৰকাৰে এই ক্ষেত্ৰত থকা বাধা-নিষেধ প্ৰত্যাহাৰ কৰিলেও কিন্তু জনসাধাৰণে মাস্ক পৰিধান নকৰাকৈ ঘৰৰ পৰা বাহিৰলৈ ওলাবলৈ এতিয়াও সাহস কৰিব পৰা নাই। এনে কাৰণতে চৰকাৰী ঘোষণা সত্ত্বেও আজিও বেইজিঙৰ ৰাজপথত সৰহসংখ্যক লোকেই মাস্ক পৰিধান কৰিয়ে ঘৰৰ পৰা বাহিৰলৈ ওলোৱা দেখিবলৈ পোৱা যায়। এই সন্দৰ্ভত সংবাদ সংস্থা ৰয়টাৰ্ছক দিয়া এক সাক্ষাৎকাৰত বেইজিঙৰ এগৰাকী মহিলাই কয়, 'এতিয়াই মই মাস্কখন খুলি পেলাব পাৰো। কিন্তু বাকীসকলে সেই কথা মানি ল'ব নে নলয় সেই কথা প্ৰথমে জানি লোৱাটো প্ৰয়োজন। মই মাস্ক পৰিধান নকৰাকৈ থকাটো দেখিলে ৰাজপথৰ বাকীসকলে আতংকিত হ'বও পাৰে।' পৰিস্থিতিৰ উন্নতি হৈছে যদিও ইমান সোনকালে মাস্ক খুলি পেলোৱাৰ ক্ষেত্ৰত বেইজিঙৰ বাসিন্দাসকলে এতিয়াও চূড়ান্ত দ্বিধাৰ মাজতে আছে। যোৱাটো বৰ্ষৰ শেষৰ ফালে চীনৰ উহানত প্ৰথমে কৰ'নাত আক্ৰান্ত হোৱাৰ তথ্য সন্মুখলৈ আহে। সেই সময়ৰে পৰা দুটাকৈ পৰ্যায়ত তলাবন্ধ ঘোষণা কৰা হৈছিল সেই স্থানত। অৱশ্যে ইয়াৰ মাজতে পৰিস্থিতি যথেষ্টখিনি নিয়ন্ত্ৰণলৈ আনিবলৈ সক্ষম হয় প্ৰশাসনে। সেয়েহে এই ক্ষেত্ৰত থকা বাধা-নিষেধত প্ৰশাসনে ইতিমধ্যেই যথেষ্ট শিথিলতা ঘোষণা কৰিছিল। ইয়াৰ পূৰ্বে যোৱা এপ্ৰিলৰ সময়তো এবাৰ বেইজিঙত মাস্ক পৰিধানৰ ক্ষেত্ৰত কিছু শিথিলতা ঘোষণা কৰা হৈছিল। কিন্তু বেইজিঙৰ দক্ষিণ অংশৰ এখন পাইকাৰী বজাৰত বহুকেইজন লোক কৰ'না ভাইৰাছৰ দ্বাৰা সংক্ৰমিত হোৱাৰ পাছত জুনত পুনৰ মাস্ক পিন্ধাটো বাধ্যতামূলক কৰি চৰকাৰী নিৰ্দেশ জাৰি কৰা হয়। পৰৱৰ্তী সময়ত অৱশ্যে জনজীৱন পুনৰ স্বাভাৱিক হৈ পৰে। ইয়াৰ পাছত পুনৰ আজি বেইজিঙত মাস্ক পৰিধান কৰাৰ ক্ষেত্ৰত থকা বাধা-নিষেধ প্ৰত্যাহাৰ কৰা হয়। সংক্ৰমণৰ ক্ষেত্ৰত সম্প্ৰতি বিশ্ব তালিকাত চীনে ৩২ সংখ্যক স্থানত আছে। দেশখনত ৮৯ হেজাৰ ৫৬৭জন লোক এই পৰ্যন্ত কৰ'নাত আক্ৰান্ত হৈছে। বিশেষজ্ঞসকলৰ মতে, কঠোৰ তলাবন্ধ, মাস্ক পৰিধান, স্বাস্থ্য ৰক্ষাৰ সামগ্ৰীৰ ব্যৱহাৰত গুৰুত্ব দিয়া, বাধ্যতামূলক কোৱাৰেণ্টাইন তথা ব্যাপক হাৰত কৰ'না পৰীক্ষাৰ ব্যৱস্থাৰ ফলত চীনত বৰ্তমান পৰিস্থিতি নিয়ন্ত্ৰণলৈ আহিছে। কিন্তু এতিয়াও সম্পূৰ্ণভাৱে নিশ্চিত হ'ব পৰা পৰিস্থিতি সৃষ্টি হোৱা বুলি ভবা নাই বেইজিং প্ৰশাসনে। কিয়নো যোৱা ২০ আগষ্টত বিদেশৰ পৰা চীনলৈ উভতি অহা ২২জনৰ শৰীৰত কৰ'না ভাইৰাছৰ উপস্থিতি ধৰা পৰিছিল। এনে কাৰণতে চীনত বিদেশী নাগৰিকৰ প্ৰৱেশ বৰ্তমানো বন্ধ কৰি ৰখা হৈছে।

# ভাৰতীয় সংস্কৃতিক অনুসৰণ ঃ কৰমৰ্দনৰ স্থান ল'লে নমস্কাৰে



## এইবাৰ নমস্কাৰক সম্ভাষণৰ মাধ্যম কৰিলে জাৰ্মানী-ফ্ৰান্সৰ ৰাষ্ট্ৰপ্ৰধানে

■ নিউজ ব্যুৰ'

**পেৰিছ, ২১ আগষ্ট ঃ** ভাৰতীয় সংস্কৃতিয়ে ক্ৰমে প্ৰসাৰ লাভ কৰিছে সমগ্ৰ বিশ্বতে। অভিনন্দন জনোৱাৰ ক্ষেত্ৰত 'নমস্কাৰ' শেহতীয়াকৈ অন্যতম প্ৰধান মাধ্যম হৈ পৰিছে বিশ্ববাসীৰ ওচৰত। বিশেষকৈ বিভিন্ন দেশৰ ৰাষ্ট্ৰপ্ৰধানসকলে সাক্ষাতৰ সময়ত নমস্কাৰক অনুসৰণ কৰিবলৈ লৈছে। মাৰ্কিন যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি, ইংলেণ্ডৰ ৰাণী তথা প্ৰধানমন্ত্ৰী আদিৰ পাছত ৰাজহুৱাভাৱে নমস্কাৰক অনুসৰণ কৰে জাৰ্মান চেঞ্চলৰ এঞ্জেলা মাৰ্কেল আৰু ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰনে। উল্লেখ্য যে কালি পেৰিছত এই দুয়োগৰাকী ৰাষ্ট্ৰপ্ৰধানৰ সাক্ষাৎ হৈছিল। জাৰ্মানী চেঞ্চলৰে পেৰিছত ফ্ৰান্সৰ ৰাষ্ট্ৰপ্ৰধানজনক ৰাষ্ট্ৰপতিৰ গ্ৰীষ্মকালীন বাসভৱনত সাক্ষাৎ কৰিছিল। কিন্তু দুয়োগৰাকীয়ে চিৰ পৰিচিত কৰমৰ্দন কৰিবলৈ যোৱাটো দেখা নগ'ল। দুয়োগৰাকীয়ে নিজৰ মাজত দূৰত্ব অক্ষুণ্ণ ৰাখি নমস্কাৰৰে পৰস্পৰক অভিনন্দন জনায়। এই সন্দৰ্ভত এটি ভিডিঅ' নিজৰ টুইটাৰত প'ষ্ট কৰিছে ৰাষ্ট্ৰপতি মেক্ৰনে। ভিডিঅ'টো ইতিমধ্যে ভাইৰেল হৈ পৰিছে। ভাৰতীয় সংস্কৃতিৰ সম্ভাষণ পদ্ধতি বিশ্বৰ ৰাষ্ট্ৰপ্ৰধানসকলে অনুসৰণ কৰাত ছ'চিয়েল মিডিয়াত উচ্চ প্ৰশংসিত হৈছে। কৰ'না ভাইৰাছৰ সংক্ৰমণ ৰোধ কৰাত সামাজিক দূৰত্বৰ বিধানক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিছে সমগ্ৰ বিশ্বই। ফলত কৰমৰ্দন অথবা সাবটি ধৰাৰ দৰে জনপ্ৰিয় সৌজন্য বিনিময় কৌশল এৰাই চলিছে বিশ্বৰ বিভিন্ন দেশৰ ৰাষ্ট্ৰপ্ৰধানসকলে। সেয়েহে কৰ'না সংকটৰ বৰ্তমান এই সময়ত ভাৰতীয় সম্ভাষণ বিনিময় ৰীতি নমস্কাৰৰ ব্যৱহাৰক লৈ বিশ্বৰ বিভিন্ন দেশত বিতংভাৱে আলোচনা চলিবলৈ লৈছে। এই একে পথৰে এতিয়া যাত্ৰী হ'লগৈ জাৰ্মানী আৰু ফ্ৰান্সৰ দুই ৰাষ্ট্ৰনেতা। ৰাষ্ট্ৰপতি মেক্ৰনৰ ভিডিঅ'টোত দেখিবলৈ পোৱা অনুসৰি এঞ্জেলা মাৰ্কেলক অভিবাদন জনাবলৈ ঠিয় হৈ আছে ৰাষ্ট্ৰপতি মেক্ৰনে। জাৰ্মান চেঞ্চলৰগৰাকীয়ে খটখটি বগাই উঠি আহিছে ওপৰলৈ। চেঞ্চলৰগৰাকীয়ে দুই হাত-ভৰি কঁকাল বেঁকা কৰি ইয়াৰ পাছতে নমস্কাৰ জনায় ৰাষ্ট্ৰপতি মেক্ৰনক। একেদৰেই ৰাষ্ট্ৰপতি মেক্ৰনেও নমস্কাৰ জনায় চেঞ্চলৰগৰাকীক। এই ভিডিঅ'টো ভাইৰেল হোৱাৰ লগে লগেই আকৌ এবাৰ নমস্কাৰৰ বিশেষত্ব বিশ্ব ছ'চিয়েল মিডিয়াযোগে দৰবাৰত তুলি ধৰিছে ভাৰতীয়সকলে। কৰ'না সংক্ৰমণৰ পৰোক্ষ প্ৰভাৱত ২০২০ত সমগ্ৰ বিশ্বজুৰি 'নমস্কাৰ' সম্ভাষণ পদ্ধতিয়ে বিস্তাৰ লাভ কৰিলে বুলিও ছ'চিয়েল মিডিয়াত ইতিমধ্যে বিভিন্নজনে মন্তব্য কৰিছে।



# এগৰাকী ৬৫ বছৰীয়া মহিলাই ১৩ মাহত জন্ম দিলে আঠটাকৈ সন্তান

**চৰকাৰী আঁচনিৰ ধন লুণ্ঠনৰ ফন্দি**

■ নিউজ ব্যুৰ'

**পাটনা, ২১ আগষ্ট ঃ** বিহাৰৰ এগৰাকী ৬৫ বছৰৰ ঊৰ্ধ্বৰ এগৰাকী মহিলাই ১৩ মাহত জন্ম দিলে আঠটাকৈ সন্তান। বিহাৰৰ মুজফ্‌ফৰপুৰৰ শান্তি দেৱী নামৰ মহিলাগৰাকীয়ে ১৩ মাহত আঠটা সন্তান জন্ম দিয়াৰ চৰকাৰী পঞ্জীয়নভুক্ত তালিকাত নাম সন্নিবিষ্ট কৰিছে। কেৱল শান্তি দেৱীয়েই নহয়, লীলা দেৱী নামৰ মহিলাগৰাকীয়েও ১৮ মাহত আঠটা সন্তান জন্ম দিয়াৰ অভিলেখ গঢ়িছে। পিছে দুয়োগৰাকী মহিলাই প্ৰকৃতিগতভাৱে গৰ্ভধাৰণ কৰি সন্তান জন্ম দিয়া নাই। মাথোঁ একাংশ লোকে চৰকাৰী আঁচনিৰ ধন আত্মসাৎ কৰাৰ বাবেহে মহিলা দুগৰাকীক ১৩ মাহতে আঠটাকৈ সন্তান জন্ম দিয়াৰ তথ্য পঞ্জীয়নভুক্ত কৰিছে। দুয়োগৰাকী মহিলাই প্ৰতিবাৰে সন্তান প্ৰসৱৰ পাছত চৰকাৰী সাহায্য লাভ কৰাৰ তথ্যও চৰকাৰীভাৱে অন্তৰ্ভুক্ত কৰা হৈছে। উল্লেখ্য যে আঠ সন্তান জন্ম দিয়াটো দূৰৈৰ কথা বিগত ২০ বছৰে এটিও সন্তান জন্ম দিয়া নাই শান্তি দেৱীয়ে। প্ৰসূতি আৰু সদ্যোজাতৰ শুশ্ৰূষাৰ বাবে ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য অভিযান আৰু ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য যোজনাৰ অধীনত বিহাৰত প্ৰসূতিক প্ৰসৱৰ পাছত ১৪০০ টকাকৈ সাহায্য আগবঢ়োৱা হয়। শান্তি দেৱীৰ নামতো এনেদৰে কোনো লোকে চৰকাৰী ধন সৰকাইছে। পিছে এনেদৰে দুষ্টচক্ৰই ধন সৰকাই থাকিলেও শান্তি দেৱী আৰু লীলা দেৱীয়ে ফুটাকড়িও লাভ কৰা নাই। শান্তি দেৱীৰ আঠ সন্তানৰ ভিতৰত তিনিজনৰ মৃত্যু হোৱা বুলি চৰকাৰী তথ্যত নথিভুক্ত কৰা হৈছে। এইগৰাকী মহিলাৰ নামত এনেদৰে ধন সৰকোৱাৰ বিষয়ে তথ্য ফাদিল হোৱাত হাহাকাৰ লাগিছে ৰাজ্যখনৰ স্বাস্থ্য বিভাগত। ইতিমধ্যে বিহাৰৰ স্বাস্থ্যমন্ত্ৰী মংগল পাণ্ডেই ঘটনা সন্দৰ্ভত তদন্ত কৰিবলৈ এখন চাৰিজনীয়া সদস্যৰে তদন্ত কমিটী গঠন কৰিছে। শান্তি দেৱীৰ পৰিয়ালে তেওঁৰ নামত ধন সৰকোৱা বুলি জানিব পাৰি এই বিষয়ে বেংক কৰ্তৃপক্ষক অৱগত কৰে। ইয়াৰ পাছতেই স্বাস্থ্য বিভাগত সংঘটিত অনিয়মৰ তথ্য পোহৰলৈ আহে।

ইপিনে, মুজফ্‌ফৰপুৰ জিলাৰে মুছাহৰি ব্লকৰ ছোটি কোঠিয়া গাঁৱৰ বাসিন্দা লীলা দেৱীৰ নামতো এনেদৰে ধন সৰকোৱা হৈছে যদিও মহিলাগৰাকীয়ে ২১ বছৰ পূৰ্বে এটি পুত্ৰ সন্তান জন্ম দিছিল। মহিলাগৰাকীৰ স্বামী কৃষক। শেহতীয়াভাৱে বেংকৰ লেনদেনৰ হিচাপ কৰিবলৈ যাওতে জোলোঙাৰ মেকুৰী ওলাই পৰে। মহিলাগৰাকীৰ নামত বেংক একাউণ্টত ধন জমা আৰু ইয়াৰ পাছতে উক্ত ধন উলিওৱা দেখুওৱা হৈছে যদিও মহিলাগৰাকীয়ে একাউণ্টৰ পৰা কোনো ধনেই উলিওৱা নাছিল। মুছাহৰিৰ ষ্টেট বেংকৰ শাখাত থকা উক্ত একাউণ্টৰ ধন কোনে কেনেদৰে উলিয়াই নিয়ে সেই বিষয়ে জানিবলৈ কাষ্টমাৰ ছাৰ্ভিচ পইণ্টত যোগাযোগ কৰাত উক্ত পইণ্টৰ কৰ্মচাৰীয়ে বিষয়টো আনৰ আগত প্ৰকাশ নকৰিবলৈ কয়। কিন্তু লীলা দেৱীয়ে বেংকৰ মেনেজাৰ চন্দ্ৰশেখৰ সিংহক অৱগত কৰে যদিও তেওঁ বিষয়টোত গুৰুত্ব প্ৰদান নকৰিলে। ইয়াৰ পাছতেই স্বাস্থ্য বিভাগত সংঘটিত অনিয়মে ৰাজ্যখনত জোঁকাৰণিৰ সৃষ্টি কৰিছে।

# স্বামীয়ে কাজিয়া নকৰে ঃ বিবাহ বিচ্ছেদ বিচাৰিলে পত্নীয়ে



■ নিউজ ব্যুৰ'

**লক্ষ্ণৌ, ২১ আগষ্ট ঃ** কথাতে কোৱা হয় বোবাৰ হেনো কোনো শত্ৰু নাথাকে। কিন্তু বাস্তৱত সদায় এনে নহয়। ভুল হ'লেও তৰ্ক কৰাৰো এক ভিন্ন আমেজ আছে। তৰ্ক যুঁজত ব্যস্ত হ'ব নাপালেও বহুতৰ আকৌ খাদ্য হজম নহয়। এনে এক ঘটনা ঘটিল উত্তৰ প্ৰদেশত। তৰ্ক যুঁজত লিপ্ত নোহোৱা স্বামীক বিবাহ বিচ্ছেদ দিবলৈ ৰাজ্যখনত সাজু হৈছে এগৰাকী মহিলাই। পত্নীৰ যুক্তি হ'ল স্বামীৰ অতিৰিক্ত মৰমত হেনো উশাহ-নিশাহ প্ৰায় বন্ধ হৈ যোৱাৰ উপক্ৰম হয়গৈ। সেয়েহে সমগ্ৰ বিষয়টো লৈ পত্নী গৈ উপস্থিত হৈছেগৈ আদালতৰ মজিয়াত। কিন্তু পত্নীৰ আশ্চৰ্যকৰ দাবী সম্পৰ্কত গোচৰ ল'বলৈ অস্বীকাৰ কৰিলে আদালতে। ফলত আদালতত খাৰিজ হয় পত্নীৰ বিবাহ বিচ্ছেদ বিচৰা আবেদন। অৱশ্যে তৰ্ক কৰি ভাল পোৱা পত্নীও নাচোৰবান্দা। আদালতত নিজ কাৰ্য সমাধান নোহোৱাত বিষয়টো লৈ দ্বাৰস্থ হয় স্থানীয় পঞ্চায়তৰ। উত্তৰ প্ৰদেশৰ সম্বল জিলাৰ বাসিন্দা এই মহিলাগৰাকীৰ বিয়া হোৱা মাত্ৰ ডেৰ বছৰহে হৈছে। বিবাহৰ এই ক্ষুদ্ৰ সময়ছোৱাৰ ভিতৰতে মহিলাগৰাকীয়ে বিবাহ বিচ্ছেদ বিচাৰি উপস্থিত হয় আদালতত। স্বামীৰ পৰা পৃথক হ'বলৈ গৈ দিয়া যুক্তি শুনাৰ পাছত হতবাক হৈ পৰে বিচাৰপতি। মহিলাগৰাকীয়ে আদালতত দাখিল কৰা আবেদনত জনোৱা অনুসৰি স্বামীৰ অতিৰিক্ত মৰম তথা আদৰণীয় গুণৰ বাবে তেওঁ অতিকৈ বিৰক্ত হৈ পৰিছে। সেয়েহে স্বামীৰ পৰা বিবাহ বিচ্ছেদ লাগে। এই আবেদনখনৰ সন্দৰ্ভত আদালতে কয় যে মহিলাগৰাকীয়ে অজ্ঞানীৰ দৰে ব্যৱহাৰ কৰিছে। এনে গোচৰৰ বিচাৰ কাৰ্য চলাবলৈ সেয়েহে প্ৰস্তুত নহয় আদালত।

**আদালতে খাৰিজ কৰিলে আবেদন**

পঞ্চায়তৰ ভাষ্যও আছিল প্ৰায় একে ধৰণৰ। উদ্ভট ধৰণৰ এনে সমস্যাৰ সমাধান কৰাৰ ক্ষেত্ৰত নিজকে অপৰাগ বুলিও ঘোষণা কৰে পঞ্চায়তে। কিন্তু মহিলাগৰাকীয়ে কাৰো কথা শুনিবলৈ প্ৰস্তুত নহয়। তেওঁ সিদ্ধান্ত লৈ পেলাইছে যে স্বামীক বিবাহ বিচ্ছেদ দিহে এৰিব। মহিলাগৰাকীৰ ভাষ্যত ক'বলৈ গ'লে স্বামীয়ে তেওঁৰ স'তে কেতিয়াও কাজিয়া নকৰে। কেতিয়াবা ভুল কৰাটো ধৰা পৰিলেও স্বামীয়ে হাঁহি মুখে ক্ষমা কৰি দিয়ে। মহিলাগৰাকীয়ে বোলে এনে জীৱনৰ পৰিকল্পনা কৰা নাছিল। মাজে সময়ে স্বামীয়ে তৰ্ক-বিতৰ্ক কৰি থকাটোহে বিচাৰিছিল বুলিহে জানিবলৈ দিছে মহিলাগৰাকীয়ে। এনে অৱস্থাত কেতিয়াবা অতিকৈ বিৰক্ত হ'বলগীয়াৰ কথা জনাই তেওঁ স্বামীৰ পৰাই বিচ্ছেদ বিচাৰে। এই সন্দৰ্ভত স্বামীয়ে কয় যে তেওঁ সকলো সময়তে পত্নীক সুখী কৰি ৰাখিব বিচাৰে। সেয়েহে তৰ্ক-বিতৰ্কৰ পৰা আঁতৰি থাকে। পত্নীৰ বিবাহ বিচ্ছেদৰ আবেদন খাৰিজ কৰিবলৈ স্বামীয়েও আদালতত পৃথক আবেদন দাখিল কৰিছিল। পঞ্চায়তৰ তৰফৰ পৰা স্বামী-স্ত্ৰীক নিজৰ মাজতে আলোচনা কৰি বিষয়টো সমাধান কৰি ল'বলৈ পৰামৰ্শ দিয়া হয়; কিন্তু মহিলাগৰাকী আঁকোৰগোজ।



# দুখন বিশাল ফুটবল ষ্টেডিয়ামৰ সমান ছবি অংকন ব্ৰিটিছ চিত্ৰকৰৰ

■ নিউজ ব্যুৰ'

**ডুবাই, ২১ আগষ্ট ঃ** দুখন ফুটবল খেলপথাৰৰ সমান আয়তনৰ ছবি আঁকি বিশ্ব অভিলেখ গঢ়াৰ দিশে অগ্ৰসৰ হৈছে এজন ব্ৰিটিছ চিত্ৰকৰ। এইজন চিত্ৰকৰে ১৮০০ বৰ্গ মিটাৰতকৈও বেছি ডাঙৰ আকাৰৰ ছবি অংকন কৰি বিশ্ব অভিলেখ গঢ়াৰ দিশে অগ্ৰসৰ হোৱাৰ সময়ত ইয়াৰ স'তে আৰু এটা নাম সাঙোৰ খাইছে। ব্ৰিটেইনৰ চিত্ৰকৰ ছাচা জাফৰিয়ে সম্প্ৰতি ডুবাইত ব্যস্ত হৈছে বিশ্বৰ সবাতোকৈ বৃহৎ আকাৰৰ কেনভাছত ছবি আঁকাত। ডুবাইৰ আটলাণ্টিছ হোটেলৰ বলৰুমত এই বিশাল আকাৰৰ ছবিখন অংকনত ব্যস্ত হৈছে চিত্ৰকৰজন।

তেওঁ বিগত মে'ৰ পৰা এই ছবিখন অংকনৰ কাম আৰম্ভ কৰে। 'দ্য জাৰ্ণি অৱ হিউমেনিটি' নামেৰে নামাংকিত ছবিখন শীঘ্ৰে সমাপ্ত হোৱাৰ পথত। যদিও ছবিখন সম্পূৰ্ণ হোৱা নাই তথাপি চিত্ৰকৰজনে ইতিমধ্যে নিজৰ ইনষ্টাগ্ৰামত এই ছবিখনৰ বিভিন্ন অংশৰ বিষয়ে ছবি প্ৰকাশ কৰিছে। এই ছবিখন ইমানেই বিশাল যে এটা ফ্ৰেমত বন্দোৱাটো সম্ভৱ নহ'ব। সেই বাবে চিত্ৰকৰজনে ছবিখন প্ৰকাশ কৰিবলৈ ৬০টা অংশত বিভক্ত কৰি বেলেগ বেলেগ ফ্ৰেমত বন্দোৱাৰ পৰিকল্পনা কৰিছে।

অহা ডিচেম্বৰত এই ছবিখনৰ নিলাম কৰা হ'ব। এই ছবিখনৰ মূল্য ভাৰতীয় মুদ্ৰা অনুসৰি ২২৪ কোটি ৬৫ লাখ টকা হ'ব বুলি আশা কৰা হৈছে। অৱশ্যে চিত্ৰকৰজনে এই ধনৰাশি নিজৰ বাবে ব্যয় নকৰে। তেওঁ 'হিউমেনিটি ইনস্পায়াৰ্ড' নামৰ স্বেচ্ছাসেৱী সংগঠনটোক দান কৰিব আনক সহায়ৰ বাবে।

জাফৰি নতুন চিত্ৰকৰ নহয়। ইয়াৰ পূৰ্বেও তেওঁ বহুতো বিশ্বমানৰ ছবি আঁকি সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। তেওঁ আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি বৰাক অ'বামা, মেডোনা আদি বিশ্ববিখ্যাত ব্যক্তিৰ ছবি অংকন কৰি সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। কেনভাছত ছবি আঁকা জাফৰীয়ে পূৰ্বৰ তুলনাত এইবাৰ ব্যতিক্ৰমী ৰূপত ছবিখন অংকন কৰিছে। এখন নহয়, দুখন ফুটবল খেলপথাৰৰ সমান ছবি অংকন কৰাৰ পৰিকল্পনা বহুদিনৰ পৰা মনত পুহি ৰাখিছিল বাবে আজি বাস্তৱত ৰূপায়িত হোৱাৰ দিশে আগবাঢ়িছে।




অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com